ফেব্ৰুৱাৰী 2009 ■ Rs.20/-

চান্দমামা




BSA LADYBIRD
Your best friend for life.
Introducing
BSA LADYBIRD XS
Act Create Play
Push your boundaries and explore new horizons. Because with the all-new Ladybird XS you can go wherever you want to. The perfect combination of stylish, feminine looks and a strong, rugged frame, it's the right companion for girls who believe in having the best of every world.
Bring home a Ladybird XS and bring out the adventurer in you.
www.ticyclesindia.com

Avail the loyalty bonus!

Chandamama Subscribers will get flat 20% off on subscription renewals! (All Editions)

Chandamama!

Because stories make the world go round...

Choose your Chandamama! Go to www.chandamama.com & subscribe now!!

Chandamama is available in English and 12 regional languages. Junior Chandamama for children below 9 years is available only in English.

I want to subscribe to / gift / renew subscription for the following editions of Chandamama:

☐ English ☐ Telugu ☐ Tamil ☐ Kannada ☐ Hindi
☐ Marathi ☐ Gujarati ☐ Oriya ☐ Bengali ☐ Sanskrit
☐ Santali ☐ Malayalam ☐ Assamese ☐ Junior

Name: ....

Date of Birth: .... Sex: ....

Address: ....

....

....

.... City: ....

State: .... Pin: ....

Telephone: ....

Mobile: ....

Email: ....

Subscription Number 9for renewals): ....

Gift Subscription to the following address:

....

....

....

....

Enclosed Cheque/DD* for Rupees..............................

Cheque/DD No ....

favouring Chandamama India Ltd on..............................

.... bank.

*Add Rs.60 for non-Chennai cheques. Your subscription will commence in 4 weeks.

Please mail the subscription form to:
Chandamama India Limited,
New 2/513 (Old 3/396) Sundeep Avenue East,
2nd Main Road, Chinna Neelankarai,
Chennai - 600041. Phone: (044) 43992828, Fax: (044) 43992829
Email: subscription@chandamama.com
You can also subscribe online at: www.chandamama.com

Take Your Pick!	1 YEAR	2 YEARS	3 YEARS	4 YEARS	5 YEARS
ENGLISH (Rs. 25/- per copy)	Rs. 300	Rs. 540	Rs. 765	Rs. 960	Rs. 1125
You Save		Rs. 60	Rs. 135	Rs. 240	Rs. 375
REGIONAL (Rs. 20/- per copy)	Rs. 240	Rs. 430	Rs. 610	Rs. 770	Rs. 900
You Save		Rs. 48	Rs. 108	Rs. 192	Rs. 300
JUNIOR (Rs. 15/- per copy)	Rs. 180	Rs. 325	Rs. 460	Rs. 575	Rs. 675
You Save		Rs. 36	Rs. 81	Rs. 144	Rs. 225

Annual Subscription Overseas : US $40 for English Chandamama, US $30 for Regional Languages, US $25 for Junior Chandamama (including shipping and handling charges) by air mail.

চান্দমামা বৰ্ষ ৩৩ ফেব্ৰুৱাৰী ২০০৯ সংখ্যা-২

বিশেষ আকৰ্ষণ

ৰাজনীতি
(বেতাল কাহিনী) ...১৯

টাইৱানৰ
লোককাহিনী ...৩৮

প্ৰয়োজনীয় কথা
...৪৭

ৰামায়ণ
(যুদ্ধ কাণ্ড-২) ...৫৭

এই সংখ্যাত আছে

- ★ পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা ...০৬
- ★ মূক ভগৱান ...০৭
- ★ পৰিশ্ৰম ...১২
- ★ পাতাল দুৰ্গ-৫ ...১৩
- ★ সংবাদ বিচিত্ৰা ...২৫
- ★ পৌৰাণিক যুৱ নায়ক-৯ ...২৬
- ★ বিচিত্ৰ ভাৰত ...৩০
- ★ বীৰবলৰ কাহিনী-১৮ ...৩২
- ★ উদীয়মান তাৰকা ...৩৭
- ★ ইউৰেকা ...৪১
- ★ ঘৰলৈ আহিঁলো ঘূৰি ...৪২
- ★ বাতৰিৰ শিৰোনামাত শিশু ...৪৫
- ★ বিশ্ব চেম্পিয়ন ...৫২
- ★ ভাৰতৰ ঐতিহ্যমণ্ডিত স্থান ...৫৩
- ★ জাতক কথা ...৫৪
- ★ ৰত্নভাণ্ডাৰৰ সন্ধান ...৬৩
- ★ বন্ধু ...৬৭
- ★ প্ৰকৃত অন্ধ ...৭০
- ★ চান্দমামা সাধাৰণ জ্ঞান কুইজ-১ ...৭১
- ★ জানো আহাঁ নানা কথা ...৭৩
- ★ ফটো নামকৰণ প্ৰতিযোগিতা ...৭৪

অমৰ বাণী

এনে কিছুমান কথা থাকে যিবোৰ পত্নী, আত্মীয় মিত্ৰ আৰু পুত্ৰক ক'ব পৰা নাযায়। সেয়েহে বুদ্ধিমান ব্যক্তিয়ে কৰিবলগীয়া কামটো হ'ল তেওঁ ভাল বেয়াৰ হিচাপ ৰাখি ডাঙৰে দেখুৱাই দিয়া ৰাস্তাত আগবাঢ়ক।

জন্তুৱে জন্তুৰ লগত গাইয়ে গাইৰ লগত আৰু ঘোঁৰা ঘোঁৰাৰ লগত মিলি যায়। মূৰ্খ মূৰ্খৰ লগতহে মিলে আৰু বুদ্ধিমান বুদ্ধিমানৰ লগতহে মিলে। সেয়েহে গুণ আৰু দোষ সমান হয় যদি তেতিয়াই মিত্ৰতা সম্ভৱ হয়।

13-2-07

ভূমিকা আৰু দায়িত্ব

যোৱা ২৫ নৱেম্বৰত মুম্বাইত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ বিশ্লেষণৰ পাছত পোহৰলৈ অহা সবাতোকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল এই ঘটনাবোৰত ভাৰতৰ মানুহে প্ৰকাশ কৰা ক্ৰোধ ক্ষোভ অস্বাভাৱিক নহয় যদিও, এনে সমস্যাৰ দীৰ্ঘস্থায়ী সমাধান আমাৰ সামাজিক ব্যৱস্থাৰ বাহিৰত নাই। বৰঞ্চ, এই ব্যৱস্থাটোৰ মাজতে আমি ইয়াৰ এটা সমাধান বিচাৰিব লাগিব।

যেতিয়া সকলোৱে ৰাজনীতিক আৰু আমোলাতন্ত্ৰক সমালোচনা কৰে তেতিয়া আমি এটা খুব গুৰুত্বপূৰ্ণ প্ৰশ্ন কৰিবলৈ পাহৰি যাওঁ—এই ৰাজনীতিক আৰু আমোলতান্ত্ৰিকসকল আহে ক'ৰপৰা? তেওঁলোক আকাশৰপৰা সৰি পৰিছিল নেকি? তেওঁলোক আমাৰ সমাজৰ ভিতৰৰে নহয়নে? ওপৰৰ এই আটাইবোৰ যদি সঁচা হয়, তেন্তে আমি আমাৰ নেতা হিচাপে নিৰ্বাচিত কৰা লোকসকলৰ বাবে আমিয়েই দায়িত্ব ল'ব নালাগিবনে?

এবাৰ এখন মহানগৰীৰ এঘৰ সম্ভ্ৰান্ত মানুহৰ ঘৰত চলা আলোচনাত মাজতে এবাৰ ৰাজনীতিৰ কথা আলোচনা কৰা হৈছিল। গৃহস্থই মাজতে এবাৰ সাধাৰণভাৱে সুধিলে, তেওঁলোকৰ কিমানে ভোট দিছে? উত্তৰটো আছিল, "এজনেও দিয়া নাই।" এই মানুহবোৰ ৪০ বছৰৰ ওপৰৰ আছিল, আৰু কিছুমান আছিল ৫০ আৰু ৬০ৰ ঘৰত যিসকলে তেওঁলোকৰ জীৱনত কেতিয়াও ভোট দি পোৱা নাছিল। ইয়াৰ অৰ্থ হ'ল তেওঁলোকে পিতৃ, মাতৃ, কৰ্মী, মেনেজাৰ ইত্যাদিৰ দায়িত্ব পালন কৰিবলৈ ইচ্ছুক, কিন্তু নিজৰ দেশৰ প্ৰতি মূল কৰ্ত্তব্যটোকে পালন কৰিবলৈ তেওঁলোক অনিচ্ছুক-এজন দায়িত্বশীল নাগৰিক হোৱাৰ কৰ্ত্তব্য।

আমি যদি দায়িত্বশীল আচৰণ কৰো, তেন্তে আমি সংসদলৈ সেই সকল লোকক প্ৰেৰণ কৰিম যিসকলে জানিব যে তেওঁলোক আমাৰ ওচৰত জবাবদিহি হৈ থাকিব। তেওঁলোকে যদি সেই কথা জানে, তেন্তে তেওঁলোকে প্ৰণয়ণ কৰা আইন, তেওঁলোকে গঢ়ি তোলা ব্যৱস্থাটো, তেওঁলোকে যুগুত কৰা নিয়ম--এই সকলোবোৰেই দায়িত্বশীল হ'ব। যোগ্য মানুহকহে আমাৰ নেতা হিচাপে বাচনি কৰাটো আমাৰ পবিত্ৰ দায়িত্ব। ভোট নিদিয়াকৈ পিছত বেয়া ৰাজনীতিকৰ বিষয়ে অভিযোগ কৰাটো দায়িত্বহীন নাগৰিকৰ লক্ষণ।

এইটো দেশৰ প্ৰতি আমাৰ প্ৰথম আৰু মৌলিক কৰ্ত্তব্য। এখন নিৰাপদ সমাজ গঠনৰ প্ৰচেষ্টা আৰম্ভ হয় আমাৰ ঘৰত, ঠিক যেনেকৈ আমি ঘৰৰ নিয়মীয়া কামবোৰ কৰো।

সম্পাদক: এল. সুব্ৰমনিয়ান

Visit us at : http://www.chandamama.com

Founded by
B. Nagi Reddi and Chakrapani

Chairman : B. Viswanatha Reddi (Viswam)
Editor & Publisher : L. Subramanyan
Consultant Editor : K. Ramakrishnan
Associate Editor : Sowmya Rajendran
Senior Artists: K.C. Sivasankaran (Sankar), Gandhi Ayya, P. Mahesh
Artist : Jayapandian
Assistant Editor : R. Sudha
Creative Writer : R. Vaasugi
Layout Designer : B.A. Hemalata Malini

CIRCULATION TEAM :
Chennai : **T N Ravi Shankar,** ***National Sales Manager***
Mobile +91 99620 70014
email : ravishankar.tn@chandamama.com
Fazal Khan, ***Manager-Circulation & Institutional Sales - South***
Mobile +91 99625 67860
email : fazal.khan@chandamama.com
Mumbai : **Rajendra K Jadhav,** ***Asst. Manager - Circulation***
Mobile +91 9320565048
CHANDAMAMA INDIA LTD., B-3, Lunic Industry
Opp. State Bank of India, Near Police Station Cross Road
No.6, MIDC Andheri (East), Mumbai-400093
Phone +91 22 28312872 / 28311849
email : rajendra.jadhav@chandamama.com
New Delhi : **Sushil Sharma,** ***Circulation Manager-North***
Mobile +91 99110 91022
CHANDAMAMA INDIA LTD., Goyal Business Centre,
C-23/2 First floor, Connaught Place, New Delhi-110001
Bangalore : **P. Murali,** ***Asst. Circulation Manager -Karnataka***
Mobile +91 94488 36952
CHANDAMAMA INDIA LTD., 18, 10th Cross, Mayura Street
Papanna Lay Out, Outer Ring Road, RMV 2nd Stage
Bangalore-560094, Phone +91 80 6655 1000
email:murali.p@chandamama.com
Kolkata : **Ananth Prakash,** ***Circulation Manager-East***
Mobile +91 98362 82202
email : ananth.prakash@chandamama.com
Ahmedabad : **Kalpesh Raval,** ***Sales Officer-Circulation***
Mobile +91 98245 19946
email : kalpesh.raval@chandamama.com
Content Head - Online : **Sowmya Bharadwaj**
email : sowmya.b@chandamama.com
Head - Business Development : **Surajit Agarwal**
email : surajit@chandamama.com
Advertisement : email : sales@chandamama.com
Subscription Queries: L Govindasamy
e-mail : govindaswamy.l@chandamama.com
Customer Cell : A B Sairam Mobile: +91 9841983774
e-mail : sairam.ab@chandamama.com
Production Executive : Panchakshari R Math
Head Office : **CHANDAMAMA INDIA LTD.,**
2/513 (Old 3/396), Sundeep Avenue East, 2nd Main Road,
Chinna Neelankarai, Chennai - 600 041
Phone +91 44 43992828, Fax +91 44 43992829
Email : chandamama@chandamama.com
Website : www.chandamama.com

ANNUAL SUBSCRIPTION :
Foreign : US$30 (including shipping and handling charges)

পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা

সুন্দৰ আৰু ৰোমাঞ্চকৰ আলোচনী *চান্দমামাৰ* মই নিয়মীয়া পাঠক। *চান্দমামা* প্ৰথম পঢ়া দিন-টোৰপৰা আজিলৈকে মই এটা সংখ্যাও নপঢ়াকৈ থকা নাই। আৰু তাকো চাৰিটা বিভিন্ন ভাষাত। তাৰ কাৰণ এটাই। ইয়াৰ বিশেষত্ব। ভাৰতৰ ঐতিহ্যমণ্ডিত স্থান শিতানত চম্পানেৰ পাৱাগড় উদ্যান সম্পৰ্কীয় তথ্য খুবেই জ্ঞানবৰ্দ্ধক আৰু ৰোমাঞ্চকৰ আছিল। আকাশৰ চন্দ্ৰমাৰ দৰে *'চান্দমামা'ৰো* ভাৰতীয় সংস্কৃতি আৰু পৰম্পৰাৰ প্ৰকাশ অনাগত প্ৰজন্মবোৰে পাই থাকক এই আশাৰে।

- জুবেৰ খান, অকোলা

আমি যেতিয়া শিশু আছিলো, আমি ডাঙৰ হৈ প্ৰাপ্তবয়স্ক হ'ব খুজিছিলো। ডাঙৰ হৈ মন যায় আকৌ শিশু হ'বলৈ। তেতিয়াই আমাক সহায় কৰিবলৈ আহে *চান্দমামা*। আলোচনীখনে আমাৰ শৈশৱৰ সুপ্ত স্মৃতি জাগ্ৰত কৰি তোলে। মই আশা কৰো *চান্দমামা* যাতে 'শিশু' হৈ থাকে আৰু এখন 'প্ৰাপ্তবয়স্ক' আলোচনী হৈ নুঠে।

- আকাংখ্যা বিছৱাল, কটক

মোৰ বয়স হৈছে ১৪ বছৰ, আৰু যোৱা পাঁচ বছৰ ধৰি মই *চান্দমামা* পঢ়ি আছো। মোৰ মতে এই আলোচনীখন এজন সঁচা বন্ধুৰ দৰে। মই পঢ়িবলৈ আৰম্ভ কৰাৰেপৰা *চান্দমামাৰ* আটাইবোৰ সংখ্যা মই সযতনে সাঁচি থৈছো। সেইবোৰ হ'ল মোৰ ৰত্ন ভাণ্ডাৰ।

- নয়না নাগেছ, কাৰৱাৰ

আপোনালোকৰ প্ৰচেষ্টা সত্ত্বেও, সাম্প্ৰতিক কালৰ বিক্ৰম বেতাল কাহিনীবোৰে এই শৃংখলাত এতিয়ালৈকে ওলোৱা গল্পবোৰৰ দৰে মানদণ্ড ৰক্ষা কৰিব পৰা নাই। বাবাক অ'বামাৰ মূলমন্ত্ৰৰদৰে, আমাকো পৰিৱৰ্ত্তন লাগিব। *- দীপক কুমাৰ জেনা, ৰাণীহাট*

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

মূক ভগৱান

লক্ষ্মীপুৰত শিৱৰাজ নামৰ এজন গায়ক বাস কৰিছিল। তেওঁ ওচৰে পাজৰে থকা গাওঁ-বোৰত ঘূৰি ফুৰিছিল আৰু য'ত চাৰি পাঁচজন মানুহ বহি থকা দেখিছিল, তাতেই তেওঁ প্ৰতাপী বীৰৰ ত্যাগৰ কাহিনী বৰ্ণনা কৰি গীত গাইছিল। তাৰপৰা পোৱা ধনেৰে তেওঁ পেট ভৰাইছিল।

গাঁওবোৰৰ কোনো ঘৰত যেতিয়া বিয়া বা আন কোনো শুভকাৰ্য সম্পন্ন হৈছিল সেই খবৰ তেওঁ আগতেই পাইছিল আৰু সেইবোৰ ঠাইলৈ যথাসময়ত গৈছিল। তালৈ গৈ তেওঁ সেই পৰিয়ালৰ গোত্ৰৰ নাম, তেওঁলোকৰ উপৰিপুৰুষে কৰা দান ধৰ্ম আদিৰ কথা ব্যাখ্যা কৰিছিলগৈ। তাৰপাছত তেওঁলোকক কৈছিল, "ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰে যেতিয়া বিবাহ কৰালে তেতিয়া তেওঁলোকে এটা লেঙেৰা ঘনচিৰিকাৰ সৃষ্টি কৰিলে। সেই ঘনচিৰিকাই লেঙেৰাই লেঙেৰাই ত্ৰিমূৰ্ত্তিৰ গোত্ৰ আদিৰ কথা কৈ তেওঁলোকৰ বিবাহ কৰাইছিল। মইও সেই লেঙেৰা ঘনচিৰিকাৰ জাতিৰেই। আপোনাৰ সন্তানৰ শ্ৰীবৃদ্ধি হ'ব আৰু পুণ্য কাম কৰি যশস্যা আৰ্জিব।" এইদৰে তেওঁ নতুন বৰ বধূক আশীৰ্বাদ দিছিল।

শুভ কাৰ্য চলি থকাৰ সময়ত সেই লেঙেৰা অহাটো মানুহে শুভপ্ৰদ বুলি গণ্য কৰিছিল। সেয়েহে তেওঁক পেট ভৰাই খাবলৈ দিছিল আৰু দক্ষিণা দি তেওঁক আদৰ সৎকাৰ কৰিছিল।

এবাৰ শিৱৰাজে ভৈৰৱ নামৰ এখন গাঁৱত গীত গালে, ভিক্ষা মাগিলে আৰু দুপৰীয়া গাঁৱৰ ওচৰৰে ভৈৰৱ মন্দিৰৰ ওচৰ পালেগৈ। তেওঁ এজোপা নীম গছৰ তলত বহি ভিক্ষা কৰি অনা খাদ্যবস্তুবোৰ খাবলৈ লওঁতেই তালৈ এটা কুকুৰ আহিল। শিৱই অলপ খাদ্য কুকুৰটোকো খাবলৈ দিলে। কিন্তু কুকুৰটোৱে সেইখিনি নাখালে। সমুখৰ ভৰি দুটা ওপৰলৈ কৰি সি

মাৰ্কণ্ডেয়



শিৱৰাজক নমস্কাৰ কৰিলে। তাৰপাছত সি মাটি খান্দি খান্দি আগলৈ আৰু পাছলৈ যাবলৈ ধৰিলে। শিৱৰাজে নিজৰ কাঁহীখন মোনাত ভৰাই কুকুৰটোৰ পাছে পাছে যাবলৈ ধৰিলে। সি শিৱৰাজক এটা জুপুৰীৰ ওচৰলৈ লৈ গ'ল। শিৱৰাজে জুপুৰীৰ ভিতৰলৈ জুমি চালে।

ভিতৰত সীতাৰাম নামৰ এজন আদবয়সীয়া মানুহে পেটৰ বিষত চটফটাই আছিল। তেওঁৰ ওচৰতে বহি থকা পত্নীয়ে গোটেই কথাখিনি ক'লে। শিৱৰাজে তৎক্ষণাৎ মোনাৰপৰা এটা বনৌষধি উলিয়ালে আৰু সীতাৰামক সেইটো চোবাই খাবলৈ ক'লে। সেই বনৌষধি সীতাৰামে মুখত লৈছেহে মাত্ৰ, তেওঁৰ পেটৰ বিষ নোহোৱা হ'ল। স্বামী স্ত্ৰীয়ে শিৱৰাজক হাতযোৰ কৰি নমস্কাৰ কৰিলে। শিৱৰাজে মিচিকিয়া হাঁহি মাৰি ক'লে, "এইটো একো ডাঙৰ কথা নহয়। কেৱল পেটৰ বিষৰ বাবেই নহয়, আন বহুতো ৰোগৰ বাবে মোৰ ওচৰত সৰু বৰ ঔষধ আছে।" এইবুলি কৈ তেওঁ পুনৰ মন্দিৰৰ ওচৰলৈ আহিল।

শিৱৰাজৰ এই বৈদ্যগিৰিৰ কথা সীতাৰাম দম্পতিয়ে গাঁৱৰ সকলোকে জানিবলৈ দি ক'লে, "তেওঁৰ ঔষধ অব্যৰ্থ। চকুৰ পচাৰতে ৰোগীক ভাল কৰি দিয়ে।" এই খবৰ ভৈৰৱ গাঁৱৰ খ্যাতনামা বৈদ্য বাসৱৰাজৰ কাণত পৰিলগৈ। প্ৰথমতে তেওঁ আচৰিত হ'ল। তাৰপাছত তেওঁ মানুহে কোৱা শুনিলে, "সীতাৰামৰপৰা ফুটাকড়ি এটা নোলোৱাকৈ শিৱৰাজে তেওঁক ভাল কৰি দিলে। ইয়াৰ অৰ্থ হ'ল শিৱৰাজ বৰ ভাল মানুহ। আমাৰ বাসৱৰাজে ধনী মানুহৰহে চিকিৎসা কৰে। গতিকে তেওঁৰ ওচৰলৈ গৈ কি লাভ?"

এইবোৰ কথা শুনি তেওঁ খঙত অগ্নিশৰ্মা হ'ল আৰু পোনে পোনে গাঁওবুঢ়াৰ ওচৰলৈ গ'ল। অভিযোগ কৰি তেওঁ ক'লে, "মই খ্যাতনামা বৈদ্য অমৰ পাণ্ডেৰ শিষ্য, যাক ধন্বন্তৰীৰ অৱতাৰ জ্ঞান কৰা হয়। মানুহে এতিয়া মোক আওকাণ কৰিবলৈ লৈছে। সেই ভিক্ষাৰী বৈদ্যৰ ওচৰত চিকিৎসাৰ বাবে যাবলৈ লৈছে। তেওঁ মোৰ সমকক্ষ হ'ব কেনেকৈ? ইয়াতকৈ ডাঙৰ অপমান আন কি হ'ব পাৰে? আপুনিয়েই এই সমস্যাৰ এটা সমাধানৰ দিহা কৰক।"

গাঁওবুঢ়াই তৎক্ষণাৎ শিৱৰাজক মতাই পঠিয়ালে আৰু এই কথাত অসন্তুষ্টি ব্যক্ত কৰি

ক'লে যে যোগ্যতা নোহোৱাকৈ শিৱৰাজে বৈদ্যগিৰিত লিপ্ত হোৱাটো এটা অপৰাধ হৈছে। তাৰপাছত গাঁওবুঢ়াই সীতাৰাম দম্পতিক বাসৱৰাজৰ ওচৰত ক্ষমা খুজিবলৈ বাধ্য কৰোৱালে।

সীতাৰাম দম্পতিয়ে তৎক্ষণাৎ ক্ষমা খুজিলে, কিন্তু শিৱৰাজে ক'লে, "ইয়াত মোৰ কি ভুল আছে? মই কিমানবোৰ সৰু বৰ ঔষধৰ কথা জানো? যি ঔষধ ক্রয় কৰিব নোৱাৰে তেওঁৰ বাবেইতো মই ডাঙৰ বৈদ্য। এই কথাটো বোবা কুকুৰটোৱেও জানে আৰু সেই কাৰণেই সি মোক ঠিক সময়ত তালৈ লৈ গ'ল।"

শিৱৰাজৰ এইখিনি কথা শুনি গাঁওবুঢ়াই খঙেৰে ক'লে, "তোমাৰ না ঘৰ আছে, না আত্মীয়। তোমাৰ প্ৰতি দয়া ওপজাৰ বাবেই আমি তোমাক খাবলৈ দিওঁ। এতিয়া তুমি অহংকাৰী হৈ উঠিছা আৰু মুখত যি আহে তাকে বলকিছা। লগতে তুমি এইটোও কৈছা যে কুকুৰটোৰ দৰে বুদ্ধিয়ক আন কোনো নাই। আজিৰেপৰা এই গাঁৱৰ কোনেও তোমাক ভিক্ষা নিদিয়ে।" গাঁৱৰ ৰাইজেও গাঁওবুঢ়াক সমৰ্থন কৰি ক'লে, "এজন ভিক্ষাৰীৰ ইমান অহংকাৰ। এতিয়া সেই কুকুৰেই তেওঁৰ চোৱা চিতা কৰিব।"

শিৱৰাজে ভয় খালে। মানুহৰ ঘৰে ঘৰে গৈ তেওঁ ক্ষমা খুজিলে। ভিক্ষা কৰাতো কোনেও তেওঁক একো নিদিলে। আবেলি ভোকাতুৰ অৱস্থাত তেওঁ মন্দিৰলৈ আহিল আৰু ভাগৰত তেওঁ অৱশ হৈ পৰিল।

ৰাতি পুওৱাৰ পাছতো শিৱৰাজ শুই থাকিল। হঠাতে এটা কুকুৰে আহি তেওঁৰ কাপোৰত ধৰি টানিবলৈ ধৰিলে। তেওঁ সাৰ পালে আৰু দেখিলে যে সেই গাঁৱৰে নিবাসী ৰতন গুপ্তাই খোৱাবস্তুৰে ভৰা এখন কলপাত কুকুৰটোৰ সমুখত ৰাখি ক'লে, "কালভৈৰৱ, স্বীকাৰ কৰা।" এইবুলি কৈ তেওঁ সেই কুকুৰটোক

প্ৰণাম কৰিবলৈ ধৰিলে। কিন্তু কুকুৰটোৱে কলপাতত থকা একো খোৱাবস্তুৰেই স্পৰ্শ নকৰিলে। সি শিৱৰাজক কাপোৰত ধৰি টানি থাকিল।

আচলতে কথা বেলেগ আছিল। কাশী-যাত্ৰাৰপৰা ওভতি অহা ৰতন গুপ্তাই সেইদিনা পুৱাই ভৈৰৱমূৰ্ত্তিৰ অৰ্চনা কৰোৱালে। পূজাৰীয়ে কাল ভৈৰৱশাস্ত্ৰ পাঠ কৰিলে আৰু ৰতন গুপ্তাৰ হতুৱাই এটা কুকুৰৰ পূজা কৰোৱালে। পূজাৰীয়ে গুপ্তাক ক'লে যে কলপাতত খোৱাবস্তু আনি কুকুৰটোক নৈবেদ্য হিচাপে আগবঢ়োৱা। সেই কুকুৰটোৱেই শিৱৰাজক সীতাৰামক চিকিৎসা কৰিবলৈ বাধ্য কৰিছিল। কুকুৰটোৱে কিন্তু কলপাতৰ ফালে নাচালেই আৰু শিৱৰাজৰ ফালে দৌৰ মাৰিলে।

বেপাৰী গুপ্তাই ক'লে, "এই কুকুৰটো সঁচাকৈয়ে কালভৈৰৱৰ অংশ। আমি যি শিৱৰাজকে গাঁৱৰপৰা ওলাই যাবলৈ ক'লো, সি সেইজন মানুহৰ ক্ষুধা সহ্য কৰিব নোৱাৰিলে আৰু তেওঁক খাবলৈ মাতি আছে।" এইবুলি কৈ তেওঁ আৰু এখন কলপাতত খাদ্য দিলে আৰু শিৱৰাজৰ সমুখত ৰাখিলে।

এই খবৰ পায়েই গাঁওবুঢ়া আৰু বাসৱৰাজ তালৈ আহিল আৰু দৃশ্যটো দেখি দুয়ো তবধ মানিলে। লাজত দুয়ো তলমূৰ কৰিলে। ইয়াৰ পাছত অলপ সময় চিন্তা কৰি উঠি বাসৱৰাজে গাঁওবুঢ়াক ক'লে, "বুদ্ধিমত্তা আৰু প্ৰতিভাক ইচ্ছা কৰিলেই বাধা দি ৰাখিব নোৱাৰি। শিৱৰাজৰ দৰে অঘৰী গাঁৱে গাঁৱে ঘূৰি ফুৰি বীৰগাঁথা মানুহক গাই শুনায়। তেওঁৰ বাবেই আমাৰ ইতিহাস এতিয়াও সুৰক্ষিত হৈ আছে। সেইদৰে তেওঁ অভিজ্ঞতাৰে বৈদ্যগিৰিও কৰি আছে।

"ডাঙৰ বৈদ্য বুলি তথাকথিত সুখ্যাতি থকা আমাৰ দৰে লোকে তেওঁক আদৰ কৰা উচিত। তাৰবাবে আপোনাৰ দৰে লোকেও তেওঁক আদৰ কৰিব লাগে। অহংকাৰত মত্ত হৈ মই শিৱৰাজক গালি দিলো। তেওঁক নিন্দা কৰিলো। তাৰবাবে মই বৰ লজ্জিত। মুক ভগৱানৰ ৰূপত এই কালভৈৰৱে মোৰ জ্ঞানচক্ষু মেলি দিলে, তেওঁক মই সবিনয় প্ৰণাম কৰিছো।" এইবুলি কৈ তেওঁ কুকুৰটোক হাতযোৰ কৰি নমস্কাৰ কৰিলে। শিৱৰাজে তাত উপস্থিত সকলোকে হাতযোৰ কৰি প্ৰণাম কৰিলে। সকলো সুখী হ'ল।

VALOUR & ADVENTURE HUMOUR & MYSTERY MORALS & HEROES

Enthralling stories of six decades come together in one incomparable collection



The Chandamama
60th Anniversary Collector's Edition
HARD COVER
Cover Price : Rs 449

CHANDAMAMA
COLLECTOR'S EDITION

Take a trip down memory lane with the magazine's oldest editors, discover the beginnings of Chandamama and view some of the most memorable cover art across the decades.

Subscribers must fill in the order form below to avail of special discount.

I want a copy of the Chandamama Collector's Edition.

Name .... Subscriber No ....

Address ....

City .... State .... Pin ....

Telephone .... Mobile .... Email ....

Enclosed Cheque/DD for Rupees (in words) ....

Cheque/DD no .... Favouring **Chandamama India Ltd**

on .... bank. *(Send At-Par cheques or add Rs 60 for non-Chennai cheques)*

Please mail the order form to :

Chandamama India Limited, No. 2/513 (Old 3/396), Sundeep Avenue East, 2nd Main Road, Chinna Neelangarai, Chennai – 600 041. Phone: (044) 43992828 Email: chandamama@chandamama.com Web: www.chandamama.com. Allow 3 weeks for delivery.

পৰিশ্ৰম

বিৰাটে তলা মেৰামতি কৰি জীৱিকা অৰ্জন কৰিছিল। তেওঁৰ পুতেক ৰাম বুদ্ধিয়ক আছিল যদিও ভীষণ এলেহুৱা আছিল। দেউতাকে তাক বহুত বুজাইছিল, কিন্তু সি দেউতাকৰ বৃত্তিটো শিকিবই খোজা নাছিল। পুতেকক লৈ বিৰাট বৰ চিন্তিত হৈ পৰিল। তেওঁ বুঢ়াও হৈ আহিল। কাম কৰাৰ শক্তি কমি আহিল। এদিন পুতেকক মাতি আনি তেওঁ ক'লে, "বোপাই, আমাৰ কাঠৰ বাকচটোৰ চাবি পুৰণি চাবিবোৰৰ লগত আছে। সেইটো বিচাৰি উলিওৱা, মই কৰিব পৰা নাই। তোমাৰ উপৰিপুৰুষে বাকচটোত মূল্যৱান বস্তু থৈ গৈছে। এই কথাটো কাকো নক'বা আৰু চাবিটো যেনেতেনে বিচাৰি উলিওৱা। যিকোনো উপায়েৰে আন চাবিৰে হ'লেও তলাটো খুলিবা আৰু সেই মূল্যৱান বস্তুবোৰ লাভ কৰিবা। কিন্তু কোনো ক্ষেত্ৰতে তলাটো ভাঙিবলৈ চেষ্টা নকৰিবা। এই কথাখিনি কৈ বিৰাটে চিৰদিনৰ বাবে চকু মুদিলে।

ৰামে পুৰণি চাবিৰে বাকচটো খুলিবলৈ যত্ন কৰিলে। কিন্তু সেইটো সম্ভৱ হৈ নুঠিল। কথাটো লৈ তেওঁ বৰ চিন্তিত হৈ পৰিল। সেই দিনবোৰত কেইজনমান মানুহে তেওঁৰ ওচৰলৈ আহি নিজৰ তলা ঠিক কৰোৱাই অলপ অচৰপ ধন ৰামৰ হাতত তুলি দিছিল।

এদিন এটা পুৰণি চাবিৰে কাঠৰ বাকচটো খুলিব পৰা গ'লত ৰামে বৰ আনন্দ পালে। তাত আছিল লোহাৰ পুৰণি বস্তু। পিতাকে লিখি থৈ যোৱা তালপত্ৰৰ বাহিৰে তাত মূল্যৱান বস্তু একো নাছিল। তালপত্ৰত লিখা আছিল, "বোপাই, এই বাকচটো খোলাত তুমি যেতিয়া সফল হ'বা তেতিয়ালৈ তুমি মোৰ মতে মই কামটোত অতি পাৰ্গত হৈ উঠিবা। তোমাৰ এলাহ দূৰ কৰিবলৈ মই ইয়াতকৈ ভাল ৰাস্তা দেখা নাপালো। পৰিশ্ৰম কৰি জীৱিকা উপাৰ্জন কৰাই সবাতোকৈ ডাঙৰ আৰু প্ৰকৃত সম্পত্তি।" চিঠিখন পঢ়ি ৰামৰ চকু মেল খালে। দেউতাকক স্মৰণ কৰি তাৰ চকুদুটা পানীৰে উপচি পৰিল।



পাতাল দুৰ্গ

5

(কুম্ভীৰ নামৰ এটা ৰাক্ষসে ৰাজকুমাৰ কান্তিসেনাক অপহৰণ কৰি নিয়ে, ৰাক্ষস কালশম্বৰ নামৰ এজন তান্ত্ৰিকৰদ্বাৰা আহত হয়। গছৰ ওপৰত উঠি থকা ধূমক আৰু সোমকে এই সকলোবোৰ দেখি থাকে। হঠাতে ক'ৰবাৰপৰা এডাল বাণ আহি শম্বৰৰ গাত লাগেহি। তৎক্ষণাৎ ৰাক্ষস আৰু শম্বৰ গুহাবোৰলৈ পলাই যায়। তাৰ পাছত...)

ধূমক আৰু সোমকে দেখিলে, "সৌৱা চোৱা, ৰাক্ষস, সৌৱা চোৱা," বুলি চিঞৰি কদম্ব ৰাজ্যৰ সৈনিকসকল গুহাবোৰৰ ফালে দৌৰি গৈছে। সৈনিকহঁতে যাতে সিহঁতক দেখা নাপায় তাৰ বাবে দুয়ো ঘন পাতৰ মাজত লুকাই পৰিল।

"ৰাক্ষস ক'ত আছে? তাক ঘেৰি ধৰা। তাক পলাই যাবলৈ নিদিবা।" এজন অশ্বাৰোহীয়ে এইবুলি চিঞৰি সৈনিকসকলৰ মাজলৈ আহিল। তেওঁৱেই আছিল কদম্ব ৰাজ্যৰ ৰজা উগ্ৰসেন। ৰজাক দেখি সোমক ক্ৰোধান্বিত হ'ল। কিন্তু কিবা ভাবি তেওঁ মিচিকিয়াই হাঁহিলে আৰু ভাবিবলৈ ধৰিলে যে তেওঁৰ হাততেই এই ৰজাৰ মৃত্যু লিখা আছে। ৰজাক ইমান সহজে বধ কৰাৰ সুযোগ আৰু পোৱা নাযাব। এই সুযোগ ভগৱানেহে দিছে। প্ৰজাই এই ৰজাৰ অত্যাচাৰৰপৰা মুক্তি পাব। এই পাপীৰজাক হত্যা কৰাই উচিত হ'ব। এইবোৰ কথা ভাবি তেওঁ দাঁত মুখ কৰচিবলৈ ধৰিলে আৰু ৰজাৰ ফালে বাণ এৰিব খোজোতেই ধূমকে বাধা দি সোমকৰ কাণত কিবা এটা

ক'লে। সোমকে অনিচ্ছাসত্ত্বেও ধূমকৰ কথা শুনিলে আৰু ধনুৰ টান ঢিলা কৰি দিলে। তেনেতে চাৰি পাঁচজনমান সৈনিক ৰজাৰ ওচৰলৈ উধাতু খাই আহিল আৰু ক'লে, "মহাৰাজ, আমি ৰাক্ষসক আহত কৰিছো। এয়া চাওক, মাটিত তেজৰ দাগ। কিন্তু আন্ধাৰত সি কোনোবা গুহাৰ ফালে পলাই গ'ল।"

উগ্ৰসেনে সৈনিকহঁতৰপৰা এডাল জোৰ লৈ গুহাৰ সমুখত সেউজীয়া ঘাঁহত থকা তেজৰ দাগ জোৰৰ ৰশ্মিত চাবলৈ ধৰিলে। কেৱল এঠাইতে নহয়, বহুঠাইত সেই তেজৰ দাগ দেখিবলৈ পোৱা গৈছিল।

"সেনাপতি, এই তেজ দেখি মোৰ ধাৰণা হৈছে ইয়াত সক সুৰা এখন যুদ্ধই হৈ গ'ল। আমি এই ঠাইতেইতো দিনৰ ভাগত মন্ত্ৰীপুত্ৰৰ পাছ লৈছিলো।" উগ্ৰসেনে ক'লে।

ৰজাৰ কথা শুনি সেনাপতিয়ে কঁপি কঁপি ক'লে, "হয় মহাৰাজ, কুন্তলৰ মন্ত্ৰীৰ পুতেক আৰু তেওঁৰ সঙ্গীসকলক হত্যা কৰা ধূমক আৰু সোমকক আমাৰ সৈনিকে এই ঠাইতেই ধৰিছিল। সেই হত্যাকাৰীহঁতক আমাৰ দূতে সেই দেশৰ ৰজাৰ ওচৰলৈ লৈ গৈছিল। সেই দূতসকল এতিয়ালৈকে ঘূৰি নাহিল। সেই দেশৰ ৰজা আৰু মন্ত্ৰীয়ে আমাৰ কথা কিমানখিনি বিশ্বাস কৰিছে সেই কথা মই এতিয়াই ক'ব নোৱাৰিম। আৰু যদি বিশ্বাস কৰিছেও তেওঁ-লোকেনো অপৰাধীক কি শাস্তি দিলে। দূত-সকল ঘূৰি আহিলেহে সকলো কথা জানিব পৰা যাব।" উগ্ৰসেনে খঙেৰে ক'লে, "যদিহে এই ৰাক্ষসৰ বিপদ পুনৰ নাহে তেন্তে যিয়েই নহওক কিয় কুন্তল দেশক এসপ্তাহৰ ভিতৰতে শেষ কৰি দিবা।"

সেনাপতিয়ে কিবা ক'ব খোজোতেই ওচৰেৰে নলাৰপৰা এটা কুলু কুলু ধ্বনি শুনা গ'ল। উগ্ৰসেনে তৰোৱাল দাঙি ক'লে, "ৰাক্ষসে এই নলা পাৰ হৈয়েই কুন্তল দেশ গৈ পোৱা নাইতো। চোৱাঁ এই সকলোবোৰ গুহাত চোৱা।" তেওঁ সৈনিকসকলক আজ্ঞা দিলে। যেতিয়া কিছুমান সৈনিক নলাৰ ফালে দৌৰ মাৰিলে তেতিয়া সিফালৰপৰা কুন্তলৰ কিছু অশ্বাৰোহী ডাঙৰকৈ চিঞৰি আহিল আৰু সিহঁতে কদম্বৰ সৈনিক-হঁতৰ ওপৰত আক্ৰমণ চলালে। কিছুমান সৈনিকে উগ্ৰসেনক ঘেৰি ধৰিলে। সৈনিকহঁতে ৰজাক প্ৰহাৰ কৰিব খোজোতেই ক'ৰবাৰপৰা এটা কণ্ঠ ভাহি আহিল। "ৰ'বা"।

"এয়া ঠিক কথা নহয়। এয়া ভুল যুদ্ধ। জানানে মই কোন? মই মহাৰাজ উগ্ৰসেন।" উগ্ৰসেন গৰজি উঠিল।

"ইমান ডাঙৰ মহাৰাজৰ এই জংঘলত কি

কাম আছে? যি বিনা অনুমতিত কুন্তল দেশত প্ৰৱেশ কৰে, তেওঁ লাগিলে মহাৰাজ বা সেনাপতিয়েই হওক, আমাৰ শত্ৰু। কোনো বিদ্ৰোহ নকৰাকৈ অস্ত্ৰ পেলাই দিয়া, অন্যথা প্ৰাণ নাবাচিব।" এইবুলি কৈ কুন্তল দেশৰ সৈন্যৰ দলটোৰ চৰ্দাৰ ঘোঁৰাৰপৰা নামিল।

কদম্বৰ সৈনিকহঁতে সিহঁতৰ ৰজাৰ ওচৰত যাঠি পোনকৈ ধৰি থিয় হ'ল। তাৰে কেইজনমান সাহসী সৈনিক হাতত তৰোৱাল লৈ আগবাঢ়ি আহিল আৰু কুন্তল দেশৰ সৈনিকৰ লগত সমুখ সমৰত অৱতীৰ্ণ হ'ল। নিজৰ সৈনিকসকলক সাৱধান কৰি উগ্ৰসেন পিছুৱাই আহিল।

কুন্তল আৰু কদম্বৰ সৈনিকৰ মাজত ভয়ংকৰ যুদ্ধ লাগিল। কদম্বৰ সৈনিকসকলে এই চেষ্টাত আছিল যে কুন্তলৰ সৈনিকসকল নলা পাৰ হৈ আহক আৰু তেতিয়া সিহঁতক ঘেৰি ল'ব পৰা যাব আৰু এইটোও গম পোৱা যাব কুন্তলৰ সৈনিক কিমান আছে। ইফালে কুন্তলৰ সৈনিকসকলে কদম্বৰ সৈনিকসকল আৰু ৰজাক ধৰি লৈ যাব খুজিছিল। তেনেতে পূব দিশটো উজ্বল হৈ উঠা দেখা গ'ল। গছৰ ঠাল ঠেঙুলিৰ মাজত লুকাই থকা ধূমক আৰু সোমকে অলপ দূৰত যুদ্ধ কৰি থকা দুয়োপক্ষৰ সৈনিক পৰিষ্কাৰকৈ দেখা পালে।

"সোমু, এয়াই সোণালী সুযোগ। এই সময়ত মাৰিলে সকলোৱে ভাবিব যে শত্ৰুৰ সৈনিকে মাৰিছে। আমাৰ ওপৰত কাৰো একো সন্দেহ নহয়। কোৱা, সেই পাপী উগ্ৰসেনক তুমি যমৰ ঘৰলৈ পঠিয়াবা নে মই সেই কাম কৰিব লাগিব।" ধূমকে সুধিলে।

ধূমকে নিজৰ বাক্য শেষ নৌ কৰোতেই



সোমকে ধনুত বাণ জুৰিলে। "ডিঙিত লক্ষ্য স্থিৰ কৰা।" ধূমকে ক'লে।

সোমকে উগ্ৰসেনৰ ডিঙি লক্ষ্য কৰি বাণ এৰিলে। কিন্তু সেই সময়তে নলাৰ পাৰত এটা ডাঙৰ চিঞৰ বাখৰ হ'ল আৰু উগ্ৰসেনে কিনো হৈছে চাবলৈ তেওঁ উঠি থকা পাথৰৰপৰা জাপ মাৰিলে। সোমকৰ বাণ লক্ষ্যত নালাগি ৰজাৰ হাতত জোৰেৰে লাগিলগৈ। উগ্ৰসেনে ডাঙৰকৈ চিঞৰ এটা মাৰি তলত পৰি গ'ল আৰু তেওঁৰ সৈনিকে ৰজাৰ কিবা ডাঙৰ বিপদ হৈছে বুলি ভাবি তৎক্ষণাৎ পিছ হুহকি আহিল। এই সুযোগতে কুন্তলৰ সৈনিকসকলে যাঠীৰে সিহঁতক আক্ৰমণ কৰাত এটা গম্ভীৰ স্বৰ শুনা গ'ল। "পলাই যোৱা শত্ৰুক নামাৰিবা। ঘেৰি ধৰা।"

কুন্তলৰ সৈনিকসকলে পিছফালে ঘূৰি চালে। সিহঁতে মন্ত্ৰী গংগাধৰক, কেইজনমান

অশ্বাৰোহীৰ লগত সেইফালে আহি থকা দেখা পালে। কুন্তলৰ সৈনিকহঁতে জয়ধ্বনি কৰিলে। সিহঁতৰ উৎসাহ দুগুণে বৃদ্ধি পালে। সিহঁতে সৰ্বশক্তিৰে শত্ৰুৰ ওপৰত জঁপিয়াই পৰিল। কিছুমান শত্ৰুক মাৰিলে আৰু কদম্বৰ অৱশিষ্ট সৈনিকহঁতক ঘেৰি ধৰি বন্দী কৰিলে আৰু সিহঁতৰপৰা অস্ত্ৰ কাঢ়ি ল'লে। ৰজা উগ্ৰসেনে বিষতে মাটিত পৰি কেঁকাবলৈ ধৰিলে। গংগাধৰ ঘোঁৰাৰপৰা নামিল। সৈনিকসকলে তেওঁক যাবলৈ ৰাস্তা এৰি দিলে। উগ্ৰসেনৰ ওচৰলৈ গৈ মন্ত্ৰীয়ে সুধিলে, "এওঁ কোন? অ' আপুনিয়েই মহাৰাজ উগ্ৰসেন। আচৰিত কথা, তেওঁ এইদৰে জংঘলত পৰি আছে?"

উগ্ৰসেন উঠি বহিব খুজিলে। কিন্তু বিষত তেওঁ কেঁকাবলৈ ধৰিলে। কুন্তলৰ দুজন সৈনিকে আহি তেওঁক উঠালে আৰু হাতত ধৰি থিয় কৰাই দিলে। সোমকে এৰা বাণ তেতিয়াও তেওঁৰ হাতত লাগি আছিল। গংগাধৰে সেই বাণ দেখুৱাই ক'লে, "মহাৰাজ, আপুনি ইমান এডাল সৰু বাণৰ আঘাততে ইমানকৈ কেঁকাইছে! আমাৰ ভদ্ৰৰ পিঠিত ইয়াতকৈয়ো অনেক ভয়ানক বাণ লাগিছিল আৰু তাৰ্লৈ তেওঁ ভ্ৰূক্ষেপ নকৰি ত্ৰিছ কোশ দূৰত্ব পাৰ কৰি ৰাজধানী পাইছিলগৈ। যেতিয়া ৰাজবৈদ্যই তেওঁৰ শৰীৰৰপৰা বাণ উলিয়াই আছিল, তেতিয়া তেওঁ হাঁহি হাঁহি এই প্ৰান্তৰ খবৰ সকলোকে শুনাই আছিল।"

ভদ্ৰৰ নাম আৰু তেওঁৰ পিঠিত লগা বাণৰ বিষয়ে শুনাৰ লগে লগে উগ্ৰসেনে পাগলৰ দৰে চাৰিওফালে চাবলৈ ধৰিলে। তেওঁ ভয় খালে যে এই গংগাধৰে নিজৰ পুতেকৰ মৃত্যুৰ প্ৰতিশোধ ল'বলৈ তেওঁক তৰোৱালেৰে হত্যা নকৰতো। উগ্ৰসেনে ভাবিবলৈ ধৰিলে যে দুৰ্ভাগ্যই তেওঁৰ পিছে লৈছে। মই মন্ত্ৰীৰ পুতেক আৰু তেওঁৰ বন্ধুসকলক আক্ৰমণ কৰি কুন্তল ৰজাক নিজৰ শত্ৰু কৰি ল'লো। আনফালে এটা ৰাক্ষসে হঠাতে মোৰ কন্যাক অপহৰণ কৰি লৈ গ'ল। মই ৰাক্ষসৰ পিছ লোৱাৰ সময়ত এই কথা ভবা নাছিলো যে জংঘলত আৰু এটা বিপদ আহিব পাৰে, অন্যথা মই লগত অধিক সেনা লৈ আহিলোহেঁতেন। কিন্তু গংগাধৰে মিচিকিয়াই হাঁহি, লাহে লাহে এখোজ দুখোজকৈ উগ্ৰসেনৰ সমুখলৈ আহিল আৰু ৰজাক ধৰি থকা দুজন সৈনিকক তেওঁক এটা পাথৰত বহাত সহায় কৰিবলৈ কৈ ক'লে, "মহাৰাজ! এই পুত্ৰশোকতো আপোনাৰ কিবা অপকাৰ

কৰিবলৈ মই ইয়ালৈ অহা নাই। না ইয়ালৈ মই যুদ্ধ কৰিবলৈ আহিছো। মই নিজেই পুত্ৰশোকত বিহ্বল হৈ আছো। তথাপি আপোনাক আহত অৱস্থাত দেখি মোৰ দুখ আৰু বাঢ়িছে।

"মইতো মোৰ পুত্ৰকহে বিচাৰি আহিছো আৰু লগতে মই এইটোও জানিব খুজিছো কি কাৰণে ল'ৰাহঁতৰ ওপৰত বাণ চলাবলগীয়া হ'ল। যদি মোৰ পুত্ৰৰ মৃত্যুও হৈছে তাৰ শৱদেহ ক'ত আছে? যেতিয়ালৈকে মই শশীকান্তৰ শৱদেহ দেখা নাপাওঁ তেতিয়ালৈকে মোৰ বিশ্বাস নহয় যে তাৰ মৃত্যু হৈছে। সেইদৰে জয়ন্তও জীয়াই আছে বুলিয়েই মই বিশ্বাস কৰো। আপুনি কৰা প্ৰতাৰণাৰ সিহঁতেই কেতিয়াবা নহয় কেতিয়াবা প্ৰতিশোধ ল'ব।"

উগ্ৰসেনে দীঘলকৈ নিশ্বাস এৰি গংগাধৰৰ ফালে চালে আৰু ক'লে, "মহামন্ত্ৰী, নাজানো কালি পুৱা সাৰ পাই কোন কুলক্ষণীয়াৰ মুখ দেখিছিলো, সেই তেতিয়াৰেপৰা মই এটাৰ পাছত এটাকৈ কষ্ট পাই আছো। ইয়ালৈ চিকাৰ কৰিবলৈ আহি মই বৰ নিষ্ঠুৰ কাম কৰিলো। ৰাতি মোৰ কন্যাক..." উগ্ৰসেনে কথাটো কৈ কৈ ৰৈ গ'ল।

উগ্ৰসেন যিটো পাথৰত বহি আছিল, মন্ত্ৰী গংগাধৰে সেইফালেই খোজ দিলে। হঠাতে তেওঁ হাউলি মাটিত পৰি থকা এটা বস্তু হাতত তুলি মনোযোগেৰে চাই ক'লে, "এইটো কি? এয়াতো কোনোবা ৰাক্ষসৰ শিঙ। তেজ এতিয়াও শুকোৱা নাই। এইবোৰ গুহাত ৰাক্ষস থাকে বুলিতো মই কেতিয়াও শুনা নাছিলো।"

উগ্ৰসেনে গংগাধৰৰ হাতত থকা শিঙটো চাই ক'লে, "মহামন্ত্ৰী, সেই ৰাক্ষসেই যোৱা নিশা মোৰ কন্যাক বলেৰে ধৰি লৈ গৈছে। তাৰ পিছ লৈয়েই মই এইখিনি পালোহি। এই পৰ্যন্ত ৰাক্ষসৰ সৈতে মোৰ মুখামুখি হোৱা নাই। কোনে তাৰ শিঙ ভাঙিলে!" উগ্ৰসেন স্বাভাৱিকতে আচৰিত হ'ল।

কান্তিসেনাৰ অপহৰণৰ বিষয়ে গংগাধৰে তেতিয়ালৈকে একো শুনা নাছিল। কথাটো শুনিয়েই গংগাধৰৰ উগ্ৰসেনৰ প্ৰতি দয়া ওপজিল। অলপ সময়ৰ বাবে তেওঁ নিজৰ পুত্ৰশোক পাহৰি গ'ল আৰু পীড়িত শৰীৰ আৰু অপহৃতা কন্যাৰ দুখত দগ্ধ ৰজা উগ্ৰসেনৰ প্ৰতি তেওঁৰ হৃদয় করুণাৰে ভৰি গ'ল। মন্ত্ৰীয়ে তেওঁৰ লাগি থকা বাণ দেখুৱালে। "যেনেকৈয়ে হওক, মহাৰাজক কোনো কষ্ট নিদিয়াকৈ, তেওঁৰ শৰীৰৰপৰা

সেই বাণ উলিয়াই অনাৰ বৰস্থা কৰা।" তাৰ পাছত তেওঁ উগ্ৰসেনক ক'লে, "মহাৰাজ, মোৰ ল'ৰাটো ক'ৰবাত পোৰা যাব বুলি আশা কৰিয়েই লগত মই ৰাজবৈদ্যৰ শিষ্যক লগত আনিছো।"

যুৱক বৈদ্যই কেইমিনিটমানৰ ভিতৰতে ৰজাৰ বাণ উলিয়াই আনিলে আৰু ঘাঁত কাপোৰ বান্ধি দিলে। গংগাধৰে সেই বাণ দেখি কিবা ক'ব খোজোতেই ওচৰতে থিয় হৈ থকা সেনাপতিয়ে মন্ত্ৰীৰ কাণে কাণে কিবা ক'লে।

গংগাধৰে আৰু আচৰিত হৈ ক'লে, "মহাৰাজ, যি আপোনাক আহত কৰিছে আৰু যি বাক্ষসৰ শিঙ ভাঙিছে তেওঁ একেজনেই। সেই সোমক আৰু ধূমক। যি দুজনক আপোনালোকে নিজৰ পিতৃহন্তা বলি কৈছিল, তেওঁলোকক আমাৰ সীমাত থকা প্ৰহৰীৰ চৰ্দাৰে ধৰি পেলাইছিল আৰু তেওঁৰেই আপোনাৰ দূতৰপৰা লোৱা বাণ সিহঁতৰ হাতত তুলি দিছিল। সেই বাণেৰেই আপুনি আহত হৈছে। এয়া চাওক। আপোনাৰ ৰাজচিহ্ন।" এইবুলি কৈ তেওঁ উগ্ৰসেনক বাণ দেখুৱালে।

"মহামন্ত্ৰী! সিহঁত হত্যাকাৰী হয়নে নহয় মই নাজানো। কিন্তু নিশ্চয়কৈ বিদ্ৰোহী। সিহঁত ইয়াতে কৰবাত লুকাই আছে ছাগে।" এইবুলি কৈ উগ্ৰসেনে নিজৰ সৈনিকহঁতৰ ফালে চাই আদেশ দিলে, "তোমালোক এই বিদ্ৰোহীহঁতৰ পাছে পাছে যোৱা আৰু ধৰি আনাগৈ।"

গংগাধৰে সৈনিকসকলক ৰ'বলৈ কৈ ক'লে, "মহাৰাজ, ইয়াত মোৰহে আজ্ঞা দিয়াৰ অধিকাৰ আছে। আপোনাৰ নাই। যেতিয়ালৈকে মোৰ ল'ৰা শশীকান্তৰ বিষয়ে মই জানিব নোৱাৰো, তেতিয়ালৈকে আপোনালোক সকলো মহাৰাজ শতভানুৰ বন্দী," এইবুলি তেওঁ কুন্তলৰ সেনাপতিক ক'লে, "আমাৰ সৈনিকৰদ্বাৰা এই গোটেই এলেকাত সোমক আৰু ধূমকক বিচৰা। আমাৰ সৈনিকে চিঞৰি চিঞৰি যাওক সিহঁতে ভয় খোৱাৰ কাৰণ নাই। মহাৰাজ শতভানুৱে সিহঁতৰ একো অনিষ্ট নকৰে। এই কথা শুনিলে সিহঁত বাহিৰ ওলাই আহিব পাৰে।"

তৎক্ষণাৎ গছৰ ডালৰ ওপৰত থিয় হৈ সোমক আৰু ধূমকে চিঞৰি উঠিল, "মহাৰাজ শতভানুৰ জয়।" এটা ডালৰপৰা বান্দৰৰ দৰে জাঁপ মাৰি সিঁহত মাটিত পৰিল।

ৰাজনীতি

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰায় সেই গছজোপাৰ ওচৰলৈ গ'ল। গছৰপৰা শটো নমাই কান্ধত তুলি ল'লে আৰু যথাৰীতি শ্মশান অভিমুখে আগবাঢ়িল। তেতিয়া শৰ ভিতৰত থকা বেতালে মাত লগালে, "ৰাজন, মই বুজি পোৱা নাই কাৰ প্ৰশংসা বুটলিবলৈ তুমি এই ভয়ংকৰ পৰিৱেশত ইমান কষ্ট কৰি আছা? কিন্তু চঞ্চল চিত্ত তথা অধিকাৰত উন্মত্ত ৰজাই কাক কেতিয়া পচন্দ কৰে, তেওঁৰ প্ৰশংসা কৰি তেওঁক সমৰ্থন কৰে, এইবোৰ ক'ব নোৱাৰি। প্ৰসিদ্ধ ৰজা সুধৰ্ম নীতিশাস্ত্ৰত বিদগ্ধ আৰু ৰাজনীতিত দক্ষ আছিল। তেওঁ নিজৰ প্ৰাণক বিপদগ্ৰস্ত কৰিও যুদ্ধ কৰা সেনাপতিক অলপো গুৰুত্ব নিদি তেওঁৰ প্ৰতি উদাসীনতা দেখুৱাইছিল আৰু তেওঁক প্ৰশংসা নকৰি এজন ৰান্ধনিকহে ভূৰি ভূৰি প্ৰশংসা কৰিছিল যি এজন সাধাৰণ ব্যক্তি আছিল। যাত্ৰাৰ ভাগৰ দূৰ

বেতাল কথা



কৰিববলৈকে এই ৰোমাঞ্চকৰ কাহিনীটো তুমি শুনা। এইবুলি বেতালে নিজৰ কাহিনী আৰম্ভ কৰিলে:

ভদ্ৰগিৰিৰ ৰজা নৰেন্দ্ৰভূপতিৰ একমাত্ৰ লক্ষ্য আছিল প্ৰজাৰ উন্নতি আৰু কল্যাণ। নিজৰ শাসন কালত তেওঁ প্ৰজাক সকলো ধৰণে সহায় কৰিছিল আৰু কাৰো কোনো অভাৱ হ'বলৈ দিয়া নাছিল। কিন্তু নিজৰ কোনো সন্তান নথকাৰ চিন্তাই ৰজাক খুলি খুলি খাইছিল। এনে সময়তে বদ্ৰিকা বনত যাত্ৰা কৰি এজন সাধু ভদ্ৰগিৰিলৈ আহিল। ৰজাই তেওঁক সাদৰ আতিথ্য প্ৰদান কৰিলে আৰু ঘূৰি যোৱাৰ আগে আগে সাধুৱে ৰজাক এটা অদ্ভুত ফল প্ৰদান কৰিলে। সেই ফলৰ মহত্ত্বৰ বাবে এ বছৰৰ ভিতৰতে ৰাজদম্পতিৰ এহাল যঁজা সন্তান জন্ম হ'ল। আনন্দিত ৰাজদম্পতিয়ে দুয়োৰে নাম ৰাখিলে সুধৰ্ম আৰু সুসেন। বৰ মৰমেৰে দুয়োকে ডাঙৰ দীঘল কৰা হ'ল আৰু শিক্ষা প্ৰদান কৰা হ'ল। দুয়ো ৰাজকুমাৰে মনোযোগেৰে বিদ্যাভ্যাস কৰিবলৈ ধৰিলে। সুধৰ্মই ৰাজনীতি আৰু ধৰ্মশাস্ত্ৰত ৰুচি দেখুৱাইছিল আৰু সুসেনে দেখুৱাইছিল ধনুৰ্বিদ্যা আৰু খড়্গা যুদ্ধত।

প্ৰতি বছৰে বিজয়াদশমীৰ দিনা ছাত্ৰসকলে নিজৰ নিজৰ বিদ্যা প্ৰদৰ্শন কৰিব লাগিছিল। তাত সদায় প্ৰথম হৈছিল সুসেন। দুই ভাইৰ মাজত যেতিয়া দ্বন্দ্ব যুদ্ধ হৈছিল তেতিয়া সুধৰ্মই জানি শুনি ভায়েকক হাৰিবলৈ দিয়া নাছিল। লগতে তেওঁ মন কৰিছিল অনুজ যাতে আহত নহয়। কিন্তু সুসেনে যুদ্ধত অসামান্য প্ৰতিভা দেখুৱাই চেষ্টা কৰিছিল নিজকে অগ্ৰজতকৈ প্ৰতিভাশালী বুলি দেখুৱাবলৈ। সেয়েহে কেতিয়াবা তেওঁ সীমাৰ বাহিৰলৈ যাবলৈয়ো কুণ্ঠাবোধ কৰা নাছিল। কুটিল পথ ল'বলৈয়ো তেওঁ পিছ হুহকা নাছিল।

সুসেনৰ এই ধৰণৰ মনোবৃত্তি দেখি মহাৰাজ অসন্তুষ্ট হৈছিল। যেতিয়াই তেওঁৰ এই কথাটো মনলৈ আহিছিল তেতিয়াই তেওঁ ৰাজগুৰুক কৈছিল যে ভৱিষ্যতে এটা ডাঙৰ ক্ষতি হ'ব। তেতিয়া ৰাজগুৰুৱে ৰজাক সান্ত্বনা দি কৈছিল, "তেওঁ জানো যুৱক নহয়, এই বয়সত এনে মনোবৃত্তি কোনো অস্বাভাৱিক কথা নহয়। বয়স বাঢ়ি যোৱাৰ লগে লগে তেওঁৰ পৰিপক্কতা আহিব আৰু তেওঁ নিজকে নিজে চম্ভালি ল'ব। এই কথাটো লৈ আপুনি চিন্তা নকৰিব।"

সাবালক হোৱাৰ পাছত সুধৰ্মৰ বজ্ৰগিৰিৰ ৰাজকুমাৰীৰ সৈতে আৰু সুসেনৰ ৰাজগিৰিৰ

ৰাজকুমাৰীৰ সৈতে বিবাহ সম্পন্ন হ'ল। কিছু দিনৰপাছত ৰজাই ভাবিলে সুধৰ্মক সিংহাসনক অধিষ্ঠিত কৰি তেওঁ বানপ্ৰস্থ ল'ব আৰু ইয়াৰ বাবে ৰজাই প্ৰস্তুতি আৰম্ভ কৰিলে।

সেই সময়তে সুসেন পত্নীসহিতে ৰত্নগিৰিলৈ গ'ল। সুসেনে ঘূৰি আহি এদিন একান্তভাৱে ৰাজগুৰুক লগ ধৰি ক'লে, "গুৰুবৰ, মোৰ এটা মিনতি আছে। আপুনিতো জানেই ৰাজকীয় বিদ্যাত মই সুধৰ্মতকৈ বহুত পাৰ্গত। এনে অৱস্থাত ৰাজসিংহাসনত বহাৰ অধিকাৰ মোৰহে আছে আৰু এইটো ন্যায়সংগতও হ'ব।"

ৰাজগুৰুৱে সুসেনৰ কথা শুনি সচকিত হ'ল আৰু ক'লে, "সেইটো কেনেকৈ সম্ভৱ হ'ব পাৰে? সামাজিক নিয়মমতে ৰাজসিংহাসনৰ অধিকাৰী জ্যেষ্ঠ পুত্ৰহে হ'ব পাৰে। সুধৰ্মহে সিংহাসনৰ যোগ্য উত্তৰাধিকাৰী।"

"আমি যমজ ভাতৃ। কেইমুহূৰ্ত্তমানৰ আগতেহে সুধৰ্মৰ জন্ম হৈছিল। সেই কাৰণেই তেওঁ জ্যেষ্ঠ হ'বনে? যি ৰাজনীতিত পাকৈত আৰু ধৰ্মশাস্ত্ৰত পণ্ডিত তেওঁ হয় মন্ত্ৰী হোৱা উচিত নহয় পৰামৰ্শদাতা। এই ন্যায়সংগত সত্যৰ কথা আপুনি নজনা নহয়। আপুনি ৰাজগুৰু। ৰজাই আপোনাক খুব সন্মান কৰে সেয়েহে মই আশা কৰো আপুনি মোৰ মনৰ কথা মহাৰাজক জনাব।" সুসেনে ক'লে।

"স্বাৰ্থৰ বাবে সুপৰিৱেশ একোটা বিনষ্ট হ'বলৈ দিয়া অনুচিত। ইয়াৰ বাবে সীমা উলংঘ কৰা উচিত নহয়। মুহূৰ্ত্তৰ ব্যৱধানেই নহওক কিয়, জ্যেষ্ঠ জ্যেষ্ঠই। অধিকাৰৰ আঁশাত সেই সত্য অস্বীকাৰ কৰিলে তাৰ

ফলত অনৰ্থ ঘটিব পাৰে। সকলো শত্ৰুতাৰ ভিতৰত সবাতোকৈ ভয়ংকৰ শত্ৰুতা হ'ল ককাই ভাইৰ শত্ৰুতা। নিজে ৰজা হোৱাৰ আকাংখ্যা বাদ দিয়া আৰু সেইটোৱেই ভাল হ'ব। মহাৰাজৰ ইচ্ছা অনুসাৰে তুমি সেনাপতি হোৱা আৰু অগ্ৰজক লগ দি ৰাজ্যৰক্ষাৰ দায়িত্ব পালন কৰা। আমাৰ ৰাজ্যৰ প্ৰজাৰ বাবে সেইটোৱেই মংগজনক হ'ব। ইয়াৰদ্বাৰা তোমালোক আৰু তোমালোকৰ বংশৰ যশস্যাও বাঢ়িব।" ৰাজগুৰুৱে ক'লে।

"মই ৰজা নোহোৱাটোৱেই যদি মহাৰাজে কামনা কৰে তেন্তে মোক আধাৰাজ্য প্ৰদান কৰা হওক। ইয়াৰ বাবে প্ৰয়োজনীয় আৰু এটা যোগ্যতা মোৰ আছে। এটা কথা পাহৰি নাযাব যে বীৰেহে ৰাজ্য ভোগ কৰিব পাৰে।" এইবুলি কৈ সুসেন তাৰপৰা বেগাই গুচি গ'ল।

ৰাজগুৰুৱে মহাৰাজক লগ ধৰি সকলো কথা বিৱৰি ক'লে। কথাখিনি শুনাৰ পাছত মহাৰাজে ক'লে, "মই যিটো কথালৈ ভয় কৰিছিলো সেইটোৱেই হ'ল। সুসেনৰ আকাংখ্যা অসৎ। এতিয়া ৰত্নগিৰিৰ ৰজা দুৰ্জয়েও সুসেনক সমৰ্থন দিছে নিশ্চয়। ৰাজগুৰু, আপোনাৰ নিশ্চয় মনত আছে, পঁচিশ বছৰৰ আগতে তেওঁ আমাৰ ৰাজ্যক নিজৰ ৰাজ্যৰ লগত চামিল কৰিব খুজি সেই উদ্দেশ্যে এটা বিফল প্ৰচেষ্টা চলাইছিল। মোৰ দৃঢ়বিশ্বাস, সুসেনৰ এইখিনি কথা কেতিয়াও মানি ল'ব নোৱাৰি। যিয়েই নহওক কিয়, শুভ মুহূৰ্ত্তত সুধৰ্মৰ ৰাজ্যাভিষেক সম্পন্ন কৰা হ'ব।" দীঘলকৈ উশাহ লৈ ৰজাই ক'লে।

সুসেন সেনাপতি হ'বলৈ অস্বীকাৰ কৰিলে। ইয়াৰ বাবে ৰজাই তেওঁৰ বাল্যবন্ধু আৰু প্ৰাজন সেনাপতিৰ পুত্ৰ সুধীৰক নতুন সেনাপতি হিচাপে নিযুক্তি দিলে। শুভ মুহূৰ্ত্তত মাক দেউতাক আৰু গুৰুসকলৰ আশীৰ্বাদ পাই সুধৰ্ম ভদ্ৰগিৰিৰ ৰজা হ'ল।

কিছু দিনলৈকে ৰাজ্য শান্ত হৈ থাকিল। কোনো ধৰণৰ অশান্তি দেখা নগ'ল। পত্নীসহিতে সুসেন ৰত্নগিৰিলৈ গুচি গ'ল। ৰত্ন-গিৰিৰ ৰজা দুৰ্জয় এনে এটা সুযোগৰ অপেক্ষাতেই আছিল। মনে মনে তেওঁ বৰ আনন্দ পালে। তথাপি চিন্তাৰ নাটক কৰি তেওঁ সুসেনক ক'লে, "চিন্তিত নহ'বা সুসেন," এই মুহূৰ্ত্তে মই তোমাক ৰত্নগিৰিৰ ৰজা ঘোষণা কৰিম। ভৱিষ্যতে মই তোমাক ভদ্ৰগিৰিৰো ৰজা পাতিম। তেতিয়া তুমি এই সুবিশাল সাম্ৰাজ্যৰ সম্ৰাট হ'ব। মোৰ লক্ষ্য সেইটোৱেই।" এইবুলি তেওঁ নিজৰ জোঁৱায়েকক সান্ত্বনা দিলে।

সুসেন ৰত্নগিৰিলৈ যোৱা আৰু তাতে থাকি যোৱাটো মহাৰাজে ভাল নাপালে। তেওঁ মানসিক কষ্ট পালে। শহুৰেক আৰু জোঁৱায়েকে মিলি, কোন মুহূৰ্ত্তত কি কৰে একো ঠিক নাই, এই চিন্তাই মহাৰাজক উদ্বিগ্ন কৰি তুলিলে। তেওঁ এইটো জুই আৰু বতাহৰ মিলনৰ লগত তুলনা কৰিলে। কিন্তু এবছৰলৈকে তেওঁ ভয় কৰা ধৰণৰ একো ঘটনা নঘটিল। বানপ্ৰস্থত যোৱাৰ আগতে তেওঁ এবাৰ কাশীলৈ যাবলৈ মন মেলিলে। তেওঁ পত্নীসহিতে কাশীলৈ গ'ল।

ভদ্ৰগিৰিৰ সেনা ৰত্নগিৰিৰ সেনাতকৈ চাৰিগুণ বেছি আছিল। পোনে পোনে ভদ্ৰগিৰি আক্ৰমণ কৰি সেই ৰাজ্যক নিজৰ অধীনস্থ কৰা অসম্ভৱ আছিল। দুৰ্জয়ে ইয়াৰ বাবে আন উপায় চিন্তা কৰিবলৈ ধৰিলে। ভদ্ৰগিৰিৰ

সুৰক্ষা পদ্ধতিৰ কথা ভালকৈ জনা সুসেন এতিয়া তেওঁৰ হাতৰ মুঠিত। সেয়েহে এই অসম্ভৱক সম্ভৱ কৰিব পৰা যাব। দুৰ্জয় আৰু সুসেনৰ সেনাই ভদ্ৰগিৰিৰ বিজয়া দশমী উৎসৱত ভাগ লোৱাৰ নাটক কৰি ছদ্মবেশেৰে সেই ৰাজ্যত প্ৰবেশ কৰিলে। তাৰ পাছদিনাই আছিল বিজয়া দশমী। মহাৰাজো তীৰ্থ যাত্ৰাৰপৰা ঘূৰি আহিল।

সেইদিনা ৰজা সুধৰ্মই বিজয়া দশমী উপলক্ষে সুৰক্ষাজনিত প্ৰয়োজনীয় ব্যৱস্থা সম্পৰ্কে আলোচনা কৰিবলৈ সেনাধিপতি সুধীৰক লগ ধৰিলে। আলোচনা শেষ হোৱাৰ পাছত ৰজাই উদ্যানত তেওঁৰ বাবে অপেক্ষা কৰি থকা ৰাণীৰ ওচৰলৈ গ'ল।

হঠাতে ৰাজভৱনত হাহাকাৰ লাগিল। সুধীৰে কি হৈছে ঘূৰি চাব খোজোতেই কোনোবাই তেওঁৰ ওপৰত তৰোৱাল চলাই তেওঁৰ এখন হাত কাটি দিলে। সুধীৰ তাতে বাগৰি পৰিল। তেওঁক আক্ৰমণ কৰাজন তাৰপৰা পলাই গ'ল। আচম্বিতে চলা এই আক্ৰমণত ভদ্ৰগিৰিৰ বহুত সৈনিক মৰা পৰিল। কিছুমান সৈনিকৰ হাত ভৰি কাটি পেলোৱা হ'ল।

ইফালে অন্তেষপুৰৰপৰা অহা আৰ্তনাদ ৰজাৰ কাণত পৰিল। ৰান্ধনি আৰু ভৃত্যসকল ৰাজপ্ৰাসাদৰ স্ত্ৰীসকলৰ ৰক্ষাৰ বাবে জঁপিয়াই পৰিল। প্ৰধান ৰান্ধনি বল্লভে ৰান্ধনিঘৰত থকা এখন বহুত ডাঙৰ তৰোৱাল হাতত তুলি ল'লে আৰু শত্ৰু সৈনিকৰ শিৰচ্ছেদ কৰিবলৈ আৰম্ভ কৰিলে। তেনেতে ভদ্ৰগিৰিৰ সেনা আহি পোৱাত শত্ৰু সেনা পলাই গ'ল।

মহাৰাজৰ অনুপস্থিতিত সুধৰ্ম আৰু সুধীৰক হত্যা কৰিবলৈকে দুৰ্জয় আৰু সুসেনে এই আঁচনি পাঙিছিল। কিন্তু তেওঁলোক সফল হ'ব নোৱাৰিলে। নাৱত উঠি সীমান্তৰ এখন নদীয়েদি ৰত্নগিৰিৰ সেনা পলাই গ'ল। সুসেন অহা নাওখন নদীৰ তীব্ৰ সোঁতত পৰাত সুসেনৰ সলিল সমাধি ঘটিল।

তীৰ্থযাত্ৰাৰপৰা ঘূৰি অহা মহাৰাজৰ উপস্থিতিত বিজয়া দশমী যথাৰীতি পালন কৰা হ'ল আৰু যুদ্ধত পৰাক্ৰমেৰে বিজয় সাব্যস্ত কৰা সকলক ৰজা সুধৰ্মই উপহাৰ দি ক'লে, "এই যুদ্ধত ভাগ লৈ যিসকলে নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিলে সেই সকলোকে মোৰ অভিনন্দন। বিশেষভাৱে সেইসকল বীৰক মই অভিনন্দন জনাইছো যিসকল থিয় হৈছিল বিজয়া দশমী উৎসৱত ভাগ লোৱাৰ অজুহাতত

ইয়ালৈ অহা শত্ৰুৰ সমুখত! প্ৰধানকৈ অন্তঃপুৰৰ স্ত্ৰীসকলক ৰক্ষা কৰাত উপস্থিত বুদ্ধি আৰু পৰাক্ৰম দেখুওৱা ৰান্ধনি বল্লভ বিশেষ প্ৰশংসাৰ পাত্ৰ! মই তেওঁক দলনায়ক পদত নিযুক্তি দিছো।"

সুধৰ্মৰ কথাত বৃদ্ধ মহাৰাজ আৰু ৰাজগুৰু বৰ সুখী হ'ল। কিন্তু সেনাধিপতি সুধীৰৰ মুখ হতাশাই ছানি ধৰিলে।

বেতালে এই কাহিনী কৈ উঠি ক'লে, "ৰাজন, ৰজা সুধৰ্মৰ ওপৰত যি ভয়ংকৰ আক্ৰমণ হ'ল, তাত বাধা দিবলৈ সেনাধিপতি সুধীৰে আগবাঢ়ি আহি আহত হ'ল। কিন্তু ৰজাই তেওঁৰ বীৰত্ব আৰু ত্যাগৰ প্ৰশংসা নকৰি এজন ৰান্ধনিৰ সাহসৰহে প্ৰশংসা কৰাটো উচিত কথা আছিলনে? অন্তঃপুৰৰ স্ত্ৰীসকলৰ লগতে তেওঁ ৰাণীকো ৰক্ষা কৰিলে। সেই কাৰণেই ৰজাই তেওঁক প্ৰশংসা কৰিলে নেকি? ৰাজনীতিত পণ্ডিত হিচাপে পৰিচিত সুধৰ্মই এনেকুৱা কিয় কৰিলে? বৃদ্ধ ৰজা আৰু ৰাজগুৰু খুব সন্তুষ্ট হোৱাৰনো কাৰণ কি? মোৰ এইবোৰ সন্দেহৰ সমিধান তুমি যদি জানিও নিদিয়া তেন্তে তোমাৰ মূৰ ফাটি চিৰাচিৰ হ'ব।"

ৰজা বিক্ৰমাদিত্যই ক'লে, "অতি জটিল পৰিস্থিতিত গ্ৰহণ কৰা পদ্ধতি অনুসাৰেহে বীৰৰ আচল শক্তি সামৰ্থ্যৰ উমান পোৱা যায়। আকস্মিক আক্ৰমণত ৰজাক বচাবলৈ সুধীৰে নিজৰ প্ৰাণৰ কথা চিন্তা নকৰাকৈ আগবাঢ়ি আহিল আৰু ইয়াৰদ্বাৰা তেওঁ নিজৰ ত্যাগ আৰু কৰ্তব্যনিষ্ঠাকে প্ৰমাণ কৰি দেখুৱালে। কিন্তু আমি পাহৰিলে নচলিব যে সেনাধিপতি হিচাপে এইটো কৰাটো তেওঁৰ কৰ্তব্য আছিল। কিন্তু আকস্মিক আক্ৰমণত নিজকে বচোৱাৰ সলনি শত্ৰুক নিধন কৰাটোহে পৰম ধৰ্ম আৰু সঁচা বিজয়। বল্লভে তাকেই কৰি দেখুৱালে। আন সৈনিকৰ দৰে তেওঁৰ কোনো সামৰিক প্ৰশিক্ষণ নাছিল। তথাপি তেওঁৰ উপস্থিত বুদ্ধি শলাগিবলগীয়া। সেয়েহে ৰজাই সুধৰ্মক তেওঁৰ অভিনন্দন জনালে। ইয়াত ৰজাৰ পক্ষপাতিত্বৰ প্ৰশ্ন উঠিব নোৱাৰে। সেইকাৰণেই বৃদ্ধ মহাৰাজ আৰু ৰাজগুৰু সন্তুষ্ট হৈছিল।"

ৰজাৰ মৌনতা ভংগ কৰাত সফল হৈ বেতালে শটো লৈ পুনৰ অদৃশ্য হৈ গ'ল আৰু পুনৰ সেই গছজোপাত ওলমি থাকিলগৈ।

(মঞ্জু ভাৰতীৰ ৰচনাৰ আলম লৈ)



সংবাদ বিচিত্ৰা

পোহনীয়া কুকুৰ দিবলৈ অবামাই দিয়া প্ৰতিশ্ৰুতি

নিৰ্বাচনী প্ৰচাৰ অভিযানৰ সময়ত বাৰাক অ'বামাই আমেৰিকাৰ ৰাইজক বহুত প্ৰতিশ্ৰুতি দিবলগীয়া হৈছিল। কিন্তু ইয়াৰে এটাও তেওঁ তেওঁৰ দুই কন্যা মালিয়ি (১০) আৰু ছাশ্বাক (৭) দিয়া প্ৰতিশ্ৰুতিতকৈ বেছি গুৰুত্বপূৰ্ণ নাছিল। দুয়োকে তেওঁ প্ৰতিশ্ৰুতি দিছিল হোৱাইট হাউচত প্ৰবেশ কৰাৰ পাছত এটা কুকুৰ পোৱালি দিয়াৰ। "তোমালোকে কল্পনা কৰিব পৰাতকৈয়ো মই তোমালোকক বহুত বেছি ভাল পাওঁ," অ'বামাই নিজৰ দুই কন্যাক কৈছিল, "আমাৰ লগতে তোমালোকৰ বাবে আহিব এটা মৰমলগা কুকুৰ পোৱালি এটা।"

আমেৰিকা যুক্তৰাষ্ট্ৰৰ মানৱীয়তা ছছাইটীৰ সভাপতি ৱেইন পেচেলে অ'বামা পৰিয়ালক সোঁৱৰাই দিছিল যে তেওঁলোকে এটা গৃহহীন কুকুৰ তুলি লোৱাৰ কথা কৈছিল। তেওঁ কৈছিল, "বাৰাক অ'বামাই এটা গৃহহীন জন্তু পুহিবলৈ লৈ এটা ডাঙৰ উদাহৰণ দাঙি ধৰিব পাৰে।"

গান্ধীৰ স্মৃতিত পথৰ নামকৰণ

মহাত্মা গান্ধী ছহিদ হৈছিল ১৯৪৮ চনৰ ৩০ জানুৱাৰীত। আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেভাডাৰ গান্ধী স্মাৰক পৰিষদে বিচাৰিছিল "গান্ধীৰ অহিংসা দৰ্শন, বিশ্বশান্তিৰ প্ৰতি দায়বদ্ধতা, আৰু সমাজৰ নিপীড়িত লোকৰ উত্থানৰ বাবে তেওঁ কৰা কামৰ কথা সোঁৱৰণ কৰিবলৈ।"

পৰিষদৰ সমন্বয়ৰক্ষী ৰাজন জেইড আৰু ৰেভাৰেণ্ড জিন চেভয় জুনিয়ৰে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু বিশ্বৰ ১৮৫ খন মহানগৰীৰ কেইটামান পথ "মহাত্মা গান্ধী মাৰ্গ" নামকৰণ কৰিবলৈ প্ৰস্তাৱ দিয়ে। ৰাজন জেইডে কয়: "তেওঁৰ জীৱন আৰু চিন্তাই বিশ্বৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছে আৰু এতিয়াও তেওঁ কুৰি শতিকাৰ শ্ৰেষ্ঠতম নেতা হিচাপে শ্ৰদ্ধেয়।"

এই প্ৰস্তাৱৰ বাবে সম্পৰ্ক লৈ অহা মহানগৰীসমূহৰ ভিতৰত আছে ছিউল, টকিঅ', নিউইয়ৰ্ক আৰু লণ্ডনৰ দৰে ঘন জনবসতিৰ মহানগৰীৰপৰা আৰম্ভ কৰি সেৰেঙা জনবসতিৰ এচ্ছেন, ভেলেটা (মাল্টা), এনকেম্প্ (এঙ্গোৱা) আৰু জোডেলাঞ্জৰ (লাক্সেমবাৰ্গ) দৰে মহানগৰীসমূহ। গান্ধী স্মাৰক পৰিষদৰ সদস্যৰ ভিতৰত আছে খ্ৰীষ্টীয়, মুচলিম, হিন্দু, বৌদ্ধ, ইহুদি, বাহাই লোক আৰু স্থানীয় আমেৰিকান পুৰোহিত শ্ৰেণী।



জীমুতবাহক

[illegible] মানৱ জীৱনৰ আধাৰ। মানৱ জীৱনৰ অৰ্থ আৰু পৰমাৰ্থক একত্ৰিত কৰে প্ৰেমে। সেয়েহে বিজ্ঞজনে কয় যে প্ৰেম দিব্যস্বৰূপ আৰু পদ্মজা কৰুণাস্বৰূপ। পতি পত্নীৰ প্ৰেম, বন্ধু আৰু মিত্ৰৰ মাজত প্ৰেম স্বাভাৱিক,কিন্তু অপৰিচিত আৰু অপকাৰ কৰিব পৰা জনৰ প্ৰতি প্ৰেম কৰাটো সকলোৰে পক্ষে সম্ভৱপৰ নহয়। কিন্তু যি এনে কৰিব পাৰে তেওঁক ভগৱান জ্ঞান কৰা হয়। প্ৰেমক দেৱতা জ্ঞান কৰি, জীৱনক তপস্যা জ্ঞান কৰি বিদ্যাধৰ বীৰকুমাৰ জীমুতবাহকে নিজৰ জীৱন কটাইছিল।

হিমালয়ৰ পাদদেশৰ কাঞ্চনপুৰৰ নগৰাধিপতি জীমুতকেতৰ একমাত্ৰ পুত্ৰ আছিল জীমুতবাহক। ৰাজভৱনৰ প্ৰাংগণত অদ্ভুত শক্তিসম্পন্ন এজোপা কল্পবৃক্ষ আছিল। গছজোপাৰ কাৰণেই ৰাজপৰিয়ালৰ সদস্য আৰু প্ৰজাগণ সুখী আছিল। তেওঁলোকে কোনো ধৰণৰ কষ্টৰ মুখামুখি হ'বলগীয়া হোৱা নাছিল। তেওঁলোকে সকলোধৰণৰ সুবিধা ভোগ কৰিছিল। যেতিয়াই যুৱক জীমুতবাহকে সেই গছজোপা দেখিছিল তেতিয়াই তেওঁৰ মনলৈ বিচিত্ৰ চিন্তা আহিছিল। এবাৰ তেওঁ নিজৰ পিতৃক ক'লে, "ভূলোকত অসংখ্য লোকে ক্ষুধা আৰু তৃষ্ণাত কষ্ট ভুগিব লাগিছে, মৰিব লাগিছে। কিন্তু আমি কল্পবৃক্ষৰ মহিমাৰে সকলো ধৰণৰ সুখ অনুভৱ কৰিছো। এইটো উচিত হৈছেনে, ন্যায়সংগত হৈছেনে?"

তেতিয়া জীমুতকেতে ক'লে, "পুত্ৰ এই কল্পবৃক্ষ মোক মোৰ উপৰিপুৰুষে দিয়া এটা বিচিত্ৰ উপহাৰ। মই এইজোপা তোমাক গতাই দিব খোজো। তুমি যি কৰা তাত মোৰ কোনো আপত্তি নাথাকিব।" জীমুতবাহকে কল্পবৃক্ষক সম্বোধন কৰি ক'লে, "হে কল্পবৃক্ষ! প্ৰজন্মৰ পাছত প্ৰজন্ম তুমি আমাক ৰক্ষা কৰি আহিলা। ইয়াৰ বাবে মই তোমাক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। এতিয়াৰেপৰা

পৌৰাণিক যুৱ নায়ক-৯

দৰিদ্ৰজনৰ দুখ কষ্ট নিবাৰণ কৰিবলৈ তুমি য'লৈকে যাব খোজা, যোৱা।"

কল্পবৃক্ষ তৎক্ষণাৎ আকাশলৈ উৰা মাৰিলে আৰু সমগ্ৰ বিশ্বতে সোণৰ বৰষুণ দিবলৈ ধৰিলে। যেতিয়াই জীমুতকেতৰ জোঁৱায়েক-সকলে এই কথা গম পালে যে কল্পবৃক্ষ এতিয়া আৰু কাঞ্চনপুৰত নাই তেতিয়া তেওঁলোকে কাঞ্চনপুৰ আক্ৰমণ কৰিলে। তেতিয়া জীমুতবাহকে ক'লে, "মই যদি হাতত খড়্গ তুলি লওঁ, তেন্তে তোমালোকৰ এজনো জীয়াই নাথাকিবা। কিন্তু অধিকাৰৰ প্ৰতি মোৰ অলপো আসক্তি নাই। আমি অধিকাৰ লাভ কৰো জনতাক ৰক্ষা কৰিবলৈ। সেয়েহে ৰজাক জগতৰ ৰক্ষক বিষ্ণুৰ অংশ জ্ঞান কৰা হয়। তোমালোক ৰজা হ'ব খুজিছা হোৱা, কিন্তু মনত ৰাখিবা মানুহৰ যাতে কোনো ধৰণৰ কষ্ট নহয়।" এইবুলি কৈ তেওঁ ৰাজ্য তেওঁলোকৰ হাতত গতাই দিলে আৰু বানপ্ৰস্থ গ্ৰহণ কৰিব খোজা বৃদ্ধ পিতৃ মাতৃক লৈ তেওঁ মলয় পৰ্বতলৈ গ'ল আৰু তেওঁলোকৰ সেৱা শুশ্ৰূষা কৰি সময় কটাবলৈ ধৰিলে।

তাতে বিশ্বাৱসুৰৰ পুত্ৰ মিত্ৰাৱসুৰৰ লগত তেওঁৰ মৈত্ৰী হ'ল।

এদিন তেওঁ যেতিয়া গৌৰী মন্দিৰৰ সমীপেদি পাৰ হৈ গৈছিল, তেতিয়া হঠাতে মধুৰবীণাৰ শব্দ তেওঁৰ কাণত পৰিল। ঘূৰি লৈ তেওঁ দেখে এগৰাকী অতীৱ সুন্দৰী কন্যা যি বীণাত তেওঁৰ কোমল আঙুলিবোৰ চলাই আছিল। সেই কন্যায়ো জীমুতবাহকক দেখিলে আৰু খুব আনন্দিত হ'ল। দুয়ো দুয়োৰে প্ৰতি আকৰ্ষিত হ'ল। পিছত জীমুতবাহকে গম পালে যে সেই কন্যা আন কোনো নহয় তেওঁৰ মিত্ৰ মিত্ৰাৱসুৰৰ সহোদৰ ভগ্নী। এই কথা গম পাই তেওঁ বৰ সুখী হ'ল। দুয়োৰে

মাক দেউতাকৰ সন্মতি সাপেক্ষে মলয়ৱতী আৰু জীমুতবাহকৰ বিবাহ সম্পন্ন হ'ল।

এদিন জীমুতবাহক মিত্ৰাৱসুৰ লগত পৰ্বতবোৰৰ মাজে মাজে ঘূৰি আছিল। এই পৰ্বতবোৰৰ মাজত সাপৰ হাড় পাহাৰ আকৃতিত জমা হৈ আছিল। এই দৃশ্য দেখি জীমুতবাহক আচৰিত হ'ল আৰু নিজৰ মিত্ৰক এই বিষয়ে সুধিলে।

মিত্ৰাৱসুৱে বিৱৰণ দি ক'লে, "গৰুড়ৰ মাক দেউতাকক সৰ্পবোৰে অপমান কৰিছিল। তেতিয়া তেওঁ ক্ৰোধান্বিত হৈ সাপবোৰ নাশ কৰিবলৈ ধৰিলে। তেতিয়া নাগৰাজ বাসুকিয়ে গৰুড়ক বাধা দি ক'লে, "আমাক এনেকৈ কষ্ট নিদিবা। তুমি যদি আমাক এনেকৈ বিনাশ কৰাটো বন্ধ কৰা তেন্তে প্ৰতিদিনে এজন নাগ-কুমাৰক মই তোমাৰ আহাৰ হিচাপে পঠিয়াই থাকিম।" গৰুড়ই বাসুকিৰ এই অনুৰোধ ৰক্ষা কৰিলে। এইদৰে আহি থকা নাগকুমাৰ গৰুড়ই খাই থাকিল আৰু তেওঁলোকৰ অস্থিবোৰ ইয়াতে পেলাই থাকিল।"

এই কাহিনী শুনি জীমুতবাহক চিন্তাত পৰিল। মিত্ৰ গুচি গ'ল কিন্তু তেওঁ তাতে থিয় দি থাকিল। কিছু সময়ৰ পাছত যেতিয়া তেওঁ বৃদ্ধ কণ্ঠত আৰ্ত্তনাদ শুনিলে তেতিয়া তেওঁ ঘূৰি চালে।

সেইদিনা শংখচূড় নামৰ এজন নাগকুমাৰ গৰুড়ৰ আহাৰ হৈ অহাৰ কথা আছিল। নিজৰ একমাত্ৰ পুত্ৰৰ এই দুঃস্থিতি দেখি বৃদ্ধ পিতৃ মাতৃয়ে সহ্য কৰিব নোৱাৰিলে। তেওঁলোকৰ কান্দোন শুনি জীমুতবাহকৰ দয়া ওপজিল। তেওঁ শংখচূড়ৰ বৃদ্ধ মাতৃ আৰু পিতৃক সান্ত্বনা দি ক'লে, "আপোনালোৰ পুত্ৰৰ ঠাইত আজি মই গৰুড়ৰ আহাৰ হৈ যাম।" কিন্তু তেওঁলোকে কথাটো মানি নল'লে।

শংখচূড় গোকৰ্ণেশ্বৰৰ পূজা কৰিবলৈ গৈছিল, তেতিয়া ৰঙা বস্ত্ৰ পৰিধান কৰি জীমূতবাহক তেওঁৰ ঠাইত বধ্য শিলাত পৰি থাকিলগৈ। তেনেতে গৰুড় উৰি আহিল আৰু জীমূতবাহকক নাগকুমাৰ বুলি ভাবি উঠাই লৈ গ'ল।

তেতিয়া মৃত্যুৰ আগতে জীমূতবাহকে ভগৱানক প্ৰাৰ্থনা কৰিলে যাতে প্ৰতিটো জনমতে তেওঁ পৰোপকাৰ কৰাৰ সৌভাগ্য অৰ্জন কৰে।

তেনেতে বধ্য শিলাৰ ওচৰলৈ অহা শংখচূড়ে এই দৃশ্য দেখি চিঞৰিবলৈ ধৰিলে, "নাই, নাই তেওঁক ভক্ষণ নকৰিবা। তেওঁ নাগকুমাৰ নহয়, মইহে নাগকুমাৰ।"

গৰুড়ই নিজৰ ভুল বুজি পালে। কিছু সময়লৈ তেওঁ বাকৰুদ্ধ হৈ পৰিল। তাৰপাছত তেওঁ নিজকে চম্ভালি ক'লে, "জীমূতবাহক, মই যি অপৰাধ কৰিলো তাৰবাবে মোক ক্ষমা কৰা। তোমাৰ উদৰতা অমোঘ, অতুলনীয়, কোৱা মই কি কৰিব লাগে? তুমি যি কোৱা মই তাকেই কৰিম।"

"এই মুহূৰ্ত্তে নাগসকলৰ প্ৰতি তোমাৰ যি বৈৰীভাব আছে সেয়া পাহৰি যোৱা। এতিয়ালৈকে যিসকল নাগকুমাৰে প্ৰাণ দিলে, তেওঁলোকক পুনৰ জীৱন দান কৰা।" জীমূতবাহকে গৰুড়ক মিনতি কৰিলে।

গৰুড় তৎক্ষণাৎ ইন্দ্ৰলোকলৈ গ'ল আৰু ইন্দ্ৰক খুজি অমৃত লৈ আহিলগৈ। সৰ্পৰ হাড়ৰ ওপৰত অমৃত ছটিয়াই দিয়া হ'ল। মৃত সৰ্পবোৰে প্ৰাণ পাই উঠিল। জীমূতবাহকক এতিয়া আগতকৈ অধিক তেজস্বী হৈ বহি থকা দেখা গ'ল।

কথাটো গম পাই তালৈ অহা সকলোকে দেখি জীমূতবাহকে বৰ আনন্দ পালে। তেওঁ আদৰপূৰ্বক সকলোকে অভিনন্দন জনালে। পত্নী মলয়ৱতীয়ে গৌৰী মাতাৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলে।

জীমূতবাহকৰপৰা যিসকলে ৰাজ্য কাঢ়ি লৈছিল সেই সকলো আহিল। তেওঁলোকে জীমূতবাহকৰ ওপৰত ক্ষমা খুজিলে আৰু পুনৰ কাঞ্চনপুৰ তেওঁক অৰ্পণ কৰিলে।

সততা আৰু পৰোপকাৰৰ জলন্ত উদাহৰণ হ'ল এই জীমূতবাহক। এই পৌৰাণিক কুমাৰ সাৰ্থক অৰ্থত দানবীৰ আছিল।

প্ৰতি শুকুৰবাৰে ঘাঁহ

তোমালোকে বাৰু বিশ্বাস কৰিবানে? আহমে-দাবাদৰ কমলা নেহৰু চিৰিয়াখানাত প্ৰতি শুকুৰ-বাৰে বাঘবোৰকত নিৰুদ্বিগ্নভাৱে বাঁহপাত চোবাই থকা দেখা যায়। আন মাংসাহাৰী জন্তুৰ দৰে সিহঁতেও ঘাঁহ চোবায় থাকে শুকুৰবাৰে।

কুকুৰৰ দৰে প্ৰতিটো মাংসাহাৰী জীৱৰ নিজৰ পাচন প্ৰক্ৰিয়া নিয়ন্ত্ৰণ কৰাৰ এটা স্বভাৱজাত প্ৰকৃতি আছে। কুকুৰে পেটভৰাই খোৱাৰ পাছত ঘাঁহ চোবায়। কাংকাৰিয়া চিৰিয়াখানাৰ অধীক্ষকৰ মতে আটাইবোৰ মাংসাহাৰী জন্তুৱে সপ্তাহত এবাৰকৈ ঘাঁহ খায়। ঘাঁহে সিহঁতৰ পেট আৰু পাচন তন্ত্ৰৰ আন অংশবোৰ চাফা কৰাত সহায় কৰে। চিৰিয়াখানাত বাঘবোৰে বৰ নিষ্ক্ৰিয় জীৱন যাপন কৰে। চিৰিয়াখানাৰ কৰ্মীসকলে সিহঁতক সপ্তাহত এদিনকৈ লঘু আহাৰ দিয়ে। সেয়েহে প্ৰতি শুকুৰবাৰে সিহঁতে উপভোগ কৰে ঘাঁহৰ সোৱাদ।

পানীৰ তলৰ মন্দিৰ

ৰামেশ্বৰমৰপৰা ৭০ কিলোমিটাৰ দূৰৈৰ দেৱীপট্টিনামত থকা তিলকেশ্বৰ মন্দিৰৰ জনপ্ৰিয় নাম হ'ল নৱগ্ৰহ মন্দিৰ। কিংবদন্তি অনুসাৰে বনবাসত থাকোতে ৰামে দেৱী পট্টিনমৰ এই নৱগ্ৰহ মন্দিৰত আৰাধনা কৰিছিল। বিশ্বাস কৰা হয় মন্দিৰটো পূৰ্বতে সমুদ্ৰৰ গৰ্ভত নিৰ্মাণ কৰা হৈছিল। ৰামে আৰাধনা কৰি থাকোতে সমুদ্ৰৰ ঢৌবোৰে তেওঁক আমনি কৰিছিল। ঢৌবোৰক বাধা দিবলৈ ৰামে ভগৱান বিষ্ণুক প্ৰাৰ্থনা কৰিছিল।

হিন্দু শাস্ত্ৰৰ মতে, নৱগ্ৰহে মানুহৰ জীৱন নিয়ন্ত্ৰণ কৰে। পূৰ্বজন্মৰ কৰ্মফল অনুসাৰে মানুহৰ জীৱনলৈ ভাল বা বেয়া দশা আহে বুলি বিশ্বাস কৰা হয়।

BACK ISSUE BHANGRA!

LAST DATE 31ST MARCH 2009



Unwind with Chandamama's Rewind!

Pick your favourite year from the new millennium [2001-2007] and place an order to read all 12 *Chandamama** issues that year!

*Offer valid for Chandamama English, regional languages, and Junior Chandamama for a minimum period of one year on a first come first served basis. Cost per year will be calculated on cover price + Rs.300/- [shipping and handling charges].

**Payment to be made by DD or at par cheque drawn in favour of Chandamama India Ltd. payable at Chennai. Kindly send your request with name, full postal address, contact details and specification of the Language and Year.

Address: **Chandamama India Ltd.**, New 2/513 (Old 3/396), Sundeep Avenue East, 2nd Main Road, Chinna Neelankarai, Chennai - 600 041. Phone : (044) 43992828
For further queries mail arul.balamurugan@chandamama.com

***If stock is not available, payment will be refunded.

যেতিয়া এজন মূৰ্খই প্ৰশ্ন কৰে

সফলতাই সফলজনক আনন্দিত কৰে। ই তেওঁলৈ বন্ধু বান্ধৱ আৰু সহকৰ্মীক আকৰ্ষিত কৰে। বাকীসকল ঈৰ্ষাৰ দাবানলত জ্বলি পুৰি মৰে। বীৰবলৰ ক্ষেত্ৰতো সেয়ে হৈছিল।

প্ৰতিবাৰেই যেতিয়া তেওঁ সম্ৰাটৰ প্ৰশংসা লাভ কৰে, ৰাজসভাৰ কিছুমান বিষয়া ঈৰ্ষান্বিত হয়। এইটো নোহোৱা কৰিবলৈ তেওঁলোক উঠি পৰি লাগিল।

তেওঁলোক একগোট হ'ল, আৰু বিভিন্ন ধৰণৰ আঁচনি তৈয়াৰ কৰিবলৈ ধৰিলে। অৱশেষত, সকলোৱে মিলি এটা পৰিকল্পনা কৰিলে।

পিছদিনাখন, দলটোৰ নেতা শ্বৈতান খান তেওঁ ঘনিষ্ঠসকলৰ সৈতে ৰাজসভাত উপস্থিত হ'ল। তেওঁলোকে দেখিলে যে বীৰবল ইতিমধ্যেই তাত উপস্থিত হৈছে। দিনটোৰ কাম কাজ শেষ হোৱাৰ পিছত, সভাসদসকলৰ-পৰা দিনটোৰ বিশেষ বাতৰি, দিহা পৰামৰ্শ লবলৈ সম্ৰাট আউজি বহিল।

শ্বৈতান খান থিয় হ'ল। মূৰ দোঁৱাই ৰজাৰ অনুমতিৰ বাবে বাট চালে। 'আগবাঢ়া' সম্ৰাটে ইঙ্গিত দিলে।

"হুজুৰ, বীৰবল এজন তীক্ষ্ণ বুদ্ধিসম্পন্ন লোক।" শ্বৈতান খানে ক'লে।

"ময়ো বহুত বুদ্ধিসম্পন্ন লোকৰ সান্নিধ্যত আছো, হুজুৰ।" বীৰবলে ক'লে।

"সেয়া সঁচা, বাদশ্বাহ! কিন্তু তেওঁৰ লগত মই কেনেকৈ যোৰ পাম?" শ্বৈতান খানে হুমুনিয়াহ কাঢ়ি কৈ গ'ল:

"মই ভালকৈ ক'ব পাৰো জটিল সমস্যা সমাধান কৰাত বীৰবলৰ সমকক্ষ আমি কোনোৱেই হ'ব নোৱাৰো।"

এইবোৰ মাতটো সৰু কৰি সম্ৰাটলৈ চাই ক'লে, "বাদশ্বাহ! বীৰবল বুধিয়ক, তেওঁৰ পিতৃ নিশ্চয় আৰু বুধিয়ক হ'ব।"

সম্ৰাটে এক মুহূৰ্ত্ত চিন্তা কৰিলে। "কিয় তেওঁ সেই কথা চিন্তা কৰা নাছিল? এতিয়াও সময় আছে," সম্ৰাটে ভাবিলে।

"বাদশ্বাহ, আমি বীৰবলৰ পিতৃক এবাৰ লগ পাব খোজো! তেওঁক এবাৰ ৰাজসভালৈ আনিব পৰা হ'লে!" শ্বৈতান খানে ক'লে।

বীৰবলে কথাবোৰত বিপদৰ উমান পালে। তেওঁ অনুমান কৰিলে যে শ্বৈতান খান কোনো কামৰ মানুহ নাছিল। তেওঁ

বুদ্ধিমান আছিল। কিন্তু নিজৰ বুদ্ধিমত্তাৰ তেওঁ কেতিয়াও সঠিক প্ৰয়োগ কৰা নাছিল।

শ্বেতান খানেৰ এই প্ৰস্তাৱৰ আঁৰত কি উদ্দেশ্য লুকাই থাকিব পাৰে বীৰবলে বুজি পালে। "তেওঁ জানে যে মোৰ পিতৃ উচ্চশিক্ষিত নহয়। তেওঁ এজন সৎ, সৰল সহজ ব্যক্তি। ৰাজসভাৰ তথাকথিত শিক্ষিত লোকৰ পাক লগা কথাৰ লগত তেওঁ অপৰিচিত। সম্ৰাটৰ আগলৈ তেওঁক আনি, তেওঁৰ অসমৰ্থতা সম্ৰাটৰ আগত উদঙাই দেখুৱাই শ্বেতান খানে মোক হেয় প্ৰতিপন্ন কৰিব খুজিছে। মূৰ্খ, তেওঁ জনা নাই যে এই কামত তেওঁ নিজেই মুখ থেকেচা খাব।"

"বীৰবল," সম্ৰাটৰ মাতত বীৰবলৰ ভাবত যতি পৰিল, "আমি তোমাৰ পিতৃক লগ পাব খোজো।"

"যি আজ্ঞা বাদশ্বাহ।"

"মোৰ বাগীৰেই তুমি তোমাৰ গাৱঁলৈ যাবা আৰু পৰহিলৈ তোমাৰ পিতৃক ইয়ালৈ লৈ আহিবা।" সম্ৰাটে ক'লে।

"যি আজ্ঞা, বাদশ্বাহ, মই এতিয়াই যাব পাৰোনে?"

"নিশ্চয়, বিলম্ব কৰা উচিত নহয়।" সম্ৰাটে ক'লে। বীৰবল নিজৰ ওপজা গাওঁ পালেগৈ। ৰজাৰ বাগীয়ে বীৰবলক নিজৰ পৈতৃক ভিঠাত নমাই দিলেগৈ। বীৰবল পিতাকৰ ওচৰলৈ লৰি গ'ল। "দেউতা," তেওঁ পিতাকৰ ভৰি চুই প্ৰণাম কৰিলে।

"আস, আজি ইমানদিনৰ মূৰত মই তোমাক দেখিছো। কেনে আছা মোৰ বোপা? সকলো ঠিকে আছেনে?" আৱেগত অধীৰ হৈ বৃদ্ধই বীৰবলক সাবটি ধৰিলে।

পিতা পুত্ৰ দুয়ো বহুসময় কথা পাতিলে। সেইদিনা ৰাতিৰ আহাৰ কৰাৰ পিছত বীৰবলে দেউতাকক ক'লে যে তেওঁ দেউতাকক ৰাজসভালৈ নিবলৈ আহিছে।

"কিন্তু মই তো ৰাজসভাৰ একো আওভাও নাপাওঁ।" তেওঁ বিতত হৈ ক'লে।

"মই তোমাক সকলো শিকাই দিম দেউতা। যেতিয়া তুমি ৰাজসভাত প্ৰৱেশ কৰিবা প্ৰণাম কৰিবা আৰু কপালেৰে মজিয়া স্পৰ্শ কৰিবা। শিৰ ওখ কৰি ৰাখিবা। যদি কোনোবাই নাম সোধে বা ক'ত থাকা বা জীৱিকা কি সোধে, চমুকৈ উত্তৰ দিবা। অন্য কোনো প্ৰশ্নৰ উত্তৰ নিদিবা। কেৱল মূৰ দূপিয়াবা বা মিচিকিয়াই হাঁহিবা। এটা শব্দও উচ্চৰণ নকৰিবা।"

"মৌনম সৰ্বৰ্থশক্তম," বৃদ্ধজনে এফাকি



ভাৰতৰ বিষয়ে জানি লোৱা

এই মাহত আমি জুমি চাম ইতিহাসৰ পাতবোৰ।

১. ব্ৰাহ্ম সমাজৰ প্ৰতিষ্ঠাপক কোন আছিল?

২. ভাৰতৰ স্বাধীনতা সংগ্ৰাম সমৰ্থন কৰা আয়াৰলেণ্ডৰ মহিলাগৰাকীৰ নাম কি আছিল?

৩. তেতিয়াৰ ব্ৰহ্মদেশৰ মাণ্ডালয়ত নেতাজী সুভাষ চন্দ্ৰ বসুক কেতিয়া বন্দী কৰি থোৱা হৈছিল?

৪. মেহেৰুন্নিচা এজন মোগল সম্ৰাটৰ প্ৰেয়সী আছিল? তেওঁৰ আন এটা নামো আছিল। সেই নাম কি? মোগল সম্ৰাটজন কোন আছিল?

৫. জৈন গুৰুসকলক কি নামেৰে জনা যায়?

৬. মহম্মদ টোঘলকে কেতিয়া দিল্লীৰপৰা তেওঁৰ ৰাজধানী স্থানান্তৰিত কৰিছিল?

৭. ১৮৫৮ ৰপৰা ১৯৪৭ চনলৈকে কেইজন ভাইচৰয়ে ভাৰতত শাসনকাৰ্য চলাইছিল?

৮. আকবৰৰ হিন্দু পত্নীগৰাকীৰ নাম কি আছিল?

৯. ডালাই লামাই কেতিয়া ভাৰতত ৰাজনৈতিক আশ্ৰয় লাভ কৰিছিল?

১০. ইণ্ডিয়ান চিভিল চাৰ্ভিচত যোগ দিয়া প্ৰথম ভাৰতীয় কোন আছিল।

(উত্তৰ ৭৪ পৃষ্ঠাত)

সংস্কৃত শ্লোক উচ্চাৰণ কৰিলে যাৰ অৰ্থ আছিল মৌনতাই সকলো বুজায়।

"সঁচা দেউতা। আৰু এয়া কথা, যেতিয়া সকলো হৈ যাব, যেতিয়া সিহঁতে তোমাক সুধিব যে কিয় তুমি এটাও প্ৰশ্নৰ উত্তৰ দিয়া নাই তেতিয়া তুমি কেৱল এইবুলি ক'বা শুনা।" বীৰবল দেউতাকৰ কাষচাপি গ'ল আৰু কাণে কাণে কিবা এটা ক'লে।

বৃদ্ধ মানুহজনে নিজকে চম্ভালি ৰাখিব নোৱাৰিলে। তেওঁ হাঁহিত বাগৰি পৰিল।

নিৰ্দিষ্ট দিনত বীৰবল দেউতাকক লৈ ৰাজসভাত উপস্থিত হ'লগৈ।

বীৰবলে মূৰ দোঁৱালে। কপালেৰে মজিয়া স্পৰ্শ কৰিলে। তাৰ পিছত থিয় হৈ নিজৰ আসন গ্ৰহণ কৰিলে। তেওঁৰ পিতাকেও তাকেই কৰিলে।

"স্বাগতম, মান্যবৰ। অনুগ্ৰহ কৰি আসন গ্ৰহণ কৰক।" সম্ৰাটে অভিবাদন জনালে।

"ধন্যবাদ বাদশ্বাহ!" বৃদ্ধই বীৰবলৰ কাষতে আসন গ্ৰহণ কৰিলে।

"আপোনাক লগ পাই আমি সুখী হৈছো। হে মহানুভৱ! আপোনাৰ পুত্ৰ সঁচাকৈয়ে ৰত্ন। তেওঁ বৰ বুদ্ধিমান আৰু বৰ কম সময়তে যিকোনো সমস্যাৰে সমাধান উলিয়াব পাৰে। আপুনি সঁচাকৈয়ে তেওঁক লৈ গৰ্ব কৰিব পাৰে।"

বীৰবলৰ পিতৃয়ে হাঁহিলে আৰু বিনয়েৰে মূৰ দুপিয়ালে কিন্তু এটা শব্দও উচ্চাৰণ নকৰিলে।

"বাদশ্বাহ, এই মহানুভৱক লগ পাই আমিও অতি আনন্দিত হৈছো। তেওঁ আমাৰ সকলোৰে বাবে পিতৃ স্বৰূপ।" শ্বৈতান খানে

বৃদ্ধৰ লগত কথা আৰম্ভ কৰিবৰ বাবে সম্রাটৰ অনুমতি বিচাৰিলে।

সম্রাটে হাত দাঙি অনুমতি দিলে।

শ্বৈতান খানে মুখ ঘূৰাই বীৰবলৰ ফালে চালে। তেওঁৰ মুখত এটা ধূৰ্ত্ত হাঁহি বিৰিঙি উঠিল তাৰ পিছত গহীন হ'বৰ চেষ্টা কৰি বিনয়েৰে বৃদ্ধজনৰ ওচৰ চাপি গ'ল, আৰু তেওঁৰ ভৰি চুই প্ৰণাম কৰিলে।

"দীৰ্ঘজীৱি হোৱা, বাছা।" শ্বৈতান খানৰ মূৰত হাত ৰাখি বৃদ্ধজনে ক'লে।

"বাবা, আমাৰ মাজত আপোনাৰ পুত্ৰ সবাতোকৈ বুদ্ধিমান। গতিকে, তেওঁৰ পিতাক হৈ আপুনি নিশ্চয় কিমান বুদ্ধিমান হ'ব!" শ্বৈতান খান ৰ'ল। বৃদ্ধজনে মিচিকিয়াই হাঁহিলে আৰু শিৰ ওখ কৰি মৌন হৈ ৰ'ল।

"তেওঁ বাৰু সৰুৰেপৰা বুদ্ধিয়ক আছিল নেকি বাবা?" তেওঁ সুধিলে।

উত্তৰ হিচাপে তেওঁ কেৱল এটা মিচিকিয়া হাঁহি আৰু সন্মতিসূচক সঁহাৰিৰ বাহিৰে একো নাপালে।

"তেওঁ আপোনাৰ প্ৰতি অনুগত আছিল নে? আপোনাৰ সুখ দুখৰ প্ৰতি চকু ৰাখেনে?"

এইবাৰো বৃদ্ধই কেৱল মিচিকিয়াই হাঁহিলে আৰু মূৰ লৰালে। "আমাৰ সম্রাটৰ বিষয়ে আপোনাৰ অভিমত কি?" এইবাৰ শ্বৈতান খানে নিজ উদ্দেশ্যলৈ আগবাঢ়িল।

বৃদ্ধই হাঁহিলে আৰু মৌন হৈ ৰ'ল।

শ্বৈতান খানে একেটা প্ৰশ্নকে দোহাৰিলে। কিন্তু প্ৰত্যুত্তৰত শ্বৈতান খানে বৃদ্ধৰপৰা মিচিকিয়া হাঁহিৰ বাহিৰে একো নাপালে। তেওঁৰ মুখৰপৰা এটা শব্দও তেওঁ উলিয়াব নোৱাৰিলে।



বীৰবলে সম্রাটৰ ফালে ঘূৰি ক'লে, "বাদশ্বাহ! তেওঁ আপোনাক অত্যন্ত ভক্তি কৰে। আপোনাৰ গুণাৱলীৰ বিষয়ে তেওঁ জানে। কিন্তু ইয়াত তেওঁ এটাও কথা নকয়। তেওঁ এজন নিমাখিত, অনুগত প্ৰজা। আপোনা-লোকক বিচাৰ কৰাৰ যোগ্যতা আমাৰ নাই। মোৰ পিতৃ এজন ঈশ্বৰ বিশ্বাসী লোক। আপোনাক বিচাৰ কৰিবলৈ তেওঁ সাহস নকৰে। কিয়নো আপোনাৰ মাজত আমি সদায় ভগৱানক দেখা পাওঁ। সেয়ে তেওঁ এটাও শব্দ উচ্চাৰণ কৰা নাই।"

"এনে ব্যক্তি প্ৰশংসাৰ যোগ্য" সম্রাটে আনন্দেৰে ক'লে। শ্বৈতান খানে উপলব্ধি কৰিলে যে তেওঁ বৃদ্ধজনক নিৰক্ষৰ বুলি অপদস্থ কৰাৰ যি প্ৰচেষ্টা চলাছিল সেয়া ব্যৰ্থ হৈছে। তেওঁৰ মূল উদ্দেশ্য সেয়াই আছিল।

তেওঁৰ লগৰ বাকী সভাসদ সকলে নিশ্চয়

এই প্ৰচেষ্টাত সফল হ'ব পাৰিব সেই বুলি তেওঁ তেওঁলোকৰ কাষ চাপিল। তেওঁলোকেও চেষ্টা কৰিলে। তেওঁলোকো বিফল হ'ল। বৃদ্ধই কেৱল হাঁহিলে, মূৰ দুপিয়ালে আৰু শিৰ ওখ কৰি থিয় দি ৰ'ল। কিন্তু এটাও শব্দ তেওঁৰ মুখেদি নোলাল।

"বাদশ্বাহ!" শ্বৈতান খান থিয় হ'ল।

"কোৱা।" সম্ৰাটে তেওঁক ক'বলৈ অনুমতি দিলে।

"মই ভাবো এই বৃদ্ধজনে একোৱেই নাজানে। তেওঁ যে এজন মূৰ্খ সেই কথা ঢাকি ৰাখিবলৈহে তেওঁ মৌন হৈ ৰয়।"

ৰাজসভাত উপস্থিত থকা সকলো স্তব্ধ হৈ পৰিল। সম্ৰাটে ধমক দিলে, "শ্বৈতান খান, এজন বৃদ্ধ লোকক তুমি কেনেকৈ এনেদৰে অপমান কৰিব পাৰিলা?"

সম্ৰাটে মন কৰিলে যে বৃদ্ধজনে মূৰ

তুলিছে আৰু কথা ক'বলৈ তেওঁৰ অনুমতি বিচাৰিছে।

"কওক, মান্যবৰ?"

"বাদশ্বাহ! মই সবিনয়ে ক'ব খোজো যে মূৰ্খই সোধা প্ৰশ্নৰ উত্তৰত মৌনতাই হৈছে সৰ্বোত্তম উত্তৰ।" এখন চোকা তৰোৱালৰ দৰে ধাৰ আছিল বৃদ্ধৰ শব্দবোৰত।

"কেৱল জ্ঞানীজনেহে মৌনতাৰ শক্তি বুজি পায়।" সম্ৰাটে সেইদৰে কৈ বীৰবলৰ ফালে চালে আৰু ক'লে, "যোগ্য পিতৃৰ যোগ্য পুত্ৰ।"

শ্বৈতান খানে বুজিলে যে তেওঁ এইবাৰ হাৰিছে।

তেওঁৰ লগৰবোৰৰ ভাব হ'ল ভৰিৰ তলৰপৰা যেন পৃথিৱীখন আঁতৰি গৈছে।

সম্ৰাটে নিজৰ হাতৰপৰা এডাল সোণৰ বালা খুলি বৃদ্ধক উপহাৰ দিলে। বৃদ্ধই মূৰ দোঁৱালে, কপালেৰে মজিয়া স্পৰ্শ কৰিলে আৰু থিয় হ'ল।

"বাদশ্বাহ!" বীৰবলে ক'লে, "মোৰ পিতৃ বৃদ্ধ হৈছে। তেওঁক এতিয়া বিশ্ৰামৰ প্ৰয়োজন। আপোনাৰ অনুমতি পালে মই তেওঁক লৈ যাব খোজো।"

"নিশ্চয় বীৰবল। তেখেতক লৈ যোৱা। তেওঁ সঁচাকৈয়ে জ্ঞানী। তেওঁ মৌনতাৰ শক্তি বুজি পায়। তেওঁ কোৱা নাছিলনে যে মূৰ্খই সোধা প্ৰশ্নৰ মৌনতাই শ্ৰেষ্ঠ উত্তৰ!" শেষৰ বাক্যটো সম্ৰাটে ডাঙৰকৈ ক'লে আৰু বহুত সময় ধৰি হাঁহিবলৈ ধৰিলে। আনহাতে শ্বৈতান খান আৰু তেওঁৰ লগৰবোৰে তলমূৰকৈ ওলাই গ'ল।

- আৰ.কে মূৰ্ত্তি।

উদীয়মান তাৰকা

শোভম ৰাথোড়

- শোভমে নয়ডাৰ ৰ'লাৰ স্কেটিঙ অকাডেমিত প্ৰশিক্ষণ লৈ আছে।
- প্ৰতি দিনে তেওঁ হিমক্ৰীড়াক্ষেত্ৰত দুঘন্টাকৈ অনুশীলন কৰে। সপ্তাহৰ শেষৰ দিন দুটাত তেওঁ এই কাম কৰে ৰাস্তাত।
- ৰ'লাৰ স্কেটিঙৰ বাহিৰেও তেওঁ ভালপোৱা এটা খেল হ'ল ফুটবল।
- আমেৰিকাৰ ইনলাইন স্পীড স্কেটাৰ ছুছী জেকচন হ'ল তেওঁৰ আদৰ্শ খেলুৱৈ।
- তেওঁৰ প্ৰিয় বিষয় হ'ল অংকশাস্ত্ৰ।
- যোৱা নৱেম্বৰ ২০০৮ লৈকে শোভমে স্থানীয় আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ টুৰ্ণামেন্টত ৭২টা সোণৰ, ১৫টা ৰূপৰ আৰু ৩টা ব্ৰঞ্জৰ পদক জয় কৰিছে।

"মই স্পীড স্কেটিঙ ভাল পাওঁ... স্পীডৰ প্ৰতি আছে মোৰ তীব্ৰ আকৰ্ষণ" এইদৰে কয় নেছনেল জুনিয়ৰ স্কেটিঙ চেম্পিয়ন শোভম ৰাথোড়ে যি মাত্ৰ ন বছৰ বয়সতে চকু কপালত উঠাকৈ ৭২টা সোণৰ পদক জয় কৰিছে।

এজাক উৎসাহী শিশুৰ লগত শোভমে প্ৰতিদিনে স্কেটিঙ হিমক্ৰীড়াক্ষেত্ৰত প্ৰশিক্ষণ লাভ কৰে। পঢ়া শুনা আৰু তেওঁৰ প্ৰিয় খেলটোৰ লগত তাল মিলাই ৰখাটো শোভমৰ বাবে একো সমস্যা নহয়। সপ্তাহৰ শেষত ৩৫ কিলোমিটাৰ ৰাস্তাৰ ওপৰেদি স্কেটিঙ কৰাটো শোভমৰ প্ৰশিক্ষণৰ অংশ। তেওঁ কোনো বিশেষ খাদ্য বা শাৰীৰিক তথা মানসিক স্বাস্থ্যৰক্ষাৰ বিধি মানি নচলে, কিন্তু প্ৰশিক্ষকে কোৱা প্ৰতিটো কথাই শোভমে পৰম মনোযোগেৰে মানি চলে। তেওঁ পঢ়া ফাডাৰ এগ্নেল স্কুলে শোভমক বিভিন্ন প্ৰতিযোগিতাত ভাগ ল'বলৈ প্ৰয়োজনীয় উৎসাহ দিয়ে আৰু পৰীক্ষাৰ বাবে নিজকে সাজু কৰিবলৈ অতিৰিক্ত সময়ো দিয়ে।

ক্ৰীড়াত পাৰদৰ্শিতা দেখুৱাব খোজা সকলোৰে প্ৰতি শোভমৰ আন্তৰিক পৰামৰ্শ হ'ল কঠোৰ শ্ৰম কৰা আৰু মা দেউতাক গৌৰৱান্বিত কৰা। অলিম্পিকত ভাগ লৈ ভাৰতলৈ সুমান কঢ়িয়াই আনি আন্তঃৰাষ্ট্ৰীয় স্তৰত ভাৰতক প্ৰতিষ্ঠা কৰিবলৈ তেওঁৰ আছে তীব্ৰ ইচ্ছা। এঢলীয়া তল্, বেল আৰু পাইপৰ ওপৰেদি সহজেই আগবাঢ়ি যাব পৰা এই আচৰিত শিশুৱে এই লক্ষ্যত উপনীত হ'ব পাৰিব যেন নালাগেনে বাৰু তোমাৰ? চান্দমামাই এই শিশুক উচিত সন্মান দি উদীয়মান তাৰকাৰ শিতানত স্থান দিছে।

বান পিন শ্বান

"গৰম আৰু সোৱাদলগা পিঠা! এটাত দহ চেন্ট, দুটাত ২০ চেন্ট আৰু তিনিটা ল'লে বিনামূলীয়াকৈ দিয়া হ'ব!"

পিন শ্বান পৰ্বতৰ নামনিৰ অকণমানি গাঁওখনৰ মানুহবোৰে অবাক হৈ চাই ৰ'ল। বিনামূলীয়াকৈ পিঠা দিব খোজা এইজন কেনে ধৰণৰ মূৰ্খ মানুহ।

এই কণ্ঠ আছিল এজোপা বটগছৰ তলত বহি থকা ফটা-ছিটা কাপোৰ পিন্ধা এজন বৃদ্ধৰ। শোতোৰা শোতোৰ মুখ, ঢেলা চকুৰে মানুহজনে হাতত এটা ডাঙৰ পাচি লৈ আছিল।

"ঘূৰণীয়া পিঠা, কাচিজোনৰ নিচিনা পিঠা, সিজোৱা পিঠা, সেকা পিঠা, মূৰ্গীৰ ঠেং আৰু মিছা মাছৰ পূৰ দিয়া পিঠা, ৰঙা বীণ আৰু তিল দিয়া পিঠা!" তেওঁ ডাঙৰকৈ চিঞৰিলে।

পিঠাবোৰৰ নাম শুনি মানুহবোৰৰ জিভাৰ পানী পৰিবলৈ ধৰিলে। তেওঁলোকে মানুহজনৰ চাৰিওফালে গোট খালেহি। পিঠা তেওঁলোকৰ প্ৰিয় খাদ্য আছিল। চাউলৰ গুৰিৰে বনোৱা আৰু মাংস, পাচলি, মিঠাই ইত্যাদি বিভিন্ন পূৰ দিয়া এই পিঠা বিনামূলীয়াকৈ দিয়া শুনি টাইৱানৰ কোনো মানুহেই কাষ চাপি নহাকৈ থাকিব নোৱাৰে।

"আহক আহক, কথা পতা বন্ধ কৰি কিনক! এটা লয় যদি দহ চেন্ট, দুটা লয় যদি বিচ চেন্ট আৰু যদি আপুনি তিনিটা খায় তেন্তে আপুনি একো দিব নালাগে।" বৃদ্ধ মানুহজনে চিঞৰিলে।

"মই তিনিটা খাম!" বিঘেদ ৱাং নামৰ গাঁওখনৰ আটাইতকৈ শকত মানুহজনে চিঞৰিলে। খোৱাৰ নাম শুনিলে এই মানুহজন বৈ থাকিব নোৱাৰে। "মোক এটা মূৰ্গী মাংস ভৰোৱা পিঠা, এটা মিছা মাছৰ আৰু এটা চাউলৰ পিঠা দিয়া।"

বুঢ়া মানুহজনে পাচিৰপৰা এটা পিঠা উঠাই আনিলে। পিঠাটো এটা আপেলৰ সমান ডাঙৰ আছিল।

বিঘেদ ৱাঙে প্ৰায় থপিয়াই অনাদিয়েই

চান্দমামা কুইজ-১১ ডিচেম্বৰ ২০০৮ উত্তৰসমূহ:

১.ফাহিয়ান; ২.এক নৱেম্বৰ ১৯৫৪;৩.তেওঁ ভাৰতৰ প্ৰধানমন্ত্ৰী হৈছিল; ৪.চাৰ থমাচ ৰ',১৬১৫ চনত; ৫.প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ ভগ্নী, ১৯৫৬ চনত, সংযুক্ত প্ৰদেশৰ মুখ্যমন্ত্ৰী আৰু ছোভিয়েট ইউনিয়নত ভাৰতৰ ৰাষ্ট্ৰদূত; ৬.দিল্লীৰপৰা শাসন কৰা প্ৰথম মহিলা, ইলতুৎমিচ।

তেওঁৰ হাতৰপৰা আনি পৰম তৃপ্তিৰে মাংস ভৰোৱা পিঠাটো চোবাবলৈ লাগিল। তাৰ পিছত মিছা মাছ দিয়া পিঠাটো খাবলৈ ধৰিলে। তাৰ পাছত ডাঙৰকৈ এটা উগাৰ মাৰিলে। তেওঁৰ পেট ইমানেই ভৰি গৈছিল যে তেওঁ লৰচৰ কৰিব নোৱৰা হ'ল।

তাৰ পিছত তৃতীয়টো পিঠা তেওঁ ৰাতিৰ সাঁজলৈ বুলি জেপত ভৰাই ল'লে। তাকে কৰা দেখি বৃদ্ধ মানুহজনে ক'লে, "বিচ চেন্ট দিব লাগিব বোপা।"

"এক মিনিট, এক মিনিট!" বিঘেদ ৰাঙে চিঞৰিলে, "আপুনি কৈছিল যে তিনিটা ল'লে বিনামূলীয়াকৈ দিব।"

"সেয়া যদি তিনিওটা তুমি নিজে খোৱা তেতিয়াহে," বৃদ্ধ মানুহজনে সৰু মাতেৰে উত্তৰ দিলে।

"কি?" বিঘেদ ৰাঙে চিঞৰি সুধিলে। "সেইটো কি কথা?"

"সেইটোৱে নিয়ম। যদি তুমি তিনিওটা নিজে খোৱা, মোৰ চকুৰ আগতে, তেন্তে তুমি একো দিব নালাগে। যদি তুমি সেয়া ঘৰলৈ লৈ যোৱা তেন্তে মোক ত্ৰিশ চেন্ট দিয়া।" বুঢ়া মানুহজনে ক'লে।

"অস," ৰাঙে চিন্তা কৰাদি মূৰ লৰাই ক'লে, "যদি মই তিনিটা পিঠা খাওঁ, মই তোমাক একো দিব নালাগে। নহয়নে?"

"হয়, সেইটো সঁচা কথা।" বুঢ়া মানুহজনে ৰহস্যজনক হাঁহি এটা মাৰি ক'লে।

বিঘেদে তেতিয়া চাউলৰ পিঠাটো লৈ মুখত ভৰালে তেওঁৰ পেটত ঠাই নাছিল, তেওঁ প্ৰায় সেইটো মুখৰপৰা উলিয়ায়েই দিব খুজিছিল, কিন্তু পিছমুহূৰ্ত্ততে নিজক চম্ভালি ল'লে। অৱশেষত তেওঁ গোটেই পিঠাটো শেষ কৰিলে: "চাওক, মই তিনিওটা পিঠা শেষ কৰিলোঁ।"

বুঢ়া মানুহজনে তেওঁক যাবলৈ ইঙ্গিত দি অন্যফালে ঘূৰিল। তেওঁক পইচা নিদিয়াকৈ যোৱা দেখি বাকী মানুহবোৰেও পাচিটোৰ চাৰিওফালে গোট খালেহি। সকলোৱে "মোকো তিনিটা লাগে," "মোকো তিনিটা লাগে," বুলি চিঞৰিবলৈ ধৰিলে। বুঢ়া মানুহজনেও গৰ্বেৰে সকলোকে সোৱাদলগা পিঠা বিলাই যাবলৈ ধৰিলে।

প্ৰায় গোটেই গাঁওখনেই তেওঁৰ পিঠাৰ সোৱাদ ল'লে। কিন্তু তাৰপিছত তেওঁলোকৰ অৱস্থা কাহিল হৈছিল। তেওঁলোকৰ পেট

ইমানেই ভৰি পৰিছিল যে বটগছৰ তলত বহি তেওঁলোকে কেৱল গেথাই আছিল।

"মই দুটা পিঠা ল'ব পাৰোঁনে?" এটা কোমল মাত বৃদ্ধৰ কাণত পৰিল। তেওঁ মূৰ দাঙি চাই দেখিলে এটা দহ বছৰীয়া ল'ৰা। তাৰ হাতত কেইটামান মুদ্ৰা। "এইখিনি ধন লওক, মোক দুটা মিঠা নাৰিকলৰ পিঠা দিবনে?" ল'ৰাটোৱে নম্ৰভাৱে সুধিলে।

মাটিত বহি থকা গাঁওবাসীয়ে মূৰ তুলি চালে। "মিঙ, তিনিটা লোৱা, তুমি বৰ মূৰ্খ দেই, তিনিটা ল'লে ধন দিব নালাগে!" বিঘেদ ৰাঙে চিঞৰি ক'লে।

"নহয়, মোক তিনিটা নালাগে। মোক কেৱল নিজৰ বাবে এটা আৰু মাৰ কাৰণে এটা লাগে।" মিঙে উত্তৰ দিলে, "মায়ে ঢাবি বিক্ৰী কৰে। মই জানো সেইবোৰ তৈয়াৰ কৰিবলৈ মায়ে দিনটো কিমান কষ্ট কৰে। কোনোবাই যদি মাৰ ঢাবি লৈ ধন নিদিয়ে তেন্তে মোৰ খুব খঙ উঠে।" এই সোৱাদলগা পিঠাবোৰ বনাবলৈ বুঢ়া মানুহজনে কম কষ্ট কৰিবলগীয়া হৈছেনে! তেওঁৰ কষ্টৰ উচিত মূল্য দিয়াটোহে ভাল কথা হ'ব।"

ল'ৰাটোৰ কথা শুনি বুঢ়া মানুহজনে আনন্দৰ হাঁহি মাৰিলে। সকলোকে আচৰিত কৰি হঠাতে বুঢ়া মানুহজন অদৃশ্য হ'ল আৰু এটা আকাশীবাণী শুনা গ'ল, "ময়েই পিন শ্বাহ পৰ্বতৰ দেৱতা যি এজন বুঢ়া মানুহৰ ৰূপত আহিছিল। মোৰ উত্তৰাধিকাৰী হ'বলৈ মই এজন সৎ আৰু যোগ্য মানুহ বিচাৰিছিলো আৰু মই সেই দায়িত্বৰ বাবে মিঙক পালো।"

"তোমালোক বাকীবোৰে মন দি শুনা। মোৰ পিঠাৰ ভিতৰৰ সোৱাদলগা বস্তুবোৰ আচলতে আছিল মোৰ পৰ্বতৰ বোকাহে।"

লুভীয়া গাঁওবাসীয়ে চিঞৰ বাখৰ কৰি নিজ নিজ ঘৰলৈ গ'ল। খঙ আৰু হতাশাৰে সকলোৱে খোৱা পিঠাবোৰ বমি কৰি দিলে। ভাগৰত ঘৰৰ বাহিৰলৈ ওলাই সকলোৱে দেখিলে পৰ্বত দেৱতাই নিজেই আহি মিঙক আগবঢ়াই নিছেহি।

এতিয়াও যদি তুমি ট্ৰেইনেৰে দক্ষিণ টাইৱানৰ কাওচিয়াঙ চহৰলৈ যোৱা তেন্তে তুমি এটা দেখিলেই হাঁহি উঠা ধৰণৰ এটা পৰ্বত দেখিবা। ইয়াৰ নাম হ'ল বান পিন শ্বান, যাৰ অৰ্থ হ'ল 'কিহবাৰ আধা,' ইয়াৰ আকৃতি সাধাৰণ এটা পৰ্বতৰ দৰেই কিন্তু ইয়াৰ এটা ফাল নাই, কোনোবাই যেন কটাৰীৰে পৰ্বতটোৰ আধাখিনি কাটিহে নিলে।

- ৰাধিকা মেগানাথনৰদ্বাৰা পুনৰকথিত

ইউৰেকা

তৈয়াৰ কৰা তোমাৰ নিজৰ জাগ্ৰত আগ্নেয়গিৰি

আগ্নেয়গিৰিৰ কথা ভাবিলেই তোমাৰ মনটো পুলকিত হৈ উঠে নেকি বাৰু? ঘৰতে এটা জাগ্ৰত আগ্নেয়গিৰি তৈয়াৰ কৰাৰ এটা সহজ আৰু নিৰাপদ উপায় আছে।

তোমাক কি লাগিব:

পেপাৰ কাপ, টিন ফইল, মডেলিঙ ক্লে, ট্ৰে বা কাৰ্বোড।

লাভাৰ বাবে:

বেকিঙ চ'ডা, হুৱাইট ভিনেগাৰ, ডিশ্ব্ ৱাশ্ব্ লিকুইড, ফুড কালাৰ (হালধীয়া আৰু ৰঙা)।

কেনেকৈ কৰিবা:

- এখন ট্ৰে বা কাৰ্ডবড শ্বিট লোৱা আৰু পেপাৰ কাপটো ঠিক সোঁমাজতে থৈ দিয়া। কাপটোৰ চাৰিওফালে ফইলখন মেৰিয়াই দিয়া, কাপটোৰ পাৰত ফইলখন ভাঁজ লগাই দিয়া।
- ফইলৰ অৱশিষ্ট অংশটোক এটা পৰ্বতৰ ৰূপ দি ভাঁজ কৰা। এইটো কৰিবলৈ তোমাক দুখনমান ফইল লগা হ'ব পাৰে। তুমি ইয়াকে নকৰি পেপিয়াৰ মাচ্ ব্যৱহাৰ কৰিও তোমাৰ পৰ্বতটো ডিজাইন কৰিব পাৰা।
- মডেলিঙ ক্লে ব্যৱহাৰ কৰি টিন ফইলৰ ওপৰত আৰু কাপৰ পাৰত এটা আৱৰণ দিয়া যাতে তোমাৰ পৰ্বতটো আৰু বেছি জীৱন্ত হৈ উঠে।
- প্ৰতিটো ৰঙৰ ফুড কালাৰ এচামুচকৈ কাপৰ ভিতৰত লৈ ভালদৰে মিহলি কৰা।
- তিনি চামুচ বেকিঙ চ'ডা আৰু এচামুচ ডিশ্ব্ ৱাশ্ব্ লিকুইড মিহলোৱা।
- এতিয়া এই মিশ্ৰণটোত এটা সৰু কাপেৰে একাপ ভিনেগাৰ মিহলাই দিয়া।
- এইবাৰ লাভাৰ পাল! চাই থাকা তোমাৰ আগ্নেয়গিৰিয়েদি কেনেকৈ লাভাৰ উদগীৰণ হৈছে।

অৱধাৰণা:

ভিনেগাৰ আৰু বেকিঙ চ'ডাই (চ'ডিয়াম বাইকাৰ্বনেট) বিক্ৰিয়া কৰি এটা প্ৰস্ফুৰণ (বুৰবুৰণি আৰু ফেন উঠা) বিক্ৰিয়াৰদ্বাৰা কাৰ্বন ডাই অক্সাইড আৰু পানী সৃষ্টি কৰে। এইটো হ'ল এটা এছিড আৰু ক্ষাৰৰ মাজত হোৱা ৰাসায়নিক বিক্ৰিয়া। ডিশ্ব্ ৱাশ্ব্ লিকুইডে মিশ্ৰণটোক সান্দ্ৰতা প্ৰদান কৰি ইয়াক বেছি "লাভাৰ দৰে" কৰি তোলে।

ঘৰলৈ আহিলো ঘূৰি

দেখাত সুন্দৰ আৰু টেক্সীত অহা মানুহজনৰ বয়স হৈছিল প্ৰায় ত্ৰিছ বছৰ। তেওঁ ৰাজস্থানৰ আৰাৱলী পাহাৰীয়া এলেকাত থকা স্নেহ কা মালা নামৰ সৰু গাঁওখনলৈ আহি আছে। খৰাং পৰিস্থিতিত দুৰ্ভিক্ষত প্ৰাণ হেৰুৱা দেউতাকৰ মৃত্যুৰ বেদনা লৈ চৈধ্য বছৰীয়া অৰবিন্দ গুজ্জাৰে গাঁও এৰি ওলাই আহিছিল।

অৰবিন্দৰ মনলৈ আহিল ইটোৰ পাছত সিটোকৈ স্মৃতিৰ দুখৰীয়া ছবি। ক্ষুধা আৰু তৃষ্ণাৰ অবৰ্ণনীয় যাতনা, কৰ্ম আৰু খাদ্যৰ সন্ধানত এখন অচিনাকি মহানগৰীলৈ তেওঁ কৰা যাত্ৰা, ৰঙচঙীয়া ব্লাউজ আৰু ৰঙা পাল্লুৰে ক্ষীণ অথচ অতীব সুন্দৰ মাকৰ মুখখন, তেওঁৰ মৰমৰ ম'হ 'মায়ী' আৰু তাইৰ পোৱালিটো যাক এৰি দিয়া হৈছিল পশুখাদ্যৰ অভাৱৰ বাবে আৰু সেই মন প্ৰাণ হৰি নিয়া হাঁহিটোৰ সৈতে তেওঁৰ মৰমৰ বন্ধু গোপাল...

"আমি আহি পালেহি" ড্ৰাইভাৰে ক'লে। কেউদিশে সেউজীয়া এট পৰিৱেশ দেখি অৰবিন্দই ভাবিলে, এইখনেই তাৰ নিজৰ গাঁওখন হয়নে বাৰু? তাৰ মনত পৰিল টীকাফটা ৰ'দত একলহ পানী আৰু এমুঠি খাদ্য ৰান্ধিবলৈ কেইডালমান খৰি বিচাৰি মাইলৰ পাছত মাইল খোজ কাঢ়ি যোৱা মাকৰ কথা!

অৰবিন্দই মন কৰিলে এটা শোভাযাত্ৰা তাৰ ফাললৈকে আহি আছে। এজোপা গছৰ ছাঁত অৰবিন্দই অপেক্ষা কৰিলে। মানুহবোৰে ৰঙ বিৰঙৰ কাপোৰ পিন্ধিছে। তেওঁলোকে সমস্বৰে গাইছে এটি গীত। গীতৰ কলিত আছে ৰাইজক দেখুওৱা অনুকম্পাৰ বাবে ৰূপাৰেল নদীৰ প্ৰশস্তি। গোটেই দলটোৰ মুখবোৰত জিলিকিছে প্ৰশান্তি, আনন্দ আৰু ভৰা পেটৰ স্বাচ্ছন্দ।

আগবাঢ়ি অহা এজন মানুহে অৰবিন্দক সুধিয়েই পেলালে, "তুমি কোনফালে যাবা ভাইটি?" অৰবিন্দই সুধিলে, "স্নেহ কা মালা গাঁৱলৈ যোৱা বাটটো অনুগ্ৰহ কৰি মোক



চান্দমামা কুইজ-১১ ডিচেম্বৰ ২০০৮:

আমাৰ অসমীয়া সংস্কৰণৰ কোনো পাঠকৰে প্ৰৰিষ্টিত আটাইবোৰ প্ৰশ্নৰ শুদ্ধ উত্তৰ পোৱা নগ'ল। সেয়েহে কোনো পুৰস্কাৰ দিয়া হোৱা নাই। আমাৰ পাঠকসকলৰ সুবিধাৰ্থে, কুইজ-১১ ৰ উত্তৰবোৰ দিয়া হৈছে ৩৮ পৃষ্ঠাত। চান্দমামা কুইজ প্ৰতিযোগিতাত অবিৰতভাৱে ভাগ লৈ থাকিবা, এই আশাৰে।

দেখুৱাই দিবনে?" ময়েই সেইখন গাঁৱৰ চৰপঞ্চ," অন্তৰ চুই যোৱা হাঁহি এটাৰে মানুহজনে উত্তৰ দিলে। এই হাঁহি অৰবিন্দৰ চিনাকি হাঁহি। "গপু! মই তোমাৰ বন্ধু অভু! তোমাৰ মনত নপৰেনে?" চকুত আনন্দৰ অশ্ৰু লৈ দুয়ো দুয়োকে আলিঙ্গন কৰিলে। "তোমাৰ মায়ে খুব ভাল পাব," গোপালে আৰু একো ক'ব নোৱাৰিলে।

কিমান যে কথা পাতিবলৈ আছিল, কিন্তু প্ৰথমতে মাকক চাবলৈ অৰবিন্দ উদগ্ৰীৱ হৈ আছে। অৰবিন্দৰ ঘৰটোৰ ফালে আঙুলিয়াই দি গোপালে খোজৰ গতি বঢ়াই দিলে, শোভাযাত্ৰাটোক লগ ধৰিবলৈ।

গছ এজোপাৰ ছাঁত বহি আছিল টিথলীবাঈ। ইমানদিনৰ মূৰত পুতেকক আকোৱালি ল'বলৈ পাই বৃদ্ধাৰ মুখৰ মাত হেৰাই গ'ল। ইফালে, অৰবিন্দক লগ ধৰিবলৈ গাঁৱৰ বহুত মানুহ আহিল। তাৰ নতুন চেহেৰাত বহুতেই আশ্চৰ্য প্ৰকাশ কৰিলে, কিন্তু ইয়াত-কৈয়ো আচৰিত পৰিৱৰ্তনৰ সৈতে এইখিনি মানুহ অভ্যস্তঃ এটা নতুন জীৱন পোৱা এখন নদী, মুগা বৰণৰপৰা সেউজীয়া ৰূপ লোৱা একৰৰ পাছত একৰ ভূমি।

গাঁওখনৰ এই অভাৱনীয় পৰিৱৰ্তনৰ আঁৰৰ কাৰণ অৰবিন্দই জানিবই লাগিব। সোনকালেই গোপালে কৈ উঠিল এই গোটেইবোৰ ঘটনা ঘটিছে সি গাঁৱৰপৰা আঁতৰি থকা যোৱা ষোল্ল বছৰত।

"মনত পৰেনে আমাৰ ককা আইতাই কোৱা সেই কাহিনীবোৰ, কেনেকৈ পাহাৰৰ নামনিত তেওঁলোকে জ'হাদ (বোকাৰ বেৰেৰে সজা অৰ্দ্ধবৃত্তকাৰ পুখুৰী) আৰু সৰু বান্ধ সাজি কমকৈ হোৱা বৰষুণৰ পানী ধৰি ৰখা হৈছিল। মনত পৰেনে গোটেই বছৰ বৈ থকা ৰূপাৰেল নদীৰ কাহিনী আৰু গাঁৱৰ সেউজ উৰ্বৰ মাটিৰ কথা?"

গোপালে কৈ গ'ল, "তুমি গাওঁ এৰি যোৱাৰ কেইদিনমান পাছতে গাঁৱলৈ আহিল এক তৰুণ, শিক্ষিত আৰু শুভাকাংখী যুৱক যুৱতীৰ দল। খৰাঙ অৱস্থাৰ বিৰুদ্ধে যুঁজ দিবলৈ তেওঁলোকে আমাৰ গাঁওবাসীক সহায় কৰিব খুজিছিল। আমাৰ বয়োজ্যেষ্ঠ সকলক তেওঁলোকে খাটিৰ কৰিছিল জ'হাদ আৰু বান্ধৰ কাহিনী ক'বলৈ। আমাক প্ৰায়েই কোৱা সেই একেবোৰ কাহিনীকে আমাৰ আইতাহঁতে কৈ গৈছিল সেই যুৱকৰ দলটোক। ভাঙি ছিঙি যোৱা জ'হাদবোৰৰ আৰু বান্ধবোৰৰ পুনৰ নিৰ্মাণত দলটোৱে বিচাৰিছিল অগ্ৰজসকলৰ অমূল্য জ্ঞান আৰু প্ৰজ্ঞা।

"পুৰণি বান্ধ উদ্ধাৰৰ এই অভিনৱ প্ৰচেষ্টাত সোনকালেই পুৰুষ নাৰী সকলোৱে হাত উজান দিলে," গোপালে কৈ গ'ল।



"মেৰামতি কৰা জ'হাদবোৰে আকৌ এবাৰ পানী ধৰি ৰাখিব পৰা হ'ল। ভূগৰ্ভৰ পানীৰ পৃষ্ঠ ওপৰলৈ উঠি আহিল আৰু মাটি সেউজীয়া হৈ আহিল। প্ৰথমতে, পানীখিনিয়ে কোনোমতে গাঁৱৰ প্ৰয়োজন পূৰণ কৰিছিল। কিন্তু এবাৰ এটা গ্ৰীষ্মত নৈখন শুকাবলৈ অমান্তি হ'ল। শস্যৰ বীজ সিঁচি দিলো আমি। নগৰ মহানগৰৰপৰা ঘূৰি অহা অনেকেই হাতত নাঙল তুলি ল'লে, গৰু ম'হবোৰ ঘূৰি আহিল, কেউকাষৰ অৰণ্যানিত চৰায়ে গান গাবলৈ ল'লে।"

"আজি আমি সতেজ পানী বিচাৰি খুব বেছি পাঁচ দহ মিনিট খোজ কাঢ়িব লাগে। ধৰিত্ৰীয়ে ইমান বেছি খাদ্য দিয়ে যে সকলোবোৰ পৰিয়ালে পেট ভৰাই খোৱাৰ পাছত অৱশিষ্টখিনি আমি বজাৰত বেচিব পাৰো। গৰু ম'হৰ সংখ্যা বাঢ়ি আহিছে আৰু সেইবোৰে ইমান বেছি গাখীৰ দিয়ে যে আমাৰ লগাখিনি খাই বাকীখিনিৰে আমি ঘী তৈয়াৰ কৰি বজাৰত বেচিব পাৰো। এই কাহিনীৰ শেষ নাই, কিন্তু সবাতোকৈ গুৰুত্বপূৰ্ণ পৰিৱৰ্তনটো আহিল আমাৰ চিন্তা আৰু সত্তাৰে, আমি বুজি পালো আমাৰ ক্ষমতাৰ কথা, পৰম্পৰাগত প্ৰজ্ঞাৰ যাদুকৰী শক্তিৰ কথা, এতিয়া আৰু কোনেও আমাক মূৰ্খ সজাব নোৱাৰে।"

কথাবোৰ তন্ময় হৈ শুনি থকা অৰবিন্দই গমেই নাপালে তাৰ গাল দুখন সিক্ত হৈ অহাৰ কথা। আচলতে অৰবিন্দ গাঁৱলৈ আহিছিল তাৰ বাল্যবন্ধু গোপালক চহৰলৈ লৈ যাবলৈ, যাতে এটা কাম বিচাৰি সি কটাব পাৰে এটা সুখৰ জীৱন। কিন্তু গাঁৱখনক স্বৰ্গ কৰি তোলা তাৰ এইজন বন্ধুক আৰু কি সুখ লাগে, সুখ বিচাৰি তেওঁ ক'লৈ যাব লাগে? অৰবিন্দক জোকাৰি গ'ল এছাটি শীতল, সতেজ বতাহে। ঘৰলৈ আহি সি যে কিমান ভাল কাম কৰিলে! - *এৰিকা তাৰাপ'ৰৱালা*

কেম্ব্ৰিজৰ কনিষ্ঠতম স্কলাৰ

আঠ বছৰ বয়সত বেছিভাগ শিশুৱেই খেলাধূলা কৰি ভাল পায়। কিন্তু আঠ বছৰীয়া নাইনাই যোৱা বছৰৰ জুন মাহত কেম্ব্ৰিজ বিশ্ববিদ্যালয়ে পৰিচালনা কৰা Grade X iGCSe পৰীক্ষাত উত্তীৰ্ণ হয়। এই কৃতিত্ব লাভ কৰা তেওঁ হ'ল কনিষ্ঠতম দক্ষিণ এচিয়াৰ ব্যক্তি।

এই কৃতিত্ব তেনেই সহজভাৱে লোৱা এই আচৰিত শিশুৱে এতিয়া বাক্কালৰেট পৰীক্ষাত বহিবলৈ মন মেলিছে। নাইনাৰ মাক ভাগ্যলক্ষ্মীৰ মতে, "প্ৰথম শ্ৰেণীত থাকোতেই পঢ়াৰ প্ৰতি তাইৰ ধাউতি আৰু দখল দেখি দেউতাকে (অশ্বানী কুমাৰ) তাই খেলাৰ মাজেৰে কথা শিকিবলৈ পৰাখিনি সকলো কৰিলে। হাঁহ পানীত নামিলে হোৱাৰ দৰে সহজভাৱে তাই পাঠ্যপুথিবোৰ আকোৱালি ল'লে। আনকি এজন প্ৰাপ্তবয়স্কৰো টান কাম ইমানবোৰ তথ্য পাতি এই কণমানি ছোৱালীজনীয়ে বাৰু মনত ৰাখে কেনেকৈ? "তাইৰ বিদ্যা মুখস্থ বিদ্যা নহয়। প্ৰতিটো বিষয়ৰে অৱধাৰণাসমূহ তাইক প্ৰথমে বুজিবলৈ দিয়া হয় আৰু এটা সময়ত তাই জটিলৰপৰা জটিলতৰ প্ৰশ্নৰ উত্তৰ দিব পৰা হয়?" ভাগ্যলক্ষ্মীয়ে কয়।

বৰলৰ বন্ধু

চণ্ডীগড়ৰ পাঁচ বছৰীয়া শিশু ৰবী সিঙে চকলেটৰ পাছে পাছে দৌৰ নামাৰে। তাৰ পৰিৱৰ্তে তেওঁ খায় বিষাক্ত বৰল! বৰল বা আন বিষাক্ত পতঙ্গবোৰৰ সোৱাদৰ বাবে ৰবী প্ৰায় পাগল।

এই শিশুটিয়ে মুখত বৰল লৈ ইমান ভাল পায় যে তেওঁ সেইবোৰ "মিঠা" পায়। বিশেষকৈ জিভাত বৰলে কামুৰিলে ৰবীয়ে এটা বিশেষ আনন্দ উপভোগ কৰে। ফাটেহবাদ জিলাৰ তেওঁৰ নাঙল গাঁৱত ৰবীক সকলোৱে আচৰিত জ্ঞান কৰে আৰু তেওঁ বৰল খোৱা চাবলৈ অহা মানুহৰ লানি নিছিগে।

"এইবোৰ আজি দুবছৰৰ আগতে হঠাতে আৰম্ভ হৈছিল," ৰবীৰ দেউতাক কাল্লা সিঙে কয়, "সি এইবোৰ খাবলৈ লোৱাৰে পৰা মই তৰনো হৈছে কি তাক দেখুৱাবলৈ এজনৰ মাজত এজন ডাক্তাৰৰ ওচৰলৈ গৈছো।" পিছে ৰবীয়ে তেওঁৰ এই অস্বাভাৱিক ব্যৱহাৰত একো বেয়া কথা নেদেখে। তেওঁৰ অৱশ্যে বহুত বন্ধু নাই।

Rs.25/- only
Amazing
Big
Chandamama
Dhamaka
Chandamama Gives You
More!
This February 2009, Chandamama issue + CD contains:
72 pages of VIBGYOR- all yours!
12 archival issues of Chandamama English
Panchatantra Stories
Animation Film!
All for Rs 500/- Rs. 25/- only!
Watch out for More! in the March Issue.
FREE along with the Chandamama English magazine February 2009 issue
NOT FOR SALE - CD is not for exclusive sale but is part of the magazine - combo pack
The accompanying CD runs in Win. O/S only. The archival issues will open in Acrobat Reader only.

প্ৰয়োজনীয় কথা

গংগা নদীৰ পাৰত থকা লক্ষ্মীপুৰত দয়ানিধি নামৰ এজন নামজ্বলা বেপাৰী আছিল। তেওঁৰ নাতিয়েক গোপালে যোল্ল বছৰ বয়সতে সকলো শাস্ত্ৰই অধ্যায়ন কৰি শেষ কৰিছিল। গোপালৰ ঘৰত সদায় শান্তি বিৰাজ কৰিছিল, কিন্তু তেওঁৰ বন্ধুবৰ্গৰ ঘৰত আছিল কেৱল অশান্তি। "ঘৰবোৰত দেখা দিয়া অশান্তিৰ মূল কাৰণ হ'ল স্বাৰ্থ। তোমাৰ ঘৰত তোমাৰ ককাই তিৰোতাসকলক নিয়ন্ত্ৰণত ৰাখে। তেওঁলোকক সীমা পাৰ হ'বলৈ নিদিয়ে। কিন্তু আমাৰ ঘৰৰ পুৰুষসকলৰ না ইমান সাহস আছে না শক্তি," তেওঁৰ বন্ধুবোৰে গোপালক কৈছিল।

এনেবোৰ কথা শুনি গোপালে বিবাহ কৰিব খোজা নাছিল। মাক দেউতাকে যি ছোৱালী-য়েই দেখুৱায় তাৰে এজনী ছোৱালীকো বিয়া কৰিবলৈ গোপাল ৰাজী হোৱা নাছিল।

দয়ানিধিয়ে এই কথা গম পাই এদিন নাতিয়েক গোপালক মতাই আনি ক'লে, "মহাত্মা-সকলক বাদ দি পৃথিৱীৰ সকলো মানুহেই স্বাৰ্থপৰায়ণ। স্বাৰ্থৰ প্ৰশ্নত, পুৰুষ আৰু মহিলাৰ মাজত কোনো পাৰ্থক্য নাই। কিন্তু নিজৰ বিষয়ে ভবা পুৰুষৰ স্বাৰ্থতকৈ সেইগৰাকী স্ত্ৰীৰে স্বাৰ্থ বেছি মহান যি নিজৰ আত্মীয়ৰ কথা বেছিকৈ ভাবে। সেয়েহে সেই স্বাৰ্থক প্ৰেম আৰু ত্যাগ নামেৰেও জনা যায়," এইবুলি ককাকে হিতোপদেশ দিলে।

ককাকৰ কথাই গোপালৰ ওপৰত প্ৰভাৱ পেলালে। সি ঘোষণা কৰিলে যে ককাকে দেখুৱাই দিয়া এজনী ছোৱালীকে সি বিবাহ কৰিব। কিন্তু দয়ানিধিয়ে সেই কথাৰ বিৰোধিতা কৰি ক'লে, "বন্ধুৰ কথা শুনিয়েই তুমি বিবাহ কৰাবলৈ অমান্তি হৈছিলা। মই কোৱাৰ লগে লগে তুমি বিয়া কৰিবলৈ মান্তি হ'লা। তুমি সকলো শাস্ত্ৰ অধ্যয়ন কৰিলা কিন্তু তোমাৰ ব্যৱহাৰিক জ্ঞান নাই। যিকোনো বিষয়ত যেতিয়া তুমি নিজেই সিদ্ধান্ত ল'ব পাৰিবা তেতিয়াহে এই

বসুন্ধৰা

কথা ক'ব পৰা যায় যে তোমাৰ বুদ্ধিৰ বিকাশ হৈছে, তেতিয়ালৈকে তুমি দেশভ্ৰমণ কৰি আঁহাগৈ।"

দেশভ্ৰমণ কৰি গোপাল বহুত প্ৰান্তলৈ গ'ল। ঘূৰি ঘূৰি সি গোদাবৰী নদীৰ পাৰৰ মহাপুৰত উপস্থিত হ'বগৈ। যেতিয়া সি গোদাবৰী নদীত স্নান কৰি আছিল তেতিয়া কলহত পানী ভৰাবলৈ তালৈ আহিল এগৰাকী সুন্দৰী। গোপালে কন্যাৰ সৌন্দৰ্য দেখি মুগ্ধ হ'ল। নিজৰ বিষয়ে সকলো কথা কৈ গোপালে কন্যাগৰাকীক ক'লে, "তোমাক মোৰ ভাল লাগিছে। তোমাৰো যদি মোক ভাল লাগিছে তেন্তে মই তোমাৰ পিতৃ মাতৃৰ লগত কথা হৈ তোমাক বিবাহ কৰিব খোজো।"

এজন অপৰিচিত ব্যক্তিৰ মুখত এইবোৰ কথা শুনি কন্যাই লাজতে তলমূৰ কৰিলে। ভয়তে তাই তাৰপৰা গুচি গ'লগৈ।

ওচৰতে থিয় হৈ থকা বলৰামে তাইৰ কথা শুনিলে। সি গোপালক ক'লে, "এই ছোৱালীজনী মোৰ খুড়াৰ ছোৱালী, আমি কৃষক। যি ধনী, তেওঁহে তোমালৈ নিজৰ জীয়েকক বিয়া দিবলৈ সন্মতি দিব। মোৰ কথা বিশ্বাস হোৱা নাই যদি মোৰ লগত আঁহা আৰু তেওঁৰ মুখেৰেই কথাখিনি শুনি লোৱা।" এইবুলি কৈ বলৰামে গোপালক চন্দ্ৰলেখাৰ পিতা গুৰুনাথৰ ঘৰলৈ লৈ গ'ল। বলৰামে গোপালক তেখেতৰ সৈতে চিনাকি কৰাই দি ক'লে, "এওঁৰ নাম গোপাল। তেওঁৰ গাঁৱৰ বা তেওঁৰ গাঁৱৰ ওচৰে পাজৰে কোনেও তেওঁলৈ ছোৱালী বিয়া দিব খোজা নাই। সেয়েহে ইমান দূৰলৈ আহিছে। সেই নৈৰ পাৰতে তেওঁ আমাৰ চন্দ্ৰলেখাক দেখি পছন্দ কৰিলে। চন্দ্ৰলেখাই এওঁক বিয়া কৰিবলৈ ৰাজীও হৈছে, সেয়েহে মই এওঁক আপোনাৰ ওচৰলৈ আনিছো।"

গুৰুনাথৰ খুব খং উঠিল। গোপালে বাধা দি ক'লে, "বলৰামে কোৱা কথাবোৰ সঁচা নহয়। আপুনি ইচ্ছা কৰে যদি মই তাক প্ৰমাণ কৰিব পাৰো।" কিন্তু বলৰামে ক'লে, "তোমাৰ তালৈ অহা যোৱা কৰোতে বহুত খৰচ হ'ব। মোৰ খুড়াই তাৰ বাবে সন্মতি নিদিয়ে।"

তেতিয়াই শ্ৰীনাথ নামৰ গাঁৱৰ এজন অগ্ৰণী ব্যক্তি তালৈ আহিল। তেওঁ গোটেই কথাবোৰ জানি লৈ ক'লে, "গুৰুনাথ, তুমি জানাই বলৰামৰ মনটো দুষ্ট বুদ্ধিৰে ভৰা। তথাপিও তুমি তেওঁৰ কথা বিশ্বাস কৰিছা। চোৱা এইটো বৰ ভাল সম্পৰ্ক হ'ব। এনে এটা সুযোগ তুমি এৰি দিয়া উচিত নহ'ব।"

"যি কি নহওক, বলৰাম মোৰ ককাইদেউৰ ল'ৰা। আমিতো গোপালৰ বিষয়ে একোৱেই নাজানো। তেনে এজনলৈ বিয়া দি মই মোৰ ছোৱালীৰ জীৱনলৈ অন্ধকাৰ মাতি আনিম কিয়? হ'বই নোৱাৰে।" গুৰুনাথে ক'লে।

"এনেকুৱা কথা কিয় কৈছা? চন্দ্ৰলেখা তোমাৰ ছোৱালী যদি মোৰো ছোৱালীৰ নিচিনা। মই গোপালৰ কথা বিশ্বাস কৰিছো। চন্দ্ৰলেখাই যদি গোপালক পছন্দ কৰিছে তেন্তে তুমি এই বিবাহত সন্মতি দিয়া। গোপালৰ আত্মীয় কুটুম্বক খবৰটো দিয়াৰো ব্যৱস্থা কৰিম। তেওঁলোক আহিলে সঁচা কথাখিনিও গম পোৱা যাব। তেতিয়া সিদ্ধান্ত ল'বলৈয়ো সহজ হ'ব। এই বিবাহত চন্দ্ৰলেখা সুখী হ'ব বুলিয়েই মোৰ দৃঢ় বিশ্বাস।" শ্ৰীনাথে গুৰুনাথক বুজালে।

গুৰুনাথে শ্ৰীনাথৰ কথা শুনিলে। তেওঁ শ্ৰীনাথে কোৱামতে কাম কৰিলে। বিয়াৰ পাছত লক্ষ্মীপুৰলৈ যোৱাৰ আগতে গোপালে শ্ৰীনাথক ক'লে, "যিজনী ছোৱালীক মই পছন্দ কৰিলো সেইজনী ছোৱালীৰ সৈতে মোৰ বিয়া হ'ল। ইয়াৰ গোটেইখিনি কৃৰ্তিত্ব আপোনাৰ। আপোনাৰ এই উপকাৰৰ কথা মই আৰু মোৰ পত্নীয়ে সদায় মনত ৰাখিম।"

"মনত ৰাখিলেই যথেষ্ট নহ'ব। শুভকাৰ্যৰ সময়ত তোমালোক মোৰ ঘৰলৈ আহিও থাকিব লাগিব।" শ্ৰীনাথে ক'লে।

লক্ষ্মীপুৰ মহাপুৰৰপৰা বহুত দূৰত আছিল। তথাপি গোপাল প্ৰতি বছৰে শহুৰেকৰ ঘৰলৈ গৈছিল। তেওঁ শ্ৰীনাথৰ ঘৰলৈয়ো নিশ্চয় গৈছিল।

এনে সময়তে এদিন দুৰ্জয় নামৰ তেওঁৰ

এজন দূৰ সম্পৰ্কীয় লোক শ্ৰীনথৰ ঘৰলৈ আহিল, তেওঁ নিজৰ দুৰ্দশাৰ কথা ক'লে আৰু শ্ৰীনাথৰ ঘৰত আশ্ৰয় বিচাৰিলে। শ্ৰীনাথৰ তেওঁৰ প্ৰতি দয়া উপাজিল আৰু নিজৰ ঘৰত আশ্ৰয় দিলে। ৰাতি যেতিয়া সকলো লোক শুই আছিল তেতিয়া দুৰ্জয়ে গহনা ইত্যাদি চুৰি কৰি মনে মনে ঘৰৰপৰা বাহিৰ ওলাই আহিল। সেই সময়ত সেই দেশৰ ৰজাই ছদ্মবেশ ধৰি ৰাস্তাত ঘূৰি ফুৰিছিল। তেওঁ দুৰ্জয়ক হাতেলোটে ধৰা পেলালে। দুৰ্জয়ৰ হাতত কোনো অজুহাত নাছিল। সেই চোৰটোৱে ডাঙৰকৈ চিঞৰিবলৈ ধৰিলে।, তাৰ চিঞৰ শুনি প্ৰহৰীহঁত দৌৰি আহিল। তেওঁলো কোন সেই কথা জানিবলৈ নিদিয়াকৈ মহাৰাজ ক'লে, "দুৰ্জয়েই চোৰ।" কিন্তু দুৰ্জয়ে নিজকে শ্ৰীনাথৰ আত্মীয় বুলি কৈ ৰজাকেই চোৰ বুলি ক'বলৈ ধৰিলে। সঁচা কথাটো... কি সেই কথা জানি-

বলৈ প্ৰহৰীয়ে দুৰ্জয়ক শ্ৰীনাথৰ ঘৰলৈ লৈ গ'ল।

শ্ৰীনাথে গম পালে আচল কথাটো কি? তেওঁ মিঠা মিঠা কথা কৈ প্ৰহৰীহঁতক পঠিয়াই দিলে। তাৰপাছত ৰজাক প্ৰণাম কৰি ক'লে, "মই নাজানো তুমিনো কোন? মোৰ গহনাখিনি তুমি মোক ঘূৰাই দিলা সেয়েহে তোমাক অশেষ ধন্যবাদ। কিন্তু তুমি যাতে কাকো নোকোৱা মোৰ আত্মীয়ই চোৰ আছিল বুলি।"

শ্ৰীনাথৰ মহানতা দেখি সচকিত ৰজাই সন্মতিৰ মূৰ দুপিয়াই গ'লগৈ। ইয়াৰ পিছত তেওঁ শ্ৰীনাথৰ বিষয়ে বিতং খবৰ গোটাই মন্ত্ৰীক ক'লে, "এনে ব্যক্তিক ৰাজসন্মান প্ৰদান কৰা উচিত। তেওঁ সকলো লোকৰ আদৰ্শ হৈ উঠিব পাৰে।"

শ্ৰীনাথে তেওঁৰ ৰাজসন্মানৰ খবৰ গোপাল-লৈ পঠিয়ালে আৰু তেওঁক আহিবলৈ অনুৰোধ কৰিলে। কিন্তু অত্যধিক ব্যস্ততাৰ বাবে গোপালে আহিব নোৱাৰিব বুলি জনালে। শ্ৰীনাথে এই কথাত অসন্তোষ নকৰি গোপালৰ প্ৰতি থকা তেওঁৰ স্নেহ অটুট ৰাখিলে।

লক্ষ্মীপুৰত গোপালে এটা ডাঙৰ ঘৰ নিৰ্মাণ কৰিলে। গৃহপ্ৰবেশৰ বাবে তেওঁ বিৰাট যা-যোগাৰ কৰিলে। তালৈ তেওঁ শ্ৰীনাথকো নিমন্ত্ৰণ কৰিলে।

সেই সময়ত শ্ৰীনাথৰ বৃদ্ধা মাক টান নৰিয়াত আছিল। কথাটো শুনি তেওঁ পুতেকক ক'লে, "কেইদিনমানলৈ মোক এৰি তই কলৈকো নাযাবি। মোৰ বৰ ভয় হৈছে।" তেতিয়া মাকক বুজনি দি শ্ৰীনাথে ক'লে, "গোপালে বৰ সাদৰে মোক মাতি পঠিয়াইছে। এসপ্তাহৰ ভিতৰতে ঘূৰি আহিম। তুমি ভয় খোৱাৰ কোনো কাৰণ নাই।" এইবুলি মাকক কৈ তেওঁ লক্ষ্মীপুৰ অভিমুখে ৰাওনা হ'ল।

কিন্তু লক্ষ্মীপুৰ গৈ পোৱাৰ পাছত তেওঁ গম পালে তাৰ পৰিস্থিতি ভাল নহয়। গোপালৰ দেউতাক ঘৰত পিছল খাই পৰি চলা ফিৰা কৰিব নোৱৰা হ'ল। বৈদ্যৰ মতে তেওঁ সুস্থ হৈ উঠিবলৈ এমাহমান লাগিব। সেই কাৰণে গৃহপ্ৰবেশ উৎসৱ বাতিল কৰা হ'ল।

গোপালে বৰ আদৰেৰে শ্ৰীনাথক সৎকাৰ কৰিলে আৰু নতুন শুভ মুহূৰ্ত্তলৈকে থকাৰ বাবে জোৰকৈ ধৰিলে। শ্ৰীনাথে নিজৰ মাকৰ অসুস্থতাৰ কথা কৈ অপৰাগতা ব্যক্ত কৰিলে। গোপালে তেওঁক যাবলৈ অনুমতি দিলে যদিও পিছৰবাৰ পুনৰ আহিবলৈ খাটনি ধৰিলে। শ্ৰীনাথে কি উত্তৰ দিয়ে ভাবি থাকোতেই চন্দ্ৰলেখাই মাজতে উত্তৰ দিলে, "মোৰ স্বামীৰ বাবে আপোনাৰ দৰে আন কোনো

সিমান গুৰুত্বপূৰ্ণ নহয়। আপুনি আহিবই লাগিব।"

শ্ৰীনাথ মহাপুৰলৈ ঘূৰি গ'ল, কিন্তু পিছৰ-বাৰ লক্ষ্মীপুৰলৈ অহাটো তেওঁৰ পক্ষে সম্ভৱপৰ নহ'ল। তেওঁ নহাত চন্দ্ৰলেখাই বৰ বেয়া পালে। তেওঁ শ্ৰীনাথক তিৰস্কাৰ কৰিলে আৰু গোপালেও পত্নীক সমৰ্থন কৰিলে। এই কথা গম পাইয়ো শ্ৰীনাথে কাকো একো নক'লে।

এবছৰৰ পাছত গোপাল সকলোৰে লগত মহাপুৰলৈ আহিল আৰু শ্ৰীনাথৰ ঘৰলৈ গ'ল। তেওঁ ক'লে, "মোৰ ৰাজসন্মানৰ সময়ত তুমি নাহিলা, এতিয়া দেখা কৰিবলৈ আহিছা কিয়? যোৱা।"

ইমান পুৰণি কথা এটাত শ্ৰীনাথৰ খং উঠাত গোপাল আচৰিত হ'ল। ঘৰলৈ গুচি আহি ককাক দয়ানিধিক গোপালে কথাখিনি ক'লেহি। ককাকে হাঁহি মাৰি ক'লে, "ইয়াত আচৰিত হ'বলগীয়া কিটো আছে? শ্ৰীনাথৰ সন্মান প্ৰদান অনুষ্ঠানলৈ তুমি নগ'লা। কিন্তু সেই কথা পাহৰি তেওঁ তোমাৰ গৃহ প্ৰবেশলৈ আহিল। সেই সময়ত গৃহপ্ৰবেশ নহ'ল। পিছৰবাৰ তেওঁ যেতিয়া আহিব নোৱাৰিলে, তোমাৰ পত্নীয়ে তেওঁৰ বিষয়ে যি মন যায় ক'লে। তুমিও তোমাৰ পত্নীক সমৰ্থন কৰিলা। তাতে যদি তেওঁৰ খং উঠিছে তেন্তে সেয়া নিতান্তই যুক্তিসংগত।"

গোপালৰ চেহেৰা শেঁতা হৈ আহিল। তেওঁ ক'লে, "আপুনি ঠিকেই কৈছে। আপুনি এইখিনি কথা নোকোৱালৈকে মই তো ভবাই নাছিলো।" তেতিয়া ককাকে ক'লে, "তোমাৰ বয়স ইমান হ'ল, কিন্তু তোমাৰ বুদ্ধিহে নহ'ল। আনে যি কয় তাকেই সঁচা বুলি ভাবা। তোমাৰ নিজৰ চিন্তা বা বুদ্ধি নাই। প্ৰথমতে তুমিয়েই যোৱা আৰু তেওঁক ক্ষমা খোজাগৈ।"

ককাকে কোৱা মতে গোপালে শ্ৰীনাথক লগ ধৰি ক্ষমা খুজিলে। শ্ৰীনাথে হাঁহি মাৰি ক'লে, "মোৰ আচলতে তোমাৰ ওপৰত খং উঠাই নাছিল। কোনো কথাতে আনক দোষী বুলি ভবাৰ আগতে প্ৰথমে তেওঁক বুজি লোৱা উচিত।"

গোপালে নিজৰ ভুল বুজি পালে। তেতিয়াৰেপৰা পত্নীকে ধৰি তেওঁক যিয়েই যি কয় তাৰ সঁচা মিছা বিচাৰ কৰি কেৱল প্ৰয়োজনীয় কথাবোৰহে মনোযোগ দিয়া হ'ল।

বিশ্ব চেম্পিয়ন

বেডমিন্টন

ছাইনা নেহৱালে (১৮) পুনেত অনুষ্ঠিত য়নেক্স ছানৰাইছ ৱৰ্ল্ড জুনিয়ৰ চেম্পিয়নশ্বিপত জাপানৰ ছায়াক' ছাট'ক ২১-৯, ২১-১৮ পইন্টত পৰাভূত কৰি বিশ্ব জুনিয়ৰ মহিলা খিতাপ জয় কৰে। জাপানী ছোৱালীজনী ছাইনাৰ শক্তিশালী স্মেশ্ব হিটৰ সমুখত তিষ্ঠিবই নোৱাৰিলে। ছাইনা এই প্ৰতিযোগিতাত শীৰ্ষ বাচনিৰ খেলুৱৈ আছিল।

ৰাষ্ট্ৰীয় মুখ্য প্ৰশিক্ষক পুল্লেলা গোপীচান্দে কয়, "তেওঁ এগৰাকী সাৰ্থক চেম্পিয়নৰ দৰে খেলিছিল।" ২০০৮ চনৰ প্ৰাৰম্ভতে বিশ্বত ছাইনাৰ স্থান আছিল ৩০ সংখ্যক। জুলাই-লৈকে তেওঁৰ স্থান উন্নীত হয় ২০ লৈ। ছাইনা দৃঢ়বিশ্বাসী ২০০৯ চনত তেওঁ নিজৰ স্থান বিশ্বৰ প্ৰথম পাঁচটি স্থানলৈ নিব পাৰিব।

শুটিঙ

বেংকক বিশ্ব কাপত গগন নাৰঙে ৬০০ ৰ ভিতৰত ৬০০ পইন্ট পাই শুটিঙত বিশ্ব ৰেকৰ্ড কৰে আৰু বিশ্ব চেম্পিয়নশ্বিপ জয় কৰে। ২০০০ চনৰেপৰা থাইলেণ্ডৰ মায়চ্চাহিপ টাভাৰিটৰ দখলত থকা এই ৰেকৰ্ড স্পৰ্শ কৰা তেওঁ হ'ল তৃতীয় গৰাকী শুটাৰ। বেইজিঙ অলিম্পিক ১০ মিটাৰ এয়াৰ ৰাইফল শাখাত সোণৰ পদক জয় কৰিবলৈ ব্যৰ্থ হোৱা নাৰঙে (সোণৰ পদক জয় কৰে ভাৰতৰ অভিনৱ বিন্দ্ৰাই) কোৱালিফায়িঙ ৰাউণ্ডড ৬০০/৬০০ পইন্ট আৰু অন্তিম ৰাউণ্ডত ১০৩.৫ পইন্টৰে এই বিশ্ব ৰেকৰ্ড কৰে। তেওঁ ২০০৬ চনত স্পেইনৰ গ্ৰানাডাত হোৱা বিশ্ব চেম্পিয়নশ্বিপত অষ্ট্ৰিয়াৰ ফাৰনিক থমাচে কৰা বিশ্ব ৰেকৰ্ড ভংগ কৰে।

নন্দাদেৱী আৰু ফুলৰ উপত্যকা



তুমি যদি প্ৰকৃতি প্ৰেমী আৰু ট্ৰেকিঙ কৰিবলৈ তোমাৰ যদি উৎসাহ আছে তেন্তে তুমি নন্দাদেৱী আৰু ফুলৰ উপত্যকা ভ্ৰমণ কৰিবই লাগিব। হিমালয় পৰ্বতমালাৰ অধীনস্থ উত্তৰাঞ্চলৰ চামলি জিলাতেই আছে নন্দাদেৱী ৰাষ্ট্ৰীয় উদ্যান। ১৮৮৩ চনত ডব্লিউ ডব্লিউ গাৰ্ডেনে কৰা ভ্ৰমণেই লিখিত বিৱৰণ থকা এই এলেকালৈ কৰা প্ৰথমটো ভ্ৰমণ। ১৯৩৬ চনত টিলমেন আৰু এনই অজেলে কৰা ভ্ৰমণে অঞ্চলটোৰ প্ৰতি মানুহৰ আগ্ৰহ আৰু বঢ়াই তোলে। ১৯৩৯ চনত ইয়াক ক্ৰীড়া অভয়াৰণ্য হিচাপে গঢ়ি তোলা হয় আৰু ১৯৮২ চনত এখন ৰাষ্ট্ৰীয় উদ্যানৰ মৰ্যাদা দিয়া হয়। ইউনেস্কই ১৯৮৮ চনত ইয়াক বিশ্বৰ ঐতিহ্যমণ্ডিত স্থানৰ তালিকাত অন্তৰ্ভুক্ত কৰে।

পশ্চিম হিমালয়ত থকা এই ভেলী অৱ ফ্লাৱাৰ নেছনেল পাৰ্কখন ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু ৰঙ বিৰঙৰ ফুলৰ বাবে বিখ্যাত। বিপুল বৈচিত্ৰ্যৰ এই এলেকা বহুতো বিৰল আৰু বিলুপ্তপ্ৰায় স্তন্যপায়ী জীৱৰ বসতিস্থল যেনেন, বৰফৰ নাহৰ ফুটুকী, হিমালয়নে মাস্ক ডিয়েৰ আৰু অনেক। মাউন্ট কামেটলৈ কৰা অভিযানৰ সময়ত উদ্ভিদবিদ আৰু পৰ্বত আৰোহণকাৰী ফ্ৰেংক এচ স্মিথে এই ভেলী অৱ ফ্লাৱাৰচ আৱিষ্কাৰ কৰে। ই নন্দাদেৱী ৰাষ্ট্ৰীয় উদ্যানৰ ২৯ কিলোমিটাৰ দক্ষিণ পশ্চিমে আছে। এই ঠাইৰ অবৰ্ণনীয় সৌন্দৰ্যৰ বাবে মানুহে ইয়াক 'দেৱতাৰ বাসভূমি' বুলি কয়। বৰ্ষাকালত এই উপত্যকাই সকতোকৈ সন্দৰ ৰূপ লয় আৰু ই অসংখ্য ফুলেৰে সৈতে এখন প্ৰাকৃতিক বাগিচাৰ দৰে হৈ পৰে। ২০০৫ চনত এই উপত্যকাক বিশ্বৰ ঐতিহ্যমণ্ডিত স্থানৰ তালিকাত অন্তৰ্ভুক্ত কৰা হয়।

বিশ্বাস কৰা হয় যে হনুমানে লক্ষ্মণৰ জীৱন ৰক্ষা কৰিবলৈ ইয়াৰপৰাই সঞ্জীৱনী বনৌষধি লৈ গৈছিল। দেৱদাৰু, ৰোডোডেনড্ৰন, বাৰ্চ আৰু জুনিপাৰ গছ ইয়াত প্ৰচুৰ পৰিমাণে পোৱা যায়। নন্দাদেৱীত ৩১২টা ফুলৰ প্ৰজাতি পোৱা যায়, ইয়াৰে ১৭টা প্ৰজাতি অমূল্য বুলি ধৰা যায়। এই উদ্যানত ১৪টা প্ৰজাতিৰ স্তন্যপায়ী জন্তু আছে, ইয়াৰ ছটা প্ৰজাতি বিলুপ্তপ্ৰায় প্ৰজাতিৰ সূচীত আছে। উচ্চতা যথেষ্ট বেছি হোৱাৰ বাবে বছৰৰ প্ৰায় গোটেইখিনি সময়েই ইয়াৰ জলবায়ু শীতল হয়। জুন আৰু আগষ্টৰ ভিতৰত প্ৰচুৰ পৰমাণে বৰষুণ হয় আৰু ইয়ালৈ ভ্ৰমণত যোৱাৰ আটাইতকৈ ভাল সময় হ'ল এপ্ৰিলৰপৰা অক্টোবৰলৈকে। থকা খোৱাৰ বাবে আটাইতকৈ ওচৰৰ ঠাই হৈছে জছীমথ।

বলিদান

ব্ৰহ্মদত্ত যেতিয়া কাশীৰ ৰজা আছিল, তেতিয়া বোধিসত্ত্বই সেইখন ৰাজ্যতে ব্ৰহ্মদত্তৰ পুত্ৰ হৈ উপজিলে। এই জনমত বোধিসত্ত্বৰ নাম আছিল-কুমাৰ। অধ্যয়নৰ বাবে ৰজাৰ অতি মৰমৰ পুত্ৰ কুমাৰক তক্ষশীলালৈ পঠোৱা হ'ল। তক্ষশীলালৈ গৈ, তেতিয়াৰ নিয়মমতে গুৰুৰ আশ্ৰমত থাকি, কুমাৰে ষোল বছৰ বয়সৰ ভিতৰতে বেদ বেদান্ত, উপনিষদ আদি সমস্ত শাস্ত্ৰ অধ্যয়নান্তে কাশীলৈ উভতি আহিল আৰু তাৰ পাছত ৰজা ব্ৰহ্মদত্তই তেওঁৰ যোগ্য পুত্ৰ কুমাৰক এদিন ৰাজ্যৰ যুৱৰাজ ৰূপে অভিষিক্ত কৰিলে।

সেই কালত কাশীৰ প্ৰজাবৰ্গই অসংখ্য দেৱ দেৱীৰ পূজা কৰিছিল। দেশত সদায় কিবা নহয় কিবা পূজা পাৰ্বণ লাগিয়েই আছিল। বহুতেই দেৱ দেৱীলৈ পঠা, ভেড়া, হাঁহ আদি পূজাৰ উপচাৰ তথা অৰ্ঘ ৰূপে বলিদান দিছিল আৰু এইবোৰৰ মাংস প্ৰসাদ হিচাপে খাইছিল। দেৱ দেৱীক সন্তুষ্ট কৰি বিভিন্ন মনোকামনা পূৰ্ণ কৰাত ৰাইজ ইমানেই ব্যস্ত আছিল যে ইয়াৰদ্বাৰা নিৰপৰাধ জীৱ জন্তুৰ ওপৰত চলা অমানুষিক অত্যাচাৰৰ কথা ভাববলৈ বগৰো আহৰি নাছিল।

এইবোৰ কুসংস্কাৰমূলক কাৰ্য্যকলাপ দেখি কুমাৰৰূপী বোধিসত্ত্ব বিমৰিষ হৈছিল। তেওঁ ভাবিছিল: মই যেতিয়া ৰজা হ'ম, তেতিয়া দেশত তৎকালেই কাৰ্যকৰী হোৱাকৈ প্ৰাণীহত্যা নিষিদ্ধ কৰিম। মোৰ শাসনকালত এই দেশত তেজৰ এই হোলিখেলা মই বন্ধ কৰিমেই কৰিম।

কাশী নগৰীৰ এমূৰত এজোপা বহুত পুৰণি বৰগছ আছিল। এই বৰগছজোপাতো এগৰাকী দেৱতা থকা বুলি জনবিশ্বাস আছিল। বৰগছজোপাৰ ওচৰত কোনোবাই সন্তান কামনা, কোনোবাই পত্নী কামনা, পতি কামনা, পুত্ৰ কামনা আৰু অন্যান্য বিভিন্ন

কামনা কৰিছিল। আৰু তেনে প্ৰতিজন লোকৰ মনোকামনা পূৰণ হৈছিল।

এদিন যুৱৰাজ কুমাৰো ৰথত উঠি বৰগছ-জোপালৈ গ'ল। অসংখ্য নাৰী পুৰুষে ভক্তিভাৱেৰে বৰগছজোপাক প্ৰদক্ষিণ কৰি থকা দেখা পাই তেওঁ বিস্মিত হ'ল। তাৰ পাছত তেওঁ পুনৰ ৰাজধানীলৈ উভতি আহিল। উভতি আহোঁতে তেওঁ মনতে এটা পৰিকল্পনা কৰি আহিছিল।

এই ঘটনা দেখাৰ পাছৰপৰা স্বয়ং কুমাৰো বৰগছজোপাৰ ওচৰলৈ গৈছিল আৰু বৰগছক তেৰোঁ পূজা কৰিছিল। অৱশ্যে তেওঁ এক ব্যতিক্ৰম ধৰণৰ প্ৰাৰ্থনা কৰিছিল।

কিছুদিনৰ অন্তত বৃদ্ধৰজা ব্ৰহ্মদত্তৰ মৃত্যু হ'ল। ৰাজ্যাভিষেক হৈ যোৱাৰ অন্তত ৰজা কুমাৰে পৰিপূৰ্ণ ৰাজসভাত ক'লে, "মই যে কি উপায়ে ৰজা হ'লোঁ, সেই কথা আপোনালোকে নাজানে। যুৱৰাজ হিচাপে অভিষিক্ত হোৱাৰ পাছত মই সেই বৰগছক পূজা আগ কৰি মানস কৰিছিলোঁ যে দেউতা যদি সোনকালে মৰে--তেনেহ'লে মই এহেজাৰ প্ৰাণী বলি দিম। এতিয়া মই ৰজা হ'লোঁ, এতেকে, এতিয়াই মোক এহেজাৰ প্ৰাণী গোটাই দিব লাগিব। নহ'লে মোক প্ৰতিশ্ৰুতি পালন নকৰাৰ পাপে চুব।"

ৰজা কুমাৰৰ কথা শুনি সকলোটিয়েই হতবাক হ'ল। অগত্যা মহামন্ত্ৰীয়ে সুধিলে, "মহাৰাজ, আপুনি বৃক্ষদেৱতালৈ কেনে ধৰণৰ প্ৰাণী উছৰ্গা--মানে--বলি দিবলৈ মানস কৰিছিল ক'বনে? তেতিয়া আমি প্ৰয়োজনীয় যা যোগাৰ কৰিব পাৰিম।"

"মই কোনো ধৰণৰ জন্তু জানোৱাৰ বলি দিবলৈ মানস কৰা নাছিলোঁ, যিবিলাক মানুহে জন্তু জানোৱাৰ তথা পশুবলি দিয়ে--মই সেই মানুহবিলাকক বলি দিবলৈ মানস কৰিছিলোঁ। পশুবলি দিয়া এহেজাৰ মানুহ মোক এতিয়া আনি দিব লাগিব, মই বৃক্ষদেৱতাৰ আগত বলি দিম। মোৰ এই কথা ৰাজ আদেশ বুলি এতিয়াই সমগ্ৰ ৰাজ্যত ঘোষণা কৰা হওক।"

ৰজা কুমাৰে পশুবলি প্ৰথাত ইমানেই মনোকষ্ট পাইছিল যে ইয়াক নিৰ্মূল কৰিবলৈকে তেওঁ এই অভিনৱ পন্থা হাতত লৈছিল। ৰজাৰ ঘোষণা শুনাৰ পাছত সমগ্ৰ কাশী ৰাজ্যত কোনো দিন কোনেও ভুলতো পশুবলি দিয়া নাছিল।



Non-stop fun @ chandamama.com!

Non-stop fun @ chandamama.com!

Play our Cricket Quiz!

Know about your favourite players by answering simple questions. SMS CMCQ to 54646 and win fabulous prizes.

Dear Chandamama

School issues? Friendship woes? Just plain confused about life and its problems?

Come to us with your questions and we will try to help you see light!

Pankaj. Z from California: Is komodo dragon a real dragon?

Karan J from Powai: I want to become a cartoonist. Please tell me how!

Nihan Varma from Nainital: I always yawn when I'm in a crowded place! Why is that?

To know the answers, browse CONNECT under CONTEMPORARY section at www.chandamama.com

What's more...

Browse www.chandamama.com for hundreds of stories and comics for your reading pleasure...

Download cool games and applications at the Download center.

Want to become a Chandamama Author? Come online and submit your stories!



ৰামায়ণ

এইদৰে ৰাৱণৰ সভাত বহুতো ৰাক্ষসে, "আমি এতিয়াই গৈ ৰাম-লক্ষ্মণ আৰু তেওঁলোকৰ বানৰ সেনাক মাৰি থৈ আহিমগৈ" বুলি লম্ফজম্ফ কৰা দেখি বিভীষণে সকলোকে বহিবলৈ ইংগিত দি ৰাৱণক হাতযোৰ কৰি ক'লে।

"বুদ্ধিমানজনে কয় যে আমি তেতিয়াহে দণ্ডৰ কথা চিন্তা কৰা উচিত যেতিয়া সাম, দান আৰু ভেদ বিফল হয়। অসাৱধান, লোভী আৰু দেৱবিমুখ মানুহৰ, ওপৰতহে শাস্ত্ৰত দিয়ামতে দণ্ড সফল হ'ব পাৰে। ৰাম হ'ল সাৱধান ব্যক্তি। লগতে তেওঁ বেছ বলৱানও। ৰামৰ অনুগত বান্দৰ হনুমানে লংকালৈ আহি যি কাণ্ড কৰিলেহি তাৰ পৰা এইটো বুজিব পাৰি...

কৰিলেহি তালৈ চাই এই কথা বুজাত অসুবিধা নহয় যে দেৱতাসকলো ৰামৰ পক্ষতেই আছে। শত্ৰুপক্ষৰ শক্তিক কেতিয়াও তুচ্ছজ্ঞান কৰা উচিত নহয়। তৰ্কৰ খাটিৰত আমি যদি ধৰিও লওঁ যে ৰামে ইজনৰ পিছত সিজনকৈ ৰাক্ষস নিধন কৰাৰ বাবেই তাৰ প্ৰতিশোধকল্পে ৰাৱণে সীতাক অপহৰণ কৰি আনিলে।

"কিন্তু নিৰপেক্ষভাৱে আমি যদি চাওঁ তেন্তে দেখিম যে খৰ আদি ৰাক্ষসে ৰামৰ ওপৰত প্ৰথমে আক্ৰমণ চলাইছিল। আত্মৰক্ষা কৰাৰ প্ৰয়োজনতেই ৰামে সিবিলাকক নিধন কৰিবলগীয়া হ'ল। সীতাক ইয়ালৈ আনি আমি আমাৰ অমঙ্গলহে মাতি অনাৰ দৰে হ'ল। তেওঁক সসন্মানে ৰামৰ হাতত ঘূৰাই দিয়াটোৱেই উচিত কাম হ'ব।"

বিভীষণৰ এই কথা শুনিয়েই ৰাৱণে সভাৰ-পৰা উঠি থিয় হ'ল আৰু ঘৰলৈ গুচি গ'ল। বিভীষণ তাৰ পাছদিনা ৰাৱণৰ প্ৰাসাদলৈ গ'ল। সেই সময়ত ৰাৱণৰ ওচৰত তেওঁৰ কোনো এজন

যুদ্ধকাণ্ড - ২



মন্ত্ৰী নাছিল। ৰাৱণক অকলে পাই বিভীষণে ক'লে, "সীতা যেতিয়াৰেপৰা ইয়ালৈ আহিছে, তেতিয়াৰেপৰা এটাৰ পাছত এটাকৈ অমংগল হৈ আছে। কিন্তু কোনো মন্ত্ৰীয়েই এই কথা তোমাক ক'বলৈ সাহস নকৰে। কথাবোৰ তুমি ধীৰে সুস্থিৰে চিন্তা কৰি চোৱা আৰু নিজেই এটা উচিত সিদ্ধান্ত লৈ লোৱা।"

বিভীষণৰ এই কথা শুনি ক্ৰোধান্বিত হৈ ৰাৱণে ক'লে, "মোৰ কালেকো ভয় নাই। ৰামে মোৰ হাতৰপৰা সীতাক কেতিয়াও উদ্ধাৰ কৰিব নোৱাৰে। আনকি এই কামত স্বয়ং দেৱেন্দ্ৰয়ো যদি ৰামক সহায় কৰিবলৈ আগবাঢ়ি আহে তথাপি ৰাম সফল হ'ব নোৱাৰিব।" এইবুলি কৈ ৰাৱণে বিভীষণক পঠিয়াই দিলে।

তাৰ পাছত ৰাৱণে যুদ্ধৰ পৰিকল্পনাৰ বিষয়ে তেওঁৰ মন্ত্ৰীসকলৰ লগত জৰুৰী আলোচনাত মিলিত হ'বলৈ ঠিক কৰিলে। ৰথত উঠি তেওঁ সভাকক্ষলৈ গ'ল। সকলো ৰাক্ষসকে মাতি আনিবলৈ ৰাৱণে বিভিন্ন দিশত দূত প্ৰেৰণ কৰিলে। দূতসকল ৰাক্ষস সকলৰ ঘৰলৈ গ'ল।

সেই সময়ত ৰাক্ষসসকল নিজৰ নিজৰ ঘৰুৱা কামত ব্যস্ত আছিল। কিন্তু ৰাৱণে মতা বুলি দূতৰপৰা বাৰ্ত্তা পোৱাৰ লগে লগে তেওঁলোকে দহোবন কাটি কৰি সভাকক্ষলৈ আহিল। সকলো অহাৰ পাছত ৰাৱণে বিভীষণ, শুদ, প্ৰহস্ত আদিক বেলেগ বেলেগ স্থানত বহিবলৈ নিৰ্দেশ দিলে। তাৰপাছত ৰাৱণে প্ৰহস্তক গুৰুগম্ভীৰ স্বৰেৰে ক'লে, "তোমাৰ ৰাক্ষস সৈনিকসকলক নিৰ্দেশ দিয়া তেওঁ-লোকে যেন আগতকৈয়ো বেছি নিষ্ঠা আৰু ছিদ্ৰহীনভাৱে লংকা নগৰীৰ সুৰক্ষাৰ ব্যৱস্থা কৰে।"

প্ৰহস্ত বাহিৰ ওলাই আহিল। তাৰপাছত পুনৰ সভাত উপস্থিত হৈ তেওঁ ক'লে, "আমাৰ সেনাবাহিনী সম্পূৰ্ণৰূপে সক্ষম হৈ আছে।" ৰাৱণে তেতিয়া ক'লে, "আজিলৈকে যিবোৰ কাম তোমালোকৰ পৰামৰ্শ মতে মই কৰিছো সেই সকলো কামতে মই সফল হৈছো। মোৰ দৃঢ়বিশ্বাস এইবাৰো সকলোৰে দিহা পৰামৰ্শ মতে কাম কৰি আমি ৰামৰ বিৰুদ্ধে সম্ভাব্য যুদ্ধত বিজয় লাভ কৰিব পাৰিম। আজি আমাৰ সমুখত কি সমস্যা উপস্থিত হৈছেহি, সেই বিষয়ে বিতংভাৱে মই আপোনালোকক কৈছোৱেই। কুম্ভকৰ্ণ যিহেতু ছমাহ ধৰি শুয়েই আছে সেয়েহে কেৱল তেওঁকহে কথাবোৰ ক'ব পৰা নগ'ল। এতিয়া

তেওঁ ইয়াত আছে। জনকৰ কন্যা, ৰামৰ পত্নী সীতাক মই ৰাক্ষসৰ নিবাসস্থল দণ্ডকাৰণ্যৰপৰা আনিছো। মই বহুত অনৰোধ কৰা সত্ত্বেও সীতাই মোক প্ৰেম নিবেদন কৰা নাই। ৰামে তেওঁক আহি উদ্ধাৰ কৰিবহি বুলি আশা কৰি সীতাই মোৰপৰা এবছৰৰ সময় খুজিলে।ময়ো তাত সন্মতি দিলো। ৰামৰ বাবে বান্দৰ সেনা লগত লৈ সমুদ্ৰ পাৰ হৈ অহাটো অসম্ভৱ বুলিয়েই মই ভাবো। কিন্তু ধৰি লোৱা, ৰামে এই অসম্ভৱকো সম্ভৱ কৰি তুলিব পাৰে, তেতিয়া কি হ'ব? এটা বান্দৰ ইতিমধ্যেই সমুদ্ৰ পাৰ হৈ ভয়ংকৰ যুদ্ধ কৰি লংকাত বহু অপকাৰ কৰি থৈ গ'লহি, গতিকে তোমালোক আটায়ে ভাবি চিন্তি পৰামৰ্শ দিয়া। বানৰ সেনা লগত লৈ ৰাম ইতিমধ্যেই সমুদ্ৰৰ আনটো পাৰত উপস্থিত হৈছেহি। সীতাক কেতিয়াও ঘূৰাই দিব পৰা নাযাব। ৰাম লক্ষ্মণক মৰাৰ উপায় চিন্তি কৰা।"

ৰাৱণৰ এই কথা শুনি কুম্ভকৰ্ণ ক্ৰোধান্বিত হৈ ক'লে, "সীতাক লৈ অনাৰ আগতেই এইবোৰ পৰামৰ্শ আমাৰপৰা ল'ব লাগিছিল। যিকোনো কাম কৰাৰ আগতেই যদি ভালদৰে চিন্তা চৰ্চা কৰি লোৱা হয় তেন্তে পিছত অনুতাপ কৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ নহয়। ৰামে যে এতিয়ালৈকে তোমাক মৰা নাই সেইটো পৰম ভাগ্যৰ কথা। এনে পৰিস্থিতিত তোমাৰ সকলো শত্ৰুকে নিধন কৰি তোমাৰ কাম সম্পূৰ্ণ কৰাৰ শক্তি কেৱল মোৰহে আছে আৰু মই সেই কাম কৰিম। তুমি নিশ্চিন্ত হৈ থাকো।"

কুম্ভকৰ্ণৰ এই কথা শুনি, ৰাৱণ ক্ৰোধান্বিত হ'ল। তাকে দেখি মহাপাৰ্শ্ব নায়ক ৰাক্ষসে ক'লে, "মৌ বিচাৰি ভয়ংকৰ বনত প্ৰৱেশ কৰাৰ পাছত যি মৌ পোৱাৰ পাছতো সেই মৌ পান নকৰে তেওঁ হ'ল পৰম মূৰ্খ। ৰাৱণ, আপুনি হ'ল সৰ্বশক্তিমান। আপুনি সীতাক নিজৰ কৰি লওঁক, যদি তেওঁ মানি নলয় তেন্তে বলপূৰ্বভাৱে হ'লেও আপুনি তেওঁৰ সন্মতি আদায় কৰক। আপোনাৰ ইচ্ছা পূৰণ হোৱাৰ পাছত লাগিলে যিয়েই নহওক কিয়, আপুনি তাৰ মুখামুখি হ'ব পাৰিব। দেৱেন্দ্ৰ আদিকো পৰাভূত কৰা কুম্ভকৰ্ণ, ইন্দ্ৰজিত আদি আপোনাৰ লগত আছে। সাম, দান আদি দুৰ্বলজনে অনুসৰণ কৰা নীতিহে। আপুনি দণ্ডবদ্বাৰাই নিজৰ কাম কৰি যাওক।"

ৰাৱণে কথাখিনি শুনি ভাল পালে। তেওঁ মহাপাৰ্শ্বক ক'লে, "মোৰ বিষয়ে এটা ৰহস্য আছে। এবাৰ মই এগৰাকী নাৰীৰ সৈতে বলপূৰ্বকভাৱে দৈহিক সম্পৰ্ক স্থাপন কৰিছিলো।



ইয়াতে ক্ৰোধান্বিত হৈ ব্ৰহ্মাই মোক অভিশাপ দিছিল যে ভৱিষ্যতে যদি মই এনে অপকৰ্মত লিপ্ত হওঁ তেন্তে মোৰ শিৰ শ টুকুৰা হ'ব। সেই ভয়তে মই সীতাৰ ওপৰত বল প্ৰয়োগ কৰা নাই। ৰামে নাজানে মই কিমান বেগেৰে ক'লৈ ক'লৈ যাব পাৰো। সেয়েহে ৰামে মোৰ ওপৰত আক্ৰমণ চলাবলৈ লৈছে। গুহাত শুই থকা সিংহক, মৃত্যুৰ মূৰ্ত্ত ৰূপ মোক, ৰামে উপেক্ষা কৰিছে, তেওঁ মোৰ বাণৰ চোক কিমান নাজানে, এতিয়া তেওঁ সকলো দেখিব।"

বিভীষণে ৰাৱণৰ এই অহংকাৰ ভাল নাপালে। তেওঁ ক'লে, "সীতাক লৈ অহাটো পাঁচটা ফণা থকা বিষাক্ত সাপক লৈ অহাৰ দৰে হ'ল। সীতাক ৰামৰ ওচৰলৈ পঠিয়াই দিয়াটোৱেই সকলো ফালৰপৰা মংগলজনক হ'ব।

বিভীষণৰ কথা শুনি ইন্দ্ৰজিতে ক'লে, "খুড়া, তুমি পুলস্ত্য বংশত জন্ম লৈয়ো অনৰ্গল যুক্তিহীন কথা কৈ আছা। তুমি দুৰ্বল, নিষ্কৰ্মা আৰু ভয়াতুৰ। তুমি অনাহকতে সকলোকে ভয় খুৱাব খোজাৰ কাৰণ কি? ৰাম আৰু লক্ষ্মণক নিধন কৰিবলৈ এজন ৰাক্ষসেই যথেষ্ট।

"মই দেৱতাসকলৰ ৰজা ইন্দ্ৰক সমুখ সমৰত পৰাভূত কৰিছো। মোক দেখিলেই দেৱতাসকল ভেড়া ছাগলীৰ দৰে পলাই পত্ৰঙ দিয়ে। ঐৰাৱতক এছাৰি মই তাৰ দাঁত উলিয়াই পেলাইছিলো। মই কি এই নগণ্য দুই ৰাজ-কুমাৰক পৰভূত কৰিব নোৱাৰিম বুলি তুমি ভাবানে?"

"পুত্ৰ, তুমি এতিয়া সৰু হৈ আছা। জীৱন আৰু জগত সম্পৰ্কে এতিয়াও তোমাৰ পৰ্যাপ্ত জ্ঞান হোৱা নাই। এই অনুচিত কাৰ্যত পিতাৰাক সমৰ্থন কৰি তুমি তেওঁৰ প্ৰতি দৰাচলতে শত্ৰুতা আচৰণহে কৰিছা। আমি যদি সীতাক উপহাৰ আদি লগত দি ৰামৰ ওচৰলৈ পঠিয়াই দিওঁ তেন্তে তাতহে আমাৰ কল্যাণ হ'ব।" বিভীষণে ক'লে।

এই কথা শুনি ৰাৱণে বিভীষণৰ ওপৰত গৰজি উঠিল, "একে বংশৰ হৈ তুমি শত্ৰুৰ পক্ষ ল'ব খুজিছা। তোমাৰ ঠাইত আন কোনোবাই এইবোৰ কথা কোৱাহেঁতেন মই তেওঁৰ শিৰচ্ছেদ কৰিলোহেঁতেন।"

ৰাৱণ এনেদৰে ক্ৰোধান্বিত হোৱা দেখি বিভীষণে লগত আৰু চাৰিজন ৰাক্ষস অনুচৰ লৈ আকাশলৈ উৰা মাৰিলে আৰু ৰাৱণক ক'বলৈ ধৰিলে, "জ্যেষ্ঠ ভ্ৰাতা বুলিয়েই মই তোমাৰ হিত চিন্তা কৰিছিলো। তুমি অনাকতে মোক নিন্দা কৰিছা। মই এয়া সহ্য

কৰিব নোৱাৰো, মিঠা মিঠা কথা কোৱা তুমি হাজাৰজন পাবা, কিন্তু সঁচা কথা কোৱা লোক তুমি সহজে নাপাবা। ৰামৰ হাতত তুমি প্ৰাণ দিবলগীয়া হোৱা দৃশ্য মই সহ্য কৰিব নোৱাৰিম। তুমি এটা কাম কৰা, তুমি নিজেই তোমাৰ আৰু লংকাৰ সমূহ ৰাক্ষসৰ সুৰক্ষা নিশ্চিত কৰা। মই যাবলৈ ওলাইছো। তুমি সুখেৰে থাকা।" এইবুলি কৈ বিভীষণ সেই ঠাইৰপৰা গুচি গ'ল আৰু যি ঠাইত ৰাম, লক্ষ্মণ আৰু বানৰ সেনা আছিল তাত ওলাইগৈ।

অস্ত্ৰ শস্ত্ৰ লৈ আকাশমাগেদি অহা বিভীষণ আৰু তেওঁৰ লগৰ চাৰিজন ৰাক্ষসক সকলো বান্দৰে দেখা পালে। তেওঁলোকৰ ফালে চাই সুগ্ৰীৱে হনুমানক ক'লে, "এই ৰাক্ষসহঁত, নিশ্চয় আমাক মাৰিবলৈকে এইফালে আহি আছে। সাৱধান হ'বা।"

তৎক্ষণাৎ বান্দৰৰ অগ্ৰণী নেতাসকলে হাতত গছ আৰু পাথৰ আদি লৈ সাজু হ'ল আৰু ক'লে, "এই দুষ্টহঁতক এতিয়াই নিধন কৰি তলত পেলাই দিওঁ। চোৱা যাওক ইহঁত কিমান পানীৰ মাছ?" ইয়াৰ মাজতে বিভীষণে নিজৰ সঙ্গীসকলক লগত লৈ সমুদ্ৰৰ উত্তৰ আকাশত উপস্থিত হ'লহি। আকাশতে থিয় হৈ সুগ্ৰীৱ আৰু বান্দৰসেনাৰ ফালে চাই বিভীষণে ক'লে:

"মই হ'লো দুষ্ট ৰাক্ষস ৰজা ৰাৱণৰ ভ্ৰাতৃ। মোৰ নাম বিভীষণ। ৰাৱণে জটায়ু পক্ষীক হত্যা কৰি, দুখী, অসহায় সীতাক জনস্থানৰপৰা উঠাই আনিছে আৰু এতিয়া সীতাক ৰাক্ষস স্ত্ৰীৰ চোকা পহৰাৰ মাজত ৰখা হৈছে। মই তেওঁক বহুত বুজালো যে সীতাক ৰামৰ ওচৰলৈ আনি ঘূৰাই দিয়া উচিত, কিন্তু ৰাৱণে মোৰ কথা

নুশুনিলে। তেওঁ বৰঞ্চ মোক কটুকথা কৈ অপমানিতহে কৰিলে। মই পত্নী আৰু পুত্ৰ লগত লৈ ৰামৰ শ্ৰীচৰণলৈ আহিছো। মই অহাৰ কথা তৎক্ষণাৎ ৰামক জানিবলৈ দিয়া হওক।

এই কথা শুনি, সুগ্ৰীৱ, লক্ষ্মণক লগত লৈ ৰামৰ ওচৰলৈ গ'ল। "ৰাৱণৰ বিভীষণ নামৰ এজন ভায়েক আছে। চাৰি ৰাক্ষসৰ সৈতে তেওঁ তোমাৰ চৰণলৈ আহিছে। আমি সাৱধান হৈ থাকিব লাগিব। এই ৰাক্ষসক সহজে বিশ্বাস কৰিব নোৱাৰি। সিহঁত মায়াবী, চকুৰ পচাৰতে অদৃশ্য হ'ব পাৰে। এই কথাত সন্দেহ নাই যে ৰাৱণৰ এই গুপ্তচৰহঁতে আমাৰ বিশ্বাস জয় কৰিব, আমাৰ মাজত মতবিৰোধ সৃষ্টি কৰিব বা সুযোগ বুজি আমাৰ ওপৰত আক্ৰমণ চলাব। আমি আমাৰ প্ৰধান শত্ৰুৰ ভায়েকক কেনেকৈ বিশ্বাসত লম? এইটোও সম্ভৱ হ'ব পাৰে ৰাৱণে নিজেই ভায়েকক আমাৰ ওচৰলৈ পঠিয়াইছে। তেওঁক আৰু তেওঁৰ সতীৰ্থহঁতক তৎক্ষণাৎ মাৰি পেলোৱা উচিত হ'ব।" সুগ্ৰীৱে ক'লে।

সুগ্ৰীৱৰ কথা শুনি ৰামে হনুমান আদি বান্দৰৰ নেতাসকলৰ ফালে চাই ক'লে, "সুগ্ৰীৱে ভাবি চিন্তি যিখিনি কথা কৈছে সেয়া তোমালোক আটায়ে শুনিছা বুলিয়েই মই ধৰি লৈছো। এই বিষয়ত তোমালোক আটায়ে মোক সুচিন্তিত পৰামৰ্শ দিয়া যাতে মই এটা সিদ্ধান্তলৈ আহিব পাৰো।"

শ্বৰভে ক'লে, "প্ৰথমে এই কথা ভালকৈ জানি ল'ব লাগিব বিভীষণৰ প্ৰকৃতি কি ধৰণৰ, তাৰ পাছতহে আমি সিদ্ধান্ত ল'ব পাৰিম তেওঁক বিশ্বাস কৰিব পৰা যায় নে নাযায়। তেওঁক পৰীক্ষা কৰি চাবলৈ আমাৰ ফালৰপৰা এজন গুপ্তচৰ প্ৰেৰণ কৰা হওক।" জাম্বৱন্তই ক'লে যে বিভীষণ এনেকৈ অহা কথাটোৱেই এক সন্দেহজনক কথা।

হনুমানে সকলোৰে মতামত আওকাণ কৰি ক'লে, "বিভীষণৰ ভাল গুণ আছেনে নাই সেই কথা কেনেকৈ জানি লোৱা হ'ব সেইটো প্ৰথমে ঠিক কৰাটোহে গুৰুত্বপূৰ্ণ হ'ব। যি ওচৰতে আছে, তেওঁৰ ওচৰলৈ গুপ্তচৰ পঠিয়াব পৰা যাব কেনেকৈ? এই সময়ত বিভীষণ যদি এইফালে আহি আছে তেন্তে তেওঁ এনেকৈ অহাৰ নিশ্চয় কাৰণ আছে। ৰাৱণ যে দুষ্ট সেই কথা বিভীষণে জানে। তেওঁ এইটোও জানে যে ৰামে বালীক নিধন কৰি ভায়েক সুগ্ৰীৱৰ ৰাজ্যাভিষেক কৰোৱাই চিল। হয়তো তেওঁ আহিছে ৰাজ্যৰ লোভত। বাকী আপুনি যি ভাল দেখে কৰক।" হনুমানে ক'লে।



ৰত্নভাণ্ডাৰৰ সন্ধান

দীনু মেহতাই ঘোঁৰাগাড়ী চলাই পেট প্ৰৱৰ্ত্তাইছিল। এদিন সন্ধিয়া যেতিয়া তেওঁ ঘৰলৈ ঘূৰি আহিছিল, তেতিয়া ৰাস্তাৰ দাঁতিত থিয় হৈ থকা এজন মানুহে তেওঁক ক'লে যে গাঁৱৰপৰা ছমাইল দূৰত থকা অতিথিশালালৈ গাড়ীখন লাগে, আৰু পুৰা ঘূৰি আহিব। দীনু তেওঁৰ লগত যাবনে?" কথাটো দীনুৱে মানি ল'লে।

বয়োজ্যেষ্ঠ মানুহজনে লগত অলপ কাপোৰ, এটা ক'লহ দুখন কোৰ আৰু এখন বেলচাও গাড়ীত তুলি ল'লে। দীনু ভাবিলে যে এই মানুহজনে পৰিত্যক্ত অতিথিশালতে কিবা ৰত্নভাণ্ডাৰ খান্দিবলৈ ওলাইছে।

গাড়ী গৈ অতিথিশালা পোৱালৈ বহুত সময় লাগিল। গাড়ীত উঠি থকা মানুহজনে যেতিয়া কলহটো নমাবলৈ ধৰিলে তেতিয়া এবাৰ সেইটো হাতৰপৰা পৰি মাটিত পৰিল আৰু থন থন শব্দ হ'বলৈ ধৰিলে। কলহটো পৰি যোৱাত তাৰ ভিতৰৰপৰা অলপ সোণৰ অলংকাৰ ওলাই আহিল।

দীনুৱে মানুহজনক সুধিলে, "এই মাজনিশা আপুনি অলংকাৰেৰে ভৰা কলহ ইয়ালৈ কিয় আনিছে?"

"মই সকলোবোৰ কথা তোমাক আতি গুৰি মাৰি ক'ম। মোক তোমাৰ সহায় লাগে।" এইবুলি কৈ মানুহজনে ক'বলৈ আৰম্ভ কৰিলে।

"মোৰ নাম হাজাৰীমাল। মোৰ ককাই সামুদ্ৰিক বেপাৰ কৰি বহুত ধন অৰ্জন কৰিলে। এবাৰ তেওঁ লগত বহুত ধন লৈ গাঁৱলৈ উভতি আহি আছিল। এইখিনি আহি পাইমানে মাজনিশা হ'ল। সেই ৰাতি তেওঁ ইয়াতে থাকি গ'ল। সেই নিশা ডকাইতে অতিথিশালাৰ ওপৰত আক্ৰমণ কৰিলে। ডকাইতহঁতে নিৰ্মমভাৱে যাকে য'ত পায় হত্যা কৰিলে, তাৰ ভিতৰত মোৰ ককাও আছিল।

২৫ বছৰৰ পূৰ্বে চান্দমামাত প্ৰকাশিত কাহিনী

"মোৰ দেউতাই সৰু সুৰা বস্তুৰ খুচুৰা ব্যৱসায় আৰম্ভ কৰিলে। অশেষ কষ্টৰে মোক তুলি তালি ডাঙৰ দীঘল কৰিলে। কিছুদিন আগতে তেওঁৰ মৃত্যু হৈছে।"

"সম্পত্তি বুলিবলৈ মোৰ পিতাই এটা ঘৰহে এৰি থৈ গৈছে। সেই ঘৰটো বেচি দিওঁ বুলি মই ঘৰৰ ওপৰত থকা পুৰণা বস্তুবোৰ এদিন নমাই আছিলো। তাতে মই ককাৰ দিনৰ এখন পুৰণি কিতাপ পালো। মই কিতাপখনৰ পাত লুটিয়াবলৈ ধৰিলো। এঠাইত ককাই কিবা অলপ লেখি থৈছিল, মই সেইবোৰ পঢ়ি গ'লো। তাত এইদৰে লিখা আছিল, "আজিকালি ডকাইতৰ সংখ্যা বাঢ়ি আহিছে। মই যদি ঘূৰি নাহো তেন্তে ধৰি ল'বা যে কিবা অঘটন ঘটিছে আৰু মই মোৰ হাতত থকা সকলো ধন সোণ চন্দুকত ভৰাই অতিথিশালাৰ প্ৰাঙ্গনত বৃক্ষ-ৰোপণৰ বাবে খান্দি থোৱা খালবোৰতে দ গাঁত খান্দি পুতি থম।"

এই কাহিনী কৈ উঠি হাজৰীমলে ক'লে, "শুনা, অতিথিশালাৰ পাছফালে থকা গছবোৰৰ তলত সেই ভাণ্ডাৰ বিচাৰি আমি খান্দিব লাগিব। তুমি যদি মোক সহায় কৰা তেন্তে মই তোমাক সেই ভাণ্ডাৰৰ তিনিভাগৰ এভাগ দিম।"

দীনুৱে হাজৰীমলৰ প্ৰস্তাৱত আনন্দেৰে সন্মতি দিলে। দীনুৱে সুধিলে, "তেন্তে এই ডাঙৰ কলহটো লগত অনাৰ কাৰণ কি?"

"আমি যদি হঠাতে এই কলহটো লগত লৈ আঁহো তেন্তে কাৰোবাৰ সন্দেহ হ'ব পাৰে। যদিহে সদায় কলহটো আমাৰ লগত থাকে তেন্তে ইয়াৰ ওপৰত কোনেও চকু নিদিব। চন্দুকত থোৱা ধন সোণ আমি ইয়াতে ভৰাই লৈ যাব পাৰিম।" হাজৰীমলে ক'লে।

ইয়াৰ পাছত দীনুৱে ঘোঁৰাটো এজোপা গছত বান্ধি থ'লে। তাৰপাছত দুয়ো কোৰ আৰু বেলচা লৈ অতিথিশালাৰ পিছফালে গ'ল। গছৰ তলত

দুয়ো বেলেগ দিশত খান্দিবলৈ ধৰিলে। ৰাতি পুৱাবৰ হৈছিল সেয়ে দুয়ো কাম বন্ধ কৰি দিলে আৰু পিছদিনা ৰাতি আকৌ তালৈ আহিবলৈ ঠিক কৰিলে। কিন্তু সেইৰাতি দুয়ো যি পৰিশ্ৰম কৰিলে তাৰ কোনো সুফল পোৱা নগ'ল। গাঁও আহি পোৱাৰ পাছত দীনুৱে হাজৰীমলক তেওঁৰ ঘৰত নমাই নিজৰ ঘৰলৈ আহিল।

"তুমি গোটেই ৰাতি ক'ত থাকিলা?' দীনুৰ পত্নী কামাক্ষীয়ে খঙেৰে সুধিলে। দীনুৱে গোটেই কথাখিনি বিৱৰি কৈ ক'লে, "তুমি এইবোৰ কথা কাকো নক'বা। আজি ৰাতি গৈ আমি আৰু কেইজোপামান গছৰ তলত খান্দি চাব লাগিব। আমাৰ ভাগ্য সুপ্ৰসন্ন হয় যদি ৰত্ন ভাণ্ডাৰ ওলাই আহিব আৰু আমি ল'ব পাৰিম।"

"এইটোতো ঘোৰ অন্যায়। অন্যায়ৰ ধন আমাক নালাগে।" কামাক্ষীয়ে দৃঢ়তাৰে ক'লে।

কিন্তু দীনুৱে পত্নীৰ কথালৈ কাণসাৰ নকৰিলে। সন্ধিয়া তেওঁ মানুহজনক লৈ সেই পৰিত্যক্ত অতিথিশালা ওলালগৈ আৰু অলপ নতুন ঠাইত খন্দাৰ পাছতো একো নোলোৱাত গাঁতবোৰ পুতি ঘৰলৈ গুচি আহিল।

সেইদিনা ৰাতি হাজৰীমল আৰু দীনুৱে অতিথিশালাৰ পিছফালে খান্দিলে। এইদৰে দুসপ্তাহলৈকে দুয়ো বহুত কষ্ট কৰিলে, কিন্তু দীনু নিদ্ৰা আৰু আহাৰৰ প্ৰতিও ঠিকমতে মন কাণ নিদিয়াকৈ খুব বেছি পৰিশ্ৰম কৰাত তেওঁৰ স্বাস্থ্য বেয়া হৈ আহিল। পিছদিনা পুৱা তেওঁৰ জ্বৰ উঠিল। সেইদিনা তেওঁ নিজৰ এজন প্ৰতিবেশীৰ হতুৱাই হাজৰীমললৈ খবৰ পঠিয়ালে, "আজি ৰাতি মই গাড়ী লৈ যাব নোৱাৰিম।"

প্ৰতিবেশীয়ে ঘূৰি আহি ক'লেহি যে হাজৰীমলে ঘৰ খালী কৰি চহৰলৈ গুচি গৈছে।

এই খবৰ শুনাৰ লগে লগে দীনুৰ মূৰ আচন্দ্ৰাই কৰিবলৈ ধৰিলে। তেওঁ ভাবিবলৈ ধৰিলে যে হাজৰীমলে যদি নিজৰ পৰিয়াল লগত লৈ চহৰলৈ গৈছে তেন্তে ইয়াৰ অৰ্থ হ'ল সেই ভাণ্ডাৰ তেওঁ বিচাৰি পাইছে। তাৰমানে হাজৰীমলে তেওঁক প্ৰতাৰণা কৰিলে।

জ্বৰীয়া গাৰে দীনুৱে কেঁকাই জেকাই হাজৰীমলৰ ঘৰ অভিমুখে দৌৰ মাৰিলে।

তাত গৈ দেখে যে হাজৰীমলৰ ঘৰত এটা তলা ওলমি আছে। ওচৰৰ এটা ঘৰৰ আগ চোতালত বহি থকা এজন বুঢ়া মানুহক হাজৰীমলৰ বিষয়ে সুধিলে। তেওঁ ক'লে, "মানুহটোৰ পাগলামি বাঢ়ি গৈছিল, সেয়েহে তেওঁৰ পত্নীয়ে তেওঁক চিকিৎসাৰ বাবে চহৰলৈ লৈ গৈছে।"

দীনুৱে আচৰিত হৈ সুধিলে, "কি ক'লে? হাজৰীমল পাগল হ'ল?"

“আৰুনো কি? নহ’লেনো নিজৰ ককাকে পুতি থোৱা ধন বিচাৰি কোনোবাই গোটেই ঘৰটো খান্দি পেলায়নে? এই পাগলামিৰ বাবে তেওঁ নিজৰ বেপাৰো বন্ধ কৰিলে। শেষত তেওঁ এটা কলহ পালে, যদিও তাত অলপ অচৰপ অলংকাৰৰ বাহিৰে আন একো নাছিল। লাহে লাহে তেওঁৰ পাগলামি বাঢ়ি আহিল, সেয়েহে তেওঁৰ পত্নীয়ে তেওঁক চিকিৎসাৰ বাবে চহৰলৈ লৈ গৈছে।” বুঢ়া মানুহজনে বুজালে।

তেতিয়াহে সকলো কথা দীনুৱে বুজি পালে। সেই মানুহজনৰ কথা শুনি তেওঁ অযথাই ইমান কষ্ট কৰিলে। মানুহজনৰ পাগলামিয়ে তাকো পাগল কৰিলে। তাৰমানে ধনৰ লোভে মানুহক সঁচাই পাগল কৰি তোলে।

এতিয়া দীনুৰ মনটো পাতল হৈ আহিল। দাঁত মুখ কৰচি তেওঁ ঘৰলৈ ঘূৰি আহিল।

তেতিয়ালৈকে ডাঙৰ এটা খুটাৰ আঁৰত লুকাই থকা দীনুৰ পত্নী কামাক্ষীয়ে বাহিৰলৈ ওলাই আহি বুঢ়া মানুহজনক ক’লে, “ককা, মোক ক্ষমা কৰিব। মই আপোনাৰ হতুৱাই এটা মিছা কথা কোৱালো।”

“অঁ আই! হাজৰীমলে সেই ভাণ্ডাৰ বিচাৰি পাইছিল। নিজৰ ঋণ পৰিশোধ কৰি তেওঁ জানো চহৰলৈ ঘূৰি যোৱা নাই? তুমি কিয় তেওঁক পাগল সজালা?” বৃদ্ধই সুধিলে।

কামাক্ষীয়ে গোটেই কথাখিনি বুঢ়া মানুহজনক কৈ ক’লে, “মই এনেকুৱা নকৰাহেঁতেন মোৰ স্বামী সঁচাই পাগল হৈ গ’লহেঁতেন! এই ৰত্নভাণ্ডাৰৰ কথা ওলোৱাৰ আগতে তেওঁ যিখিনি উপাৰ্জন কৰিছিল, তাৰে আমাৰ ঘৰখনৰ কেউটি প্ৰাণীৰে পেট ভৰিছিল। সুখত আছিলো, ঘৰত শান্তি আছিল। এনে এজন মানুহৰ মনত যদি ৰত্নভাণ্ডাৰৰ লোভ ওপজে তেন্তে আমিনো সুখ পাম ক’ৰপৰা? ৰত্নভাণ্ডাৰৰ কথা গম পোৱাৰ পাছতেই তেওঁ পাগলৰ দৰে হৈ পৰিল।

“খোৱা শোৱা সকলো পাহৰি গ’ল। দিনে ৰাতিয়ে সেই একেটাই চিন্তা। লাহে লাহে উপাৰ্জনো কমি আহিল। থকাখিনিও খৰচ হ’ল। এতিয়া তেওঁ ভোকত মৰাৰ অৱস্থাই হৈছে। তেওঁ অসুস্থ হৈ পৰিল। সেয়েহে মই আপোনাক এনেকৈ মিছা কথা ক’লো। ক্ষমা কৰিব।” এইদৰে উত্তৰ দি কামাক্ষী আন এটা ৰাস্তাৰে নিজৰ ঘৰ অভিমুখে গৈ থাকিল।

বন্ধু

এদিন ৰমেশ আৰু কামেশ নদীৰ পাৰলৈ গৈ আছিল। এজন মানুহ সমুখৰপৰা ওলালহি আৰু দুটা খেলা বস্তু দেখুৱাই ক'লে, "যিমান খেলাবস্তু লৈ আহিছিলো সকলো বিক্ৰী হৈ গ'ল। দুটাহে বাকী আছেগৈ। এটা পোন্ধৰ টকাত বেচিছো। আপোনালোকে এই দুটা লয় যদি দহ টকাকৈ দিম।"

ৰামেশৰ হাতত পইচা নাছিল। কামেশৰ ওচৰত আছিল, কিন্তু তেওঁ দুয়োটা ল'ব খোজা নাছিল। "দুয়োটা পুতলাই ধুনীয়া। এটা তুমি ৰাখা আৰু আনটো কোনোবা বন্ধুক দি দিবা।" ৰমেশে তেওঁক উৎসাহ দি ক'লে।

"নাই, নাই, ইয়াৰে এটা তুমি লব লাগিব।" এইদৰে সি ৰমেশক মনালে। তাৰ পিছত দহ টকা দি দুয়োটা পুতলাই ৰাখি থ'লে। দুয়ো ইটো সিটো কথা পাতি ঘৰৰ ওচৰ পালেদি। ৰমেশে ক'লে, "কামেশ, এক মিনিট ৰ'বা। মই ঘৰৰপৰা পইচা লৈ আহো।"

কামেশে হাঁহি ক'লে, "কৈ কৈছাহে বন্ধু। তোমাৰপৰা মই পইচা ল'ম? পুতলাকেইটা ধুনীয়া। ৰাখি থোৱা।"

"কাৰোবাৰপৰা বিনা পইচাই কিবা লোৱাটো মই পছন্দ নকৰো।" এইবুলি ৰমেশ গুচি গ'ল।

কামেশে দুয়োটা পুতলা লৈ ঘৰৰ ভিতৰলৈ গ'ল আৰু পত্নীক দেখুৱালে। লগতে সকলো কথা বিবৰি ক'লে। কামেশৰ পত্নীয়ে ক'লে, "মোৰ ভাব হৈছে, ৰমেশ ভাইৰ পুতলা দুটা পছন্দ হৈছে। তেওঁ অলপ বেলেগ ধৰণৰ। পইচা লৈ তেওঁক দি দিয়াই ভাল আছিল।"

"ময়ো অলপ বেলেগ ধৰণৰ। পইচা নিদিওঁ বুলিলেহে তেওঁক এই কেইটা দিম।" কামেশে গহীন ভাবত ক'লে।

"দুদিনমানৰ পিছত এই পুতলাকেইটা বৌক দি আহিম গৈ। আপোনাৰ কথাও ৰখা হ'ব। লগতে বস্তুকেইটাও দিয়া হ'ব।" এইদৰে

বাৰী

চাৰিদিনৰ পিছত পুতলাদুটা ৰমেশৰ পত্নীক দি আহিলগৈ।

এদিন কামেশ কিবা কামত গাঁওবুঢ়াৰ ঘৰলৈ গ'ল। তাত তেওঁ দেখিলে যে গাঁওবুঢ়াই কম্বল কিনিবলৈ বুলি দৰদাম কৰি আছে। মাটিত পেলাই থোৱা কম্বলবোৰ দেখি কামেশে ক'লে, "আপোনাৰ ঘৰত যিবোৰ কম্বল আছে, সেইবোৰ একেবাৰে নতুন যেনেই লাগিছে। আৰু কম্বল কিনিবৰনো কি প্ৰয়োজন?"

"এই প্ৰশ্ন মোক নহয়, নিজৰ বন্ধু ৰমেশক সুধিবা। তেওঁ এই কম্বলখন ল'ব বুলি কথা দিছিল। সেই কাৰণে মই এই নতুন কম্বলখন কিনি খুজিছোঁ।" গাঁওবুঢ়াই নিৰুদ্বেগচিত্তে ক'লে।

কামেশে আচৰিত হৈ ক'লে, "ৰমেশে কি সঁচাকৈয়ে ব্যৱহাৰ কৰি থকা কম্বল ল'ম বুলি কৈছে?"

"তুমিও যে আৰু ভাল সুধিছা। ব্যৱহাৰ কৰি থকা কম্বল তেওঁক বেচিম নেকি? পুৰণা বস্তু পেলাই দিয়াটো ৰমেশৰ পচন্দ নহয়। কেৱল নিজৰ ঘৰত ভালকৈ থৈ দিব।" গাঁওবঢ়াই ক'লে।

কামেশৰ চেহেৰা শেঁতা পৰি গ'ল। তেওঁ ক'লে, "ৰমেশে আপোনাৰ পৰা ল'ব? নে আন কাৰোবাৰ পৰাও কিনিব?"

"সি বহুতৰ পৰাই লয়।" গাঁওবুঢ়াই ক'লে। কামেশৰ মুখখন আক্ৰোশেৰে ভৰি পৰিল। ৰমেশে বিনা পইচাই সকলোৰেপৰা পুৰণা বস্তু লয়। ইফালে মুখেৰে কৈ ফুৰে যে তেওঁ কাৰোবৰপৰা একো নলয়। এই কথা গাৱঁৰ সকলোকে ক'বলৈ তেওঁ ঘৰৰপৰা ওলাই গ'ল। প্ৰথমতে তেওঁ নিজৰ ঘৰলৈ গ'ল আৰু পত্নীক লগত লৈ ৰমেশৰ ঘৰলৈ গ'ল। গাঁওবুঢ়াই যি কথা কৈছিল, কামেশে সেই সকলোবোৰ ৰমেশক জনালে।

ৰমেশে ক'লে, "ইমান সৰু কথা এটাতে ইমান হুলস্থূল কিয় কৰিছা। লোকৰপৰা মই যি লওঁ, সেয়া নিজৰ লগত নাৰাখো। যি দিয়ে, তেওঁৰ বন্ধুবৰ্গকে বিলাই দিওঁ।"

"যি দান কৰিব খোজে, তেওঁ কোনোবা বন্ধুকে দিব। তোমাৰ আকৌ মাজত সোমাবলৈ কি প্ৰয়োজন?" কামেশে উত্ৰাৱল হৈ ক'লে।

ৰমেশে নিজৰ মাতটো সৰু কৰি ক'লে, "তোমাক এটা কথা কওঁ। এই কথা কিন্তু

গোপনে ৰাখিবা। নহ'লে গাঁওবুঢ়াৰ খং উঠিব।" তেওঁ আচল কথাটো ক'লে।

অন্য এখন গাৱঁত গাঁওবুঢ়াৰ এজন দৰিদ্ৰ বন্ধু আছে। যেতিয়া তেওঁ গাঁওবুঢ়াৰ ঘৰলৈ আহিল তেতিয়া গাঁওবুঢ়াৰ ঘৰৰ কম্বলবোৰ দেখিলে। তেতিয়া দুখ কৰি তেওঁ ক'লে, "নাজানো, মইনো কেতিয়া এনেকুৱা কম্বল কিনিব পাৰিম। গাঁওবুঢ়াই পইচা নোলোৱাকৈয়ে তেওঁক সেইখন এনেয়ে দিব খুজিছিল। কিন্তু বন্ধুৱে বেয়া পাব পাৰে বুলি তেওঁ ভয় কৰিলে। সেয়ে তেওঁ একোকে নকলে। এই কথা যেতিয়া ৰমেশে গম পালে তেতিয়া তেওঁ ক'লে, "এই কামত আপোনাক মই সহায় কৰিম।"

"মই মানুহক কৈ ফুৰো যে মোৰ পুৰণা বস্তু গোটাই ফুৰাৰ অভ্যাস আছে। অভাৱীলোকে মোৰপৰা এই বস্তুবোৰ এনেয়ে লৈ যায়। যাক এইবোৰ লাগে, এনেয়ে লৈ যায়। এই কথাত নিসঙ্কোচে মোৰপৰা মানুহে বস্তু লয়।" ৰমেশে ক'লে।

"তেন্তে সেইদিনা পুতলা ল'বলৈ তুমি আপত্তি কৰিলা কিয়?" কামেশে সুধিলে।

"নতুন বস্তু উপহাৰ স্বৰূপে লওঁ। তুমি সেইদিনা পইচা নলওঁ বুলি কৈছিলা, কিন্তু তুমিতো এইটো কোৱা নাছিলা যে উপহাৰ স্বৰূপে লোৱা।" ৰমেশে ক'লে।

"চাবিদিনৰ পিছত মোৰ পত্নীয়ে দিওঁতে তোমাৰ পত্নীয়ে সেয়া লৈ ল'লে। তেওঁ তোমাক কোৱা নাই নেকি?" কামেশে সুধিলে।

মোৰ পত্নীয়ে মোক নোকোৱাকৈ কাম কৰে। সেই পুতলাকেইটা তেতিয়ালৈ পুৰণা হৈ গ'ল। সেয়েহে তেওঁক দিয়া হ'ল। সেয়া কোনোবা বন্ধুক দিবলৈও কোনো এনে বন্ধু নোলাল যাৰ সেইকেইটা প্ৰয়োজন আছে। এই কথা কৈ তোমাক সেইকেইটা ঘূৰাই দিয়াৰ কথাও ভাবিছিলো। কিন্তু তেনে কৰিলে তোমাৰ মনটো বেয়া লাগিব বুলিয়েই নকৰিলো।

শেষত ভাবিলো যে অন্ততঃ এজন বন্ধুৰপৰাই তো লৈছো। যদি তুমি কোৱা যে মই তোমাৰ বন্ধু নহওঁ তেন্তে পুতলাকেইটা ঘূৰাই দিম।" ৰমেশে ক'লে।

ৰমেশৰ হাতত পুনৰ এবাৰ কামেশ হাৰিল। শেঁতা মুখ লৈ তেওঁ ঘৰলৈ উভতিল।

প্ৰকৃত অন্ধ

জগপতি ৰায় লক্ষ্মীপুৰৰ জমিদাৰ আছিল। আনক কষ্ট দি, অতীষ্ঠ কৰি আৰু আনৰ সৈতে ধেমালি কৰি তেওঁ বৰ ভাল পাইছিল। এদিন তেওঁ শিৱ মন্দিৰলৈ গ'ল, আৰু ভগৱানৰ দৰ্শন কৰি উভতি আহিল। মন্দিৰৰ সমুখত এজন ভিক্ষাৰীয়ে ভিক্ষা খুজি কৈ আছিল, "দান দিয়ক ডাঙৰীয়া, ভগৱানে আপোনাৰ মংগল কৰিব, আপোনাক সুখেৰে ৰাখিব।" তেওঁ জন্মৰে পৰা অন্ধ আছিল।

ৰায়ে ভিক্ষাৰীজনক দেখাৰ লগে লগে তেওঁক কন্দুৱাবলৈ ঠিক কৰিলে। ইফালে সিফালে চাই তেওঁ এটা শিলগুটি উঠালে আৰু ভিক্ষাৰীৰ ভিক্ষাপাত্ৰত দি দিলে। তৎক্ষণাৎ ভিক্ষাৰীয়ে ক'লে, "ভিক্ষাপাত্ৰত শিলগুটি দিয়া আপুনিনো কোন ডাঙৰীয়া? মই অন্ধ, কিন্তু এটা কথা নিশ্চয় জানিব পাৰো যে এইটো মুদ্ৰা নে শিলগুটি। আপোনাৰ চকু আছে, ভালকৈ দেখা পায়, কিন্তু এই সৰু কথাটোও নাজানেনে? দেখিছো আপুনিহে আচল অন্ধ।" ৰায়ৰ পাছে পাছে অহা তেওঁৰ সেৱকজনে ক'লে, "এখেতক কোন বুলি ভাবিছা? আমাৰ জমিদাৰ গণপতি ৰায়, সাৱধান।"

"ভিক্ষাপাত্ৰত পৰা বস্তুটোৰ শব্দৰ আধাৰতেই মই কথাটো ক'লো, এইটো এজন জমিদাৰে কৰা কাম বুলি মইতো ভবাই নাছিলো, মই হ'লো জন্মান্ধ, কিন্তু ইমান এজন ডাঙৰ মানুহে এই কাম কৰিলে কিয়?" ভিক্ষাৰীয়ে সুধিলে।

তেওঁৰ কথা শুনি জমিদাৰে লাজতে মূৰ তললৈ কৰিলে। সেইদিনাৰেপৰা তেওঁ আনক হাৰাশাস্তি কৰিবলৈ এৰি দিলে। তেওঁ নিজৰ ভুল বুজি পালে।

– *জয়কিৰণ*



চান্দমামা সাধাৰণ জ্ঞান কুইজ-১

(১৬ বছৰৰ তলৰ শিশুৰ বাবে)

Co-sponsored by Infosys FOUNDATION, Bangalore

যি শুদ্ধ উত্তৰ দিয়ে, তেওঁলোকৰ মাজৰে এজনক দিয়াঠ হ'ব *২৫০ টকা

আমি এলানি নতুন কুইজ আৰম্ভ হ'ব যাৰ বিষয়বস্তু ভাৰতৰ বাহিৰবো হ'ব পাৰে। বিজ্ঞানৰ পৃথিৱী।

*যদি সৰ্বশুদ্ধ প্ৰৱিষ্টি এটাতকৈ অধিক হয় তেন্তে সফল প্ৰতিযোগীসকলৰ প্ৰত্যেককে দিয়া হ'ব ৫০ টকাকৈ।

তুমি কি কৰা উচিত: ১.এখন কাগজত উত্তৰবোৰ লিখা; ২.নিজৰ নাম, বয়স তথা পিন ক'ডৰ সৈতে ঘৰৰ সম্পূৰ্ণ ঠিকনা লিখা; ৩.লেফাফাৰ ওপৰত **চান্দমামা সাধাৰণ জ্ঞান কুইজ-১** বুলি লিখা; ৪.তোমাৰ উত্তৰ ২৮ ফেব্ৰুৱাৰীৰ ভিতৰত আমাৰ হাতত পৰা উচিত। সঠিক উত্তৰ এপ্ৰিল ২০০৯ সংখ্যাত প্ৰকাশ কৰা হ'ব।

১. মিশ্ৰ ধাতু তৈয়াৰ কৰিবলৈ কি ধাতু মিহলি কৰা হয়?

২. 'শূন্য' এটা গাণিতিক সংখ্যা হিচাপে ব্যৱহাৰ কৰা প্ৰথমজন বিজ্ঞানী কোন আছিল?

৩. এটা লাইট বাল্বৰ ফিলামেন্ট কি ধাতুৰে তৈয়াৰী?

৪. চি.এছ. ককেৰেলে কি উদ্ভাৱন কৰিছিল?

৫. চেফটি পিন কোনে উদ্ভাৱন কৰিছিল?

৬. কোনটো ৰাসায়নিক যৌগ পেট্ৰলৰ সম্ভাব্য বিকল্প হ'ব পাৰে?

৭. ৰাতিৰ আকাশত কোনটো তৰাই নিজৰ স্থান সলনি নকৰে?

৮. 'লাফিঙ গেচৰ' বৈজ্ঞানিক নাম কি?

20% Off!

CHANDAMAMA'S

Ramayana

An Epic Journey





Follow the epic journey of Prince Rama, from his birth to his exile, from the abduction of his wife, Sita, to his great war with the Asura King, Ravana, in Chandamama's latest offering: Ramayana - An Epic Journey.

Price: Rs 449/-

Order now and get 20 % off!

To place an order, go to www.chandamama.com and click on the 'Order Now' button.

Chandamama's Ramayana is available only in English at all leading book shops.

জানো আহাঁ নানা কথা

বিজ্ঞানৰ কত কথা

দৈনন্দিন জীৱনত বিজ্ঞান

তোমালোকে স্কুলত কৰা বিজ্ঞানৰ বহুত পৰীক্ষা আমাৰ সাধাৰণ জীৱনত, আনকি গাঁৱতো মন কৰিব পাৰি। গাঁৱৰ মানুহবোৰে তেওঁলোকৰ ল'ৰা ছোৱালীক কেনেকৈ সাঁতুৰিবলৈ শিকায় চাবাচোন। তেওঁলোকে এটা ডাঙৰ, শুকান লাও শিশুটিৰ পিঠিত বান্ধি দি ৰছীৰ এটা মূৰ ধৰি থাকে আৰু শিশুটিক পানীত নামিবলৈ দিয়ে। প্ৰায় সোপোকা শুকান লাওটোৱে যথেষ্ট পৰিমাণে উৰ্দ্ধমুখী চাপ দিয়ে। ই শিশুটি পানীত ডুবি যোৱাত বাধা দিয়ে।

গাঁৱৰ মানুহে সাধাৰণতে পানী থ'বলৈ মাটিৰ কলহ ব্যৱহাৰ কৰে। এই কলহবোৰত থাকে অসংখ্য ক্ষুদ্ৰ ছিদ্ৰ। এই ছিদ্ৰবোৰেদি অনবৰতে পানী নিগৰি থাকে আৰু বাষ্পীভূত হৈ থাকে। ই কলহত এটা শীতলীভৱনৰ সৃষ্টি কৰে আৰু পানীখিনি শীতল হৈ থাকে।

কাঠৰ চকা লগোৱা গৰুগাড়ীবোৰ ভালকৈ মন কৰিবাচোন। সাধাৰণতে চকাবোৰত লোৰ ঘেৰ লগোৱা থাকে। চকাত এই ঘেৰ লগোৱাৰ আগতে, শিল্পীয়ে ঘেৰটো গৰম কৰি লয়। ঘেৰটো গৰম হৈ ৰঙা হোৱাৰ পাছত তেওঁ ইয়াক কেইমিনিটমানৰ বাবে পানীত তিয়াই দিয়ে। খুব গৰম হৈ থাকোতেই তেওঁ এইটো পানীৰপৰা উলিয়াই আনি চকাত লগাই দিয়ে।

তোমাৰ পৰিৱেশ

ঔষধীয় উদ্ভিদ

এই সপ্তাহত আমি কথা পাতিম এইগেল্ মাৰ্মেল'চ এই বৈজ্ঞানিক নামেৰে পৰিচিত ঔষধীয় উদ্ভিদৰ বিষয়ে। সংস্কৃতত ইয়াৰ নাম হ'ল 'ভিলভা,' হিন্দীত 'বায়েল', তামিলত 'ভিলভাম' আৰু তেলুগুত 'মাৰেডু'। ভগৱান শিৱৰ প্ৰতি ই উৎসৰ্গীকৃত। গছজোপা ২০-৫০ ফুট ওখ হ'ব পাৰে আৰু ইয়াত সুগন্ধি ঈষৎ সেউজীয়া বগা ফুল ফুলে। নেমু টেঙাৰ দৰে ইয়াৰ ফলটো আকাৰত এটা সুমথিৰাৰ সমান আৰু ইয়াৰ এটা পাতল সেউজীয়া আৰু টান খোলা থাকে। খোলাটোৰ ভিতৰত থাকে পাতল কমলা ৰঙৰ শাহ যিবোৰ থাকে অসংখ্য বীজৰ চাৰিওফালে, প্ৰতিটো বীজৰ কেউকাষে থাকে এটা পৰিষ্কাৰ, বীজলুৰা পদাৰ্থ যিটো পদাৰ্থ ইয়াৰ ঔষধীয় গুণৰ বাবে বিখ্যাত। ফলটো পেটৰ অসুখৰ মহৌষধ। কেঁচা ফলটোৱে ডিছেন্টৰী আৰু ডায়েৰিয়া ভাল। ই অৰুচি আৰু বদ হজম নোহোৱা কৰে।

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

SOURA

SOURA

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা তলৰ ঠিকনাত:
ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা ইণ্ডিয়া লিমিটেড, নতুন ২/৫১২ (পুৰণি ৩/৩৯৬, সন্দীপ এভিনিউ ইষ্ট, দ্বিতীয় মূল পথ, চিন্না নীলাংকাৰাই, চেন্নাই-৬০০০৪১
এই মাহৰ ২০ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগীক ১০০ টকা পুৰস্কাৰ দিয়া হ'ব । পুৰস্কাৰ পাওঁতা জনৰ নাম এপ্ৰিল সংখ্যাত প্ৰকাশ কৰা হ'ব।

ডিচেম্বৰ সংখ্যাৰ পুৰস্কাৰ বিজেতা:

ৰাগিনী নাথ
এইচ্চ.পী.এপাৰ্টমেন্টচ
দীনেশ ওজা পথ
ভঙাগড়
গুৱাহাটী - ৭৮১ ০০৫

বিজয়ী প্ৰৱিষ্টি

আমি হ'লো কন্যা।
আনন্দৰ বন্যা॥

ভাৰতৰ বিষয়ে জানি লোৱাৰ উত্তৰসমূহ:

১.ৰাজা ৰামমোহন ৰায়; ২.এনি বেচান্ট; ৩.অক্টোবৰ ১৯২৪ ৰপৰা মেই ১৯২৭ লৈ; ৪.নূৰজাহান; জাহাংগীৰ; ৫.তীৰ্থংকৰ; ৬.দাক্ষিণাত্যৰ দৌলতাবাদ; ৭.তেৰ; ৮.যোধাবাঈ; ৯.১৯৫৯ চনত; ১০.সতেন্দ্ৰনাথ ঠাকুৰ (ৰবীন্দ্ৰনাথ ঠাকুৰৰ ককায়েক)।

Printed and Published by L. Subramanyan at B.N.K. Press Pvt. Ltd., Chennai - 26 on behalf of Chandamama India Limited, JVL Plaza, 6th Floor, 626 (Old 501), Anna Salai, Teynampet, Chennai - 600 018. Editor : L. Subramanyan



Arya
CHANDAMAMA CLASSICS and COMICS
Catch the Action with Chandamama!
Follow the adventures of the unknown **Prince Arya** with his forest friends.
Read the **legend of Garuda**, the invincible warrior.
Solve mysteries in the jungle with super sleuths, **Eli and Puli**, of the Detective Duo intelligence agency.
Garuda
Get your copies NOW!
Rs. 40
Rs. 60
Rs. 50
Eli & Puli
Chandamama subscribers buying all three titles will get a 20% discount
These titles are available only in English at all leading book shops.

CHANDAMAMA (Assamese) February 2009 Registrar of Newspapers of India No. 30278/76. Regd No. TN/CH(C)/218/09-11
Licensed to post WPP - Inland No.TN/CC(S)Dn/80/06-08, Foreign No. 81/06-08

বুব্বাৰ বাহাদুৰি